www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

বেছি বিক্ৰী হোৱা কিতাপবোৰ হৈছে মধ্যমীয়া প্ৰতিভাৰ ৰহণ লগোৱা কবৰ। — এল. পি স্মিথ

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

❐ PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ প্ৰথম বছৰ ❐ সংখ্যা- ২০১ ❐ বুধবাৰ ❐ ২৭ মে', ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 201 ❐ Wednesday ❐ 27th May, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page- 8

হত্যাৰ ধাৰাকে ধৰি একাধিক অভিযোগ গৃহীত

## জুবিন হত্যাৰ গোচৰৰ ৭ অভিযুক্তৰ বিৰুদ্ধে চাৰ্জফ্ৰেম



### ৩৯৪ গৰাকী সাক্ষীৰ তালিকা দাখিল কৰিবলৈ নিৰ্দেশ ফাষ্টট্ৰেক আদালতৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৬ মে' ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গ হত্যা গোচৰৰ ৭ অভিযুক্তৰ বিৰুদ্ধে মঙলবাৰে বিশেষ ফাষ্টট্ৰেক আদালতে গুৰুত্বপূৰ্ণ ৰায়দান কৰে। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ আদালতে সকলো অভিযুক্তৰ বিৰুদ্ধে হত্যাৰ ধাৰাকে ধৰি একাধিক ধাৰা আৰোপ কৰি চাৰ্জফ্ৰেম কৰে। আদালতে দিয়া ৰায় অনুসৰি,

❐ ৬ পৃষ্ঠাত

অৱশেষত কংগ্ৰেছৰ বিধায়িনী দলৰ নেতা নিৰ্বাচিত

## ৰাজেদ আলী চৌধুৰী বিৰোধী দলপতি, জয়প্ৰকাশ দাস উপ দলপতি হিচাপে নিৰ্বাচিত



### নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ ২১ দিন পাৰ হৈ যোৱাৰ পাছত কংগ্ৰেছ বিধায়িনী দলৰ ঘোষণা

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৬ মে' ঃ** অসম প্ৰদেশ কংগ্ৰেছে শেষত সকলো জল্পনা-কল্পনাৰ অন্ত পেলাই বিধায়িনী দলৰ নেতা আৰু উপ-দলপতিৰ নাম চূড়ান্ত কৰিছে। বীৰসিং জৰুৱা সমষ্টিৰ বিধায়ক ৰাজেদ আলী চৌধুৰীক কংগ্ৰেছ বিধায়িনী দলৰ নেতা আৰু ৰাজ্যৰ বিৰোধী দলপতি হিচাপে নিৰ্বাচিত কৰা হৈছে। আনহাতে, নাওবৈচা সমষ্টিৰ বিধায়ক ডাঃ জয় প্ৰকাশ দাসক বিধায়িনী দলৰ উপ-দলপতিৰ দায়িত্ব দিয়া হৈছে। বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ ২১ দিন পাৰ হৈ যোৱাৰ পাছতো কংগ্ৰেছে বিধায়িনী দলৰ নেতাৰ নাম ঘোষণা নকৰাত দলীয় মহলত নানা জল্পনা-কল্পনাই দেখা দিছিল।

❐ ৬ পৃষ্ঠাত

■ দীঘলীয়া বিতৰ্কৰ অন্তত গৃহীত চৰকাৰী প্ৰস্তাৱ; কংগ্ৰেছে দিল্লীৰ নিৰ্দেশত সদন ত্যাগ কৰাৰ অভিযোগ ■

# সদনত গৃহীত নাৰীশক্তি বন্দন অধিনিয়মৰ সংকল্প প্ৰস্তাৱ

বিৰোধীক ক্ষুৰধাৰ সমালোচনা মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৬ মে' ঃ** দীঘলীয়া আলোচনা আৰু বিতৰ্কৰ অন্তত অসম বিধানসভাৰ অধিৱেশনৰ চতুৰ্থ দিনা দেশৰ সংসদ আৰু সকলো বিধানসভাতে মহিলাৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণৰ চৰকাৰী সংকল্প প্ৰস্তাৱ গৃহীত হয়। মঙলবাৰে সদনৰ মজিয়াত শাসক আৰু বিৰোধীৰ মাজত তীব্ৰ বাকযুদ্ধ চলিলেও দিনটোৰ শেষত এই প্ৰস্তাৱ গৃহীত হয়। অধিকাংশ বিধায়কে সপক্ষে আৰু বিপক্ষে যুক্তি দাঙি ধৰে। সোমবাৰে মন্ত্ৰী অজন্তা নেওগে এই প্ৰস্তাৱ উত্থাপন কৰিছিল, মঙলবাৰে আঢ়ৈ ঘণ্টা ধৰি বিতৰ্ক অনুষ্ঠিত হয়। বিতৰ্কৰ মাজতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিষয়টোত বক্তব্য দাঙি ধৰি কংগ্ৰেছৰ সদন ত্যাগৰ তীব্ৰ সমালোচনা কৰে। তেওঁ অভিযোগ কৰে যে দিল্লীৰ নিৰ্দেশত অসম কংগ্ৰেছে সদন ত্যাগ কৰে। নিজৰ ভাষণত সংকল্প প্ৰস্তাৱৰ ইতিহাস সদৰি কৰি মুখ্যমন্ত্ৰীয়ে কয়, "নাৰী শক্তি বন্দন অধিনিয়ম ২০২৩ চনত এই বিধেয়কখন লোকসভা আৰু বিধানসভাত মহিলাক ৩৩ শতাংশ আসন

❐ ৬ পৃষ্ঠাত



## 'এক জিলা, তিনি প্ৰতিষ্ঠান'ৰ লক্ষ্যৰে বিকেন্দ্ৰীকৃত উচ্চ শিক্ষাৰ ব্লুপ্ৰিণ্ট'; সামাজিক মাধ্যমত ঘোষণা মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৬ মে' ঃ** অসমৰ সৰ্বাংগীণ উন্নয়নৰ যাত্ৰাত এতিয়া মূল শক্তি হৈ পৰিব ৰাজ্যৰ যুৱপ্ৰজন্ম। আজি

❐ ৬ পৃষ্ঠাত

২০২৮ চনত অসম ১০ লাখ কোটি টকাৰ অৰ্থনীতিৰ ৰাজ্য হ'ব

## বিকাশ আৰু উন্নয়নহে বিচাৰে ৰাইজে, পৰচৰ্চা-পৰনিন্দা নহয়; সদনত বিৰোধীক কটাক্ষ মুখ্যমন্ত্ৰীৰ

"হিংসা আঁতৰি শান্তি-সমৃদ্ধিৰ নতুন গংগা বোৱাইছে"



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৬ মে' ঃ** অসম বিধানসভা অধিৱেশনৰ চতুৰ্থ দিনা ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত আলোচনাৰ উত্তৰ দি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিৰোধীক উদ্দেশ্যি কটাক্ষ কৰে যে ৰাইজে বিকাশ আৰু উন্নয়ন বিচাৰে, পৰচৰ্চা আৰু পৰনিন্দা নহয়। ইয়াৰ লগতে তেওঁ ৰাজ্যৰ অৰ্থনীতি,

❐ ৬ পৃষ্ঠাত

জুবিনৰ নামত মুখ্যমন্ত্ৰী হোৱাৰ সপোন দেখিলে মুখথেকেচা খাবই ঃ হিমন্ত

## 'মায়াবিনী' আৰু 'দয়াবিনী'ক লৈ উত্তপ্ত সদন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৬ মে' ঃ** চলিত অসম বিধানসভাৰ অধিৱেশনত মঙলবাৰে জুবিন গাৰ্গৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিৰোধীক কঠোৰ সমালোচনা কৰে। তেওঁ কয় যে নিৰ্বাচনৰ পূৰ্বে জুবিনৰ ৰহস্যজনক মৃত্যুক লৈ কোনো মহলাই ৰাজনীতি কৰিব বিচাৰিছিল, কিন্তু সেই সপোন

❐ ৬ পৃষ্ঠাত



❐ আগন্তুক উপ-নিৰ্বাচন, স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ ৰণনীতি ❐

## কলাক্ষেত্ৰত বিজেপিৰ সাংগঠনিক বৈঠক; নৱনিৰ্বাচিত বিধায়কক সম্বৰ্ধনা



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৬ মে' ঃ** বিধানসভা নিৰ্বাচনত অভুতপূৰ্ব সফলতা লাভ কৰাৰ পিছত মঙলবাৰে গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শ্ৰীশ্ৰী দামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় বিজেপিৰ প্ৰথমখন সাংগঠনিক

❐ ৬ পৃষ্ঠাত

ওৱেনিশা অভিযানত গ্ৰেপ্তাৰ মীন বিভাগৰ ৭জন বিষয়া-কৰ্মচাৰী

## মীন বিভাগৰ কেলেংকাৰীৰ বিৰুদ্ধে ৰাজ্যজুৰি দুৰ্নীতি নিবাৰক শাখাৰ অভিযান

অৱসৰপ্ৰাপ্ত বিষয়াৰ ঘৰৰ পৰা নগদ ধন-সম্পত্তিৰ নথি জব্দ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৬ মে' ঃ** দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতি পুনৰ সক্ৰিয় কৰি ৰাজ্য চৰকাৰে সোমবাৰ আৰু মঙলবাৰে ৰাজ্যজুৰি বৃহৎ অভিযান চলাইছে। এই অভিযানত দুৰ্নীতি নিবাৰক শাখাই (ACB) ৭ গৰাকী চৰকাৰী বিষয়া-কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰকৈসকলৰ

❐ ৬ পৃষ্ঠাত




## জনগাঁথনিগত পৰিৱৰ্তনৰ তদন্তৰ বাবে উচ্চস্তৰীয় সমিতি গঠন কেন্দ্ৰীয় চৰকাৰৰ

ৰাষ্ট্ৰীয় নিৰাপত্তা-সাৰ্বভৌমত্বৰ সৈতে জড়িত গুৰুতৰ প্ৰত্যাহ্বান ঃ অমিত শ্বাহ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৬ মে' ঃ** ভাৰতৰ জনগাঁথনিগত পৰিৱৰ্তনৰ বিষয়টো সাম্প্ৰতিক সময়ত এক গুৰুতৰ ৰূপ ধাৰণ কৰিছে। মঙলবাৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই

❐ ৬ পৃষ্ঠাত

❐ পঞ্চমবাৰৰ বাবে ফাইনেলত RCB, তৃতীয় প্লে' অফলৈ গুজৰাট ❐

## IPLৰ ফাইনেলত প্ৰৱেশ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ; গুজৰাট টাইটানছক ৯২ ৰাণত পৰাজয়

শেষ মুহূৰ্তৰ আবেদনত অসন্তুষ্টি প্ৰকাশ; জৰুৰী শুনানি নাকচ উচ্চতম ন্যায়ালয়

## বকৰিদৰ পূৰ্বে গো-হত্যা সম্পূৰ্ণ ৰুদ্ধৰ দাবীত পিআইএল

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৬ মে' ঃ** মঙলবাৰে উচ্চতম ন্যায়ালয়ে পবিত্ৰ বকৰিদ (ঈদ-উজ-জুহা) উৎসৱৰ প্ৰাক্কালত গো-হত্যা সম্পূৰ্ণৰূপে নিষিদ্ধ কৰাৰ নিৰ্দেশ বিচাৰি দাখিল কৰা এখন

❐ ৬ পৃষ্ঠাত



**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৬ মে' ঃ** IPL ২০২৬ৰ প্ৰথমখন প্লে' অফ মেচত গুজৰাট টাইটানছক ৯২ ৰাণৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিলে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু (RCB)য়ে। এই জয়ৰ লগে লগে RCBয়ে পঞ্চমবাৰৰ বাবে IPLৰ ফাইনেলত স্থান নিশ্চিত কৰিলে।

❐ ৬ পৃষ্ঠাত



# অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা) মাকুম শাখাৰ উদ্যোগত কৃতি ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান

**অসম বাৰ্তা, মাকুম, ২৬ মে' ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা) মাকুম শাখাৰ উদ্যোগত আৰু অসম চাহ জনজাতি মহিলা সমিতি (আটুৱা) মাকুম শাখাৰ সহযোগত চাহ বাগিচা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উৎকৰ্ষ সাধন আৰু অনুপ্ৰেৰণা যোগাবলৈ প্ৰতি বছৰে আয়োজন কৰি অহা "কৃতি ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান" এই বৰ্ষতো বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। মাকুম মহাবিদ্যালয়ত অনুষ্ঠিত এই অনুষ্ঠানত উচ্চতৰ মাধ্যমিক আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষা ২০২৫-২৬ ত সুখ্যাতিৰে অৰ্জন কৰা কৃতি শিক্ষাৰ্থীসকলক সম্বৰ্ধনা জনোৱা হয়। দিনজোৰা কাৰ্যসূচীৰে আয়োজিত অনুষ্ঠানৰ শুভাৰম্ভ হয় পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষৰোপণ আৰু শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীৰে। সংগঠনটোৰ পতাকা উত্তোলন কৰে আটছা মাকুম শাখাৰ সভাপতি ৰবি কুৰ্মীয়ে, স্মৃতি তৰ্পণ কৰে সম্পাদক দীপক কুৰ্মীয়ে, বৃক্ষৰোপণ কৰে আটছা তিনিচুকীয়া জিলা সমিতিৰ সদস্য দয়াৰাম ভক্তাই আৰু শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে প্ৰাক্তন আটছা নেতা সুৰেজ নায়কে। ইয়াৰ পাছতে আটছা তিনিচুকীয়া জিলা সমিতিৰ শিক্ষা আৰু সাহিত্য সম্পাদক কাৰ্ত্তিক তাঁতীৰ পৰিচালনাত আমন্ত্ৰিত অতিথি আৰু উপস্থিত কৃতি ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে এক অন্তৰংগ আলাপ-আলোচনা অনুষ্ঠিত হয়। এই আলোচনাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ সফলতাৰ অভিজ্ঞতা, লক্ষ্য আৰু ভৱিষ্যৎ পৰিকল্পনা সম্পৰ্কে মত বিনিময় কৰাৰ লগতে সঠিক পথ প্ৰদৰ্শন লাভ কৰে। পৰৱৰ্তী কাৰ্যসূচী হিচাপে আটছা মাকুম শাখাৰ সভাপতি ৰবি কুৰ্মীৰ সভাপতিত্বত আৰু সম্পাদক দীপক কুৰ্মীৰ উদ্দেশ্য ব্যাখ্যাৰে এক কেৰিয়াৰ কাউন্সেলিং অনুষ্ঠান অনুষ্ঠিত হয়। আমন্ত্ৰিত বিশিষ্ট ব্যক্তিসকলে ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ, দক্ষতা আৰু লক্ষ্যৰ ওপৰত ভিত্তি কৰি ভৱিষ্যৎ কৰ্মজীৱন আৰু কেৰিয়াৰ সম্পৰ্কীয় বিভিন্ন গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। কাৰ্যসূচীৰ মাজতে ঝুমুৰ সম্ৰাট দুলাল মানকীয়ে গীত পৰিৱেশন কৰি ছাত্ৰ-ছাত্ৰী সকলক আমোদ দিয়ে। অনুষ্ঠানত প্ৰায় ৩০০ গৰাকী কৃতি ছাত্ৰ-ছাত্ৰীক জনগোষ্ঠীয় গামোচা আৰু অভিনন্দন। পত্ৰ প্ৰদান কৰি সম্বৰ্ধনা জনোৱা হয়। আজিৰ অনুষ্ঠানতে মাকুম মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মালবিকা ভূঞা ফুকনক সমগ্ৰ তিনিচুকীয়া জিলাৰ আদিবাসী/ চাহ জনগোষ্ঠীৰ উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা বিশেষ অৱদানৰ বাবে বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানত মাকুম সম জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অৰূপজ্যোতি তেৰণ, মাকুম মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মালবিকা ভূঞা ফুকন, ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ উপাধ্যক্ষা ড° প্ৰণিতা নেওগ, আটছাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক শৰৎ কুৰ্মী, প্ৰাক্তন কেন্দ্ৰীয় সাংগঠনিক সম্পাদক শংকৰ সিং ৰাজপুত আৰু যোগেশ্বৰ কুৰ্মী, আটছা তিনিচুকীয়া জিলা সমিতিৰ সভাপতি জগত নায়ক, পদ্মশ্ৰী দুলাল মানকী, কণ্ঠশিল্পী ও সমাজসেৱক মকৰ সিং ভূমিজ, প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য বিপুল কুৰ্মী, যুৱ ব্যৱসায়ী কমল মালী, তিনিচুকীয়া জিলাৰ আটছাৰ সহকাৰী সম্পাদক দিম্পল তাঁতী, মাকুম বেটেলিয়ানৰ গাঁও প্ৰধান, আটছা মাকুম আঞ্চলিক সমিতি, মহিলা সমিতি, শাখা-উপশাখা আৰু প্ৰাথমিক গোটৰ বিষয়ববীয়াসকল উপস্থিত থাকে। অনুষ্ঠানত বহু সংখ্যক কৃতি ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক-অভিভাৱিকাৰ উপস্থিতিয়ে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# লেখক-গৱেষক সংস্থা 'Writers on Assam Adivasis'ৰ লখিমপুৰ জিলা সমিতি গঠন

## গডফ্ৰী হেড়ে আৰু মিণ্টু মিঞ্জুৰ সভাপতি-সম্পাদক নিৰ্বাচিত




**অসম বাৰ্তা, লীলাবাৰী, ২৬ মে' ঃ** "আদিবাসী জনগোষ্ঠীৰ ইতিহাস, জাতি-জনজাতি, ভাষা-সংস্কৃতি সন্দৰ্ভত আজিলৈ গভীৰ অধ্যয়ন নোহোৱাটো জনগোষ্ঠীটোৰ বাবে অতি ক্ষতিকাৰক কথা। অসমত বসবাস কৰা আদিবাসী জনগোষ্ঠীৰ লোকসকলে নিজৰ বুৰঞ্জী নিজে লিখিব লাগিব।"- আদিবাসী জনগোষ্ঠীৰ লেখক-গৱেষক সংস্থা 'Writers on Assam Adivasis'ৰ জিলাভিত্তিক আলোচনাত সংস্থাটিৰ মুখ্য উপদেষ্টা মাংৰা ওৰাওঁৱে এনেদৰে কয়। লখিমপুৰ জিলাৰ 'আদিবাসী জুনুবস্তি হাইস্কুল'ত ২৪ মে'ত সংস্থাটিৰ লখিমপুৰ জিলা সমিতি গঠনৰ উদ্দেশ্যে অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ সভাখনত ড° ওৰাওঁৱে সংস্থাটিয়ে প্ৰতিবছৰে আদিবাসী জনগোষ্ঠী সম্পৰ্কীয় গৱেষণা গ্ৰন্থ প্ৰকাশ কৰা আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰৰ আয়োজন কৰি আহিছে আৰু নতুন লেখক সৃষ্টিত গুৰুত্ব প্ৰদান কৰিছে বুলি উল্লেখ কৰে। তেখেতে কয়, জিলা পৰ্যায়ৰ সমিতিৰ জৰিয়তে জনগোষ্ঠীটোৰ বিভিন্ন জাতি-জনজাতিৰ অখ্যাত লোক-কাহিনী, লোক-কলা, ভাষা-সংস্কৃতি সন্দৰ্ভত অভিজ্ঞতা থকা লোকসকলৰ পৰা তথ্য সংগ্ৰহ, সংৰক্ষণ কৰাৰ চেষ্টা কৰাৰ সমান্তৰালকৈ গ্ৰন্থ আকাৰে প্ৰকাশৰ ব্যৱস্থা কৰা হ'ব। সংস্থাটিৰ কৰ্ণধাৰ সমিতিৰ সভাপতি ড° প্ৰবীণ টপ্পৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত সৰ্বসন্মতিক্ৰমে শিক্ষকদ্বয় কিশোৰ চুৰিণ আৰু চিম্প্লিয়োছ ধানোৱাৰক উপদেষ্টা, গডফ্ৰী হেড়েক সভাপতি, জেনী এক্কাক উপ-সভাপতি, মিণ্টু মিঞ্জুৰক সম্পাদক, মিলিকা টপ্পক সহকাৰী সম্পাদক, জৰ্জ তিৰ্কীক ধনভঁড়ালী আৰু জুহি ভূমিজ, এলিছা কেৰকেট্টা, প্ৰমোদ চাণ্ডিগুৰীয়া, যোনাছ ভেংৰাক সদস্য হিচাবে লৈ এঘাৰ জনীয়া লখিমপুৰ জিলা সমিতি গঠন কৰে। আহ্বায়কত্ৰয় জৰ্জ তিৰ্কী, গডফ্ৰী হেড়ে আৰু মিণ্টু মিঞ্জুৱে আঁত ধৰা সভাখনত লখিমপুৰ জিলা শৈক্ষিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সহকাৰী অধ্যাপক জেনী এক্কা, বিশিষ্ট দন্ত চিকিৎসক ড° ৰিন'য় আগষ্টিন পাণ্ড', কয়লামাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী মাৰ্গাৰেট লাং, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি গডউইন হেমৰম, লখিমপুৰ জিলা আদিবাসী মহিলা সন্থাৰ সভাপতি ললিতা টপ্প, শিক্ষকত্ৰয় কিশোৰ চুৰিণ, সুনীল হেড়ে, জন তিৰ্কীৰ লগতে লখিমপুৰ জিলাৰ অৰ্ধশতাধিক আদিবাসী লেখক-গৱেষক, কলেজীয়া ছাত্ৰ-ছাত্ৰী, ছাত্ৰনেতা, সমাজসেৱকে অংশগ্ৰহণ কৰে।

# নলবাৰীত অসম ভিত্তিত কুইজ প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, নলবাৰী, ২৬ মে' ঃ** নলবাৰী চহৰৰ এন টি ৰোডস্থিত নলবাৰী জিলা কাৰ্যালয়ত ২৪ মে', ২০২৬ ইং তাৰিখ দেওবাৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী চহৰ সমিতিৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী চহৰ সমিতিৰ সভাপতি কংকন দত্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত সভাত উনবিংশতম বৰ্ষৰ বাবে সাংগঠনিক শ্বহীদ তুলু তালুকদাৰ আৰু শ্বহীদ দ্বীপজ্যোতি লহকৰ সোঁৱৰণী সদৌ অসম প্ৰাইজমানী কুইজ প্ৰতিযোগিতাৰ পৰিচালনা সমিতি গঠন কৰা হয়। অহা ১৪ জুনত নলবাৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব লগা কুইজ প্ৰতিযোগিতা খনৰ পৰিচালনাৰ বাবে ভাস্কৰজ্যোতি বৰ্মনক সভাপতি, নৱজ্যোতি ডেকাক কাৰ্যকৰী সভাপতি আৰু নিহাৰ তালুকদাৰক সম্পাদকৰ দায়িত্ব দিয়া হয়। কুইজ প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি "প্ৰহৰী" নামৰ স্মৰণিকা এখনো প্ৰকাশ কৰা হ'ব। স্মৰণিকা খনৰ দীপজ্যোতি বেজবৰুৱাক সম্পাদক হিচাপে দায়িত্ব দিয়া হয়। কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা প্ৰতিযোগী সমূহক ৭০০২১৬৯০৪০ নম্বৰত যোগাযোগ কৰিবলৈ আয়োজক সমিতিয়ে আহ্বান জনাইছে।

# অভাৱনীয় মূল্যবৃদ্ধিৰ বিৰুদ্ধে বৰপেটাত চিপিআই (এম)ৰ বিক্ষোভ কাৰ্যসূচী

**অসম বাৰ্তা, বৰপেটা সদৰ, ২৬ মে' ঃ** বৰপেটা জিলাৰ বৰপেটা চহৰত আজি চিপিআই(এম) দলৰ উদ্যোগত অভাৱনীয় মূল্যবৃদ্ধিৰ বিৰুদ্ধে এক প্ৰতিবাদী বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অত্যাৱশ্যকীয় সামগ্ৰী, পেট্ৰ'ল-ডিজেল, ৰন্ধন গেছৰ লগতে জীৱনদায়িনী ঔষধৰ অস্বাভাৱিক মূল্যবৃদ্ধিৰ বিৰুদ্ধে এই প্ৰতিবাদ সাব্যস্ত কৰে দলটোৱে। চিপিআই(এম) কাৰ্যালয়ৰ সন্মুখত অনুষ্ঠিত এই কাৰ্যসূচীত দলটোৰ নেতা-কৰ্মী আৰু সমৰ্থকসকলে অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ বিৰুদ্ধে বিভিন্ন শ্লোগান দি ক্ষোভ প্ৰকাশ কৰে। প্ৰতিবাদকাৰীসকলে অভিযোগ উত্থাপন কৰি কয় যে নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ অস্বাভাৱিক মূল্যবৃদ্ধিৰ ফলত সাধাৰণ জনসাধাৰণৰ জীৱন-যাপন অত্যন্ত কষ্টকৰ হৈ পৰিছে। লগতে দলটোৱে শীঘ্ৰে মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনায়। চিপিআই(এম)ৰ এই বিক্ষোভ কাৰ্যসূচীৰ ফলত কিছু সময়ৰ বাবে প্ৰতিবাদস্থলী উত্তাল হৈ পৰে। পেট্ৰ'ল, ডিজেল আৰু ৰন্ধন গেছৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে চি পি আই (এম)এ প্ৰধানমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। বৰপেটাৰ জিলা আয়ুক্তৰ জৰিয়তে প্ৰেৰণ কৰা স্মাৰক পত্ৰত দলটোৱে অভিযোগ কৰে যে নিৰ্বাচনৰ পিছতেই ইন্ধন আৰু গেছৰ দাম সঘনাই বৃদ্ধি কৰি সাধাৰণ জনতাক আৰ্থিক সংকটত পেলোৱা হৈছে। দলটোৱে কয় যে পেট্ৰ'ল-ডিজেলৰ মূল্যবৃদ্ধিৰ ফলত নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ দামো অস্বাভাৱিক হাৰত বৃদ্ধি পাইছে। লগতে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে আৰোপ কৰা কৰ হ্ৰাস কৰি মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ দাবী জনায় চি পি আই (এম)এ। চি পি আই (এম)এ আৰু উল্লেখ কৰে যে আন্তৰ্জাতিক বজাৰত অশোধিত খাৰুৱা তেলৰ মূল্য হ্ৰাস পোৱাৰ সময়তো দেশত ইন্ধনৰ মূল্য কমোৱা হোৱা নাছিল। সেয়েহে বৰ্তমান মূল্যবৃদ্ধিৰ যুক্তি অগ্ৰহণযোগ্য বুলি মন্তব্য কৰি দলটোৱে অনতিপলমে মূল্যবৃদ্ধি ৰোধ কৰি সাধাৰণ জনতাক সকাহ দিয়াৰ আহ্বান জনায়।

# অ'এনজিচি পূৰ্বাঞ্চল এমপ্লইজ এছ'চিয়েচনৰ উদ্যোগত "অভিনন্দন ৩.০-২০২৬" অনুষ্ঠানত কৃতিত্বৰ সন্মান; শিক্ষাৰ মূল্যবোধৰ উদযাপন




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২৬ মে' ঃ** এখন সমাজৰ ভৱিষ্যত নিৰ্ভৰ কৰে নতুন প্ৰজন্মৰ চিন্তা, শিক্ষা আৰু মূল্যবোধৰ ওপৰত। কৃতিত্বৰ স্বীকৃতিয়ে এজন শিক্ষাৰ্থীক আগবাঢ়ি যোৱাৰ প্ৰেৰণা আৰু সাহস যোগায়; সমাজকো প্ৰদান কৰে আশাৰ নতুন পোহৰ। সেই মহান উদ্দেশ্যক হৃদয়ত লৈ অ'এনজিচি অসম সম্পদৰ একমাত্ৰ স্বীকৃতিপ্ৰাপ্ত শ্ৰমিক সংগঠন অ'এনজিচি পূৰ্বাঞ্চল এমপ্লইজ এছ'চিয়েচনে ২০২৪ চনৰ পৰা "অভিনন্দন" শীৰ্ষক এক ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। অ'এনজিচি অসম সম্পদৰ নিয়মীয়া তথা চুক্তিবদ্ধ বিষয়া-কৰ্মচাৰীসকলৰ সন্তানৰ লগতে অ'এনজিচিৰ জড়িত কিছুমান কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱাৰ উদ্দেশ্যে আয়োজিত এই অনুষ্ঠানটোৱে ইতিমধ্যে এক সুকীয়া মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে। অনুষ্ঠানটোৰ জৰিয়তে কেৱল কৃতিত্বক সন্মান জনোৱাই নহয়, সমাজত সুস্থ চিন্তা, শিক্ষাৰ প্ৰতি দায়বদ্ধতা আৰু নতুন প্ৰজন্মৰ মনত প্ৰেৰণাৰ সঞ্চাৰ ঘটোৱাৰ এক আন্তৰিক প্ৰয়াস অব্যাহত ৰাখিছে সংগঠনটোৱে। এই বৰ্ষৰ "অভিনন্দন" অনুষ্ঠানটি যোৱা ২৪ মে' তাৰিখে শিৱসাগৰৰ অ'এনজিচি অফিচাৰ্চ ক্লাৱত গাম্ভীৰ্য আৰু সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত হৈ যায়। অনুষ্ঠানৰ আৰম্ভণিতে অ'এনজিচি পূৰ্বাঞ্চল এমপ্লইজ এছ'চিয়েচনৰ সাধাৰণ সম্পাদক সঞ্জীৱ বৰুৱাই আদৰণি ভাষণ আগবঢ়াই উপস্থিত অতিথি আৰু ছাত্ৰ-ছাত্ৰীসকলক উষ্ম সম্ভাষণ জনায়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই নিজৰ বক্তব্যত "শিক্ষাক জাতি গঢ়াৰ মূল শক্তি" বুলি অভিহিত কৰি নতুন প্ৰজন্মক কঠোৰ অধ্যৱসায়, সামাজিক দায়বদ্ধতা আৰু নৈতিক মূল্যবোধক সঙ্গী কৰি জীৱনৰ পথত আগুৱাই যাবলৈ আহ্বান জনায়। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে শিৱসাগৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাপৰি চেতিয়া, সদৌ তাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি বসন্ত গগৈ আৰু অ'এনজিচি অসম সম্পদৰ কাৰ্যবাহী সঞ্চালক (নিযুক্ত) উদয় পাচোৱান। অতিথিসকলে নিজৰ ভাষণত শিক্ষাৰ প্ৰকৃত তাৎপৰ্য, শৃংখলা, মানৱীয় মূল্যবোধ আৰু জীৱনত সফলতা অৰ্জনৰ ক্ষেত্ৰত আত্মনিয়োগৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। উক্ত অনুষ্ঠানত দশম আৰু দ্বাদশ শ্ৰেণীৰ বৰ্ডৰ পৰীক্ষাত উত্তীৰ্ণ ৩০জন কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰা হয়। লগতে শিৱসাগৰ জিলাৰ ভিতৰতে সৰ্বাধিক নম্বৰ লাভ কৰি দ্বাদশ শ্ৰেণীত উত্তীৰ্ণ হোৱা কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ডৰ মেধাৱী ছাত্ৰ দিব্যাংকু ৰবি দত্তক (৯৯.৮০ শতাংশ) আৰু অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ কৃতী ছাত্ৰ দৃশান দত্তক (৯৭.৩৩ শতাংশ) বিশেষভাৱে অভিনন্দন জনোৱা হয়। তেওঁলোকৰ এই সাফল্যই নিঃসন্দেহে আগন্তুক প্ৰজন্মৰ বাবে এক উজ্জ্বল অনুপ্ৰেৰণা হিচাপে পৰিগণিত হ'ব। শিক্ষাৰ উৎকৰ্ষক সন্মান জনাই ভৱিষ্যত প্ৰজন্মক আগুৱাই লৈ যোৱাৰ বাবে অ'এনজিচি পূৰ্বাঞ্চল এমপ্লইজ এছ'চিয়েচনৰ ইতিবাচক চিন্তাৰ এই মহৎ প্ৰয়াসক সচেতন ৰাইজে ভূয়সী প্ৰশংসা কৰাৰ লগতে ইয়াৰ দ্বাৰা কৃতিত্বৰ সংস্কৃতি অধিক শক্তিশালী কৰি তুলিব বুলি সকলোৱে আশা প্ৰকাশ কৰে। ৰুমিন বৰুৱাই আঁতধৰা সৰ্বাংগসুন্দৰ অনুষ্ঠানটিৰ শেষত বিশ্বজিৎ চলিহাই শলাগৰ শৰাই আগবঢ়ায়।

## হেল্পিংহেণ্ড সন্থা আৰু জেএনকেডি নিউজৰ ফালৰ পৰা বঁটা প্ৰদান তিনি জনলৈ

# ৰহালৈ সুনাম কঢ়িয়াই আনিলে তিনিগৰাকী ব্যক্তিয়ে

**অসম বাৰ্তা, ৰহা, ২৬ মে' ঃ** অসমৰ জনগণৰ স্বাৰ্থত জনগণৰ হকে কাম কৰা এক সামাজিক অনুষ্ঠান হেল্পিং হেণ্ড সন্থাৰ তৃতীয় বৰ্ষ আৰু জে এন কে ডি নিউজ পৰ্টেলৰ দ্বিতীয় বৰ্ষ পূৰ্তি উপলক্ষে আয়োজিত অনুষ্ঠানত সমগ্ৰ অসমৰ বিভিন্ন শিতানত বিশেষ সেৱা আগবঢ়োৱা ২৯ গৰাকী ব্যক্তিক বিভিন্ন শিতানৰ বঁটা প্ৰদান কৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰহাৰ ৰহঘৰালৈ অৰ্থাৎ ৰহাৰ সমাজ আৰু জাতীয় জীৱনত বিশেষভাৱে সেৱা আগবঢ়োৱা তিনিগৰাকী ব্যক্তিক হেল্পিং হেণ্ড সন্থাৰ "বিশিষ্ট সমাজকৰ্মী" বঁটাৰে সন্মানীত কৰে ঐতিহাসিক সৰা ৰাজ্যৰ সৰাগাঁও নিবাসী বিশিষ্ট সমাজকৰ্মী লেখক, কবি, শিক্ষক লক্ষ্মী প্ৰসাদ ডেকাক। ৰহা গড়মাৰী নিবাসী ৰহা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি তথা নগাঁও জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি সঞ্জয় কুমাৰ কাকতিক "যুৱ সমাজ ৰত্ন" বঁটা লগতে ঐতিহাসিক শ্ৰী শ্ৰী কাংশপাৰ সত্ৰৰ মোলানকটা নিবাসী সাংবাদিক, শিক্ষক, কবি নৱজ্যোতি ভূঞাক জে এন কে ডি নিউজৰ "বৰ্ষ শ্ৰেষ্ঠ বঁটা"ৰে সন্মানীত কৰে। উক্ত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসমৰ বিভিন্ন ঠাইৰ বিশিষ্ট গণ্যমান্য ব্যক্তি উপস্থিত থকাৰ লগতে ৰহাৰ বিশিষ্ট সমাজকৰ্মী সাংবাদিক তথা ৰহা আঞ্চলিক সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি চাপৰমুখৰ নিবাসী দীপক কুমাৰ শৰ্মা, সমাজকৰ্মী শিক্ষক সাংবাদিক চাপৰমুখ কছুৱা নিবাসী ফুনু শৰ্মা, শ্ৰেষ্ঠ সাংবাদিক তথা সমাজকৰ্মী ৰহাৰ নিবাসী ছয়েল খেতান সহ প্ৰায় তিনি শতাধিক ব্যক্তি উক্ত আৰম্বপূৰ্ণ সভাত উপস্থিতিত ৰহাৰ তিনি গৰাকী ব্যক্তিক বঁটা প্ৰদান কৰে। দুয়োটা অনুষ্ঠানক ধন্যবাদ জনোৱা লগতে অনুষ্ঠান দুটাৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে সমগ্ৰ ৰহাৰ সচেতনমহলে।

## 'গ্ৰন্থধন অদ্ৰাব্য আৰু অদহনীয় সম্পদ' ঃ ড° দেৱজিৎ শইকীয়া

# ডিব্ৰুগড়ৰ জ্যোতি ললিতা কানৈ ফাউণ্ডেশ্যনৰ মাজুলী মহাবিদ্যালয়লৈ পঞ্চাশ হাজাৰ টকা দান

**অসম বাৰ্তা, উজনী মাজুলী, ২৭ মে' ঃ** মাজুলী মহাবিদ্যালয়ে একাধাৰে ৰূপায়ণ কৰি অহা 'গ্ৰন্থদান মহান দান' কাৰ্যসূচীত ভাগ লৈ ডিব্ৰুগড়ৰ জ্যোতি-ললিতা কানৈ ফাউণ্ডেশ্যনে আগবঢ়াইছে পঞ্চাশ হাজাৰ টকা। আজি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়ালৈ দিয়া এখন পত্ৰযোগে ফাউণ্ডেশ্যনটোৰ অধ্যক্ষ জ্যোতি প্ৰসাদ কানৈয়ে সেই কথা অৱগত কৰে। অলপতে ডিব্ৰুগড়ৰ অগ্ৰণী দাতা পৰিয়ালৰ হৈ জ্যোতি প্ৰসাদ কানৈক মাজুলী মহাবিদ্যালয়ৰ তৰফৰ পৰা অধ্যক্ষ ড° দেৱজিৎ শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক অধ্যাপক তুলসী ৰাজখোৱা আৰু গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসৰ নেতৃত্বত যোৱা এটা সঁজাতী দলে মহাবিদ্যালয়খনে বিগত বছৰবোৰত ৰূপায়ণ কৰি অহা গ্ৰন্থ সংগ্ৰহৰ কাৰ্যসূচীত অংগ্ৰহণ কৰি মাজুলীৰ দৰিদ্ৰ শিক্ষাৰ্থীৰ উপকাৰ সাধিবলৈ অনুৰোধ জনাইছিল। সেই মৰ্মেই আজি পত্ৰ যোগে ফাউণ্ডেশ্যনটোৰ অধ্যক্ষ জ্যোতি প্ৰসাদ কানৈয়ে তেওঁলোকৰ বদান্যতা প্ৰকাশ কৰি পঞ্চাশ হাজাৰ টকা আগবঢ়োৱাৰ কথা ঘোষণা কৰাত ফাউণ্ডেশ্যনটোৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিবলৈ দিনৰ ১ বজাত অধ্যক্ষৰ কক্ষত আহ্বান কৰা হয় গ্ৰন্থাগাৰ পৰিচালনা সমিতিৰ এখন বিশেষ সভা। সভাৰ আঁত ধৰি উদ্দেশ্য ব্যাখ্যা কৰে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসে। সভাখনিত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই জ্যোতি ললিতা ফাউণ্ডেশ্যনৰ হৈ জ্যোতি প্ৰসাদ কানৈ আৰু ললিতা দেৱী কানৈক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে মহাবিদ্যালয়লৈ আগবঢ়োৱা এই দানে দুখীয়া শিক্ষাৰ্থীসকলৰ পৰম উপকাৰ সাধিব বুলি মন্তব্য কৰে। জ্যোতি ললিতা ফাউণ্ডেশ্যনৰ এই বদান্যতাৰ কথা মাজুলীবাসীয়ে কেতিয়াও নাপাহৰে বুলি মন্তব্য কৰি ড° শইকীয়াই কয়, "গ্ৰন্থধন অদ্ৰাব্য আৰু অদহনীয় সম্পদ। এই সম্পদ দানৰ তুল্য আন একো হ'ব নোৱাৰে। এনে অনুপম দানকৰ্ম সম্পাদন কৰি কানৈ ফাউণ্ডেশ্যন নিজেই ধন্য হ'ল।" সভাত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়া, পীতাম্বৰদেৱ গোস্বামী কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ঘনকান্ত নাথ, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, গ্ৰন্থাগাৰ পৰিচালনা সমিতিৰ সদস্যস ক্ৰমে ইংৰাজী বিভাগৰ মুৰব্বী অপূৰ্বজ্যোতি হাজৰিকা, অসমীয়া বিভাগৰ মুৰব্বী ডঃ দুলাল হাজৰিকা, অধ্যাপক নৱজিৎ চেলেং, কৰ্মচাৰী গোটৰ সভাপতি দেৱজিৎ বৰুৱা প্ৰমুখ্যে লোকসকল উপস্থিত থাকে। কানৈ ফাউণ্ডেশ্যনে প্ৰদৰ্শন কৰা বদান্যতাৰ বাবে মাজুলীবাসীৰ হৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰদেৱ গোস্বামী, ভোগপুৰ সত্ৰৰ অধিকাৰ দত্তদেৱ গোস্বামী, নতুন কমলাবাৰী সত্ৰৰ অধিকাৰ সত্যজিত মহন্ত, মহাবিদ ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ উপ-সভাপতি ড° ৰূপজ্যোতিবৰা, সম্পাদক ড° অনুপ কুমাৰ দলে, সঞ্চয় আৰু ঋণদান সমবায় সমিতিৰ সম্পাদক ড° ৰাজেন চন্দ্ৰ বৰা, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মহাবিদ্যালয়ৰ নডেল বিষয়া দেৱজ্যোতি খাটনিয়াৰ, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, সম্পাদক অধ্যাপক তুলসী ৰাজখোৱা, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, সম্পাদক ডিম্বেশ্বৰ দত্ত, জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিত কুমাৰ ভূএগ্ৰা, জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকা, জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা, ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰা, 'আপকু'ৰ ৰাজ্যিক উপ-সভাপতি জীৱন বৰুৱা, জিলা আপকুৰ সভাপতি ৰঞ্জন বৰা, অসম কলেজ শিক্ষক সংস্থা, মাজুলী মণ্ডলৰ সম্পাদক ড° দেৱজ্যোতি ভট্টাচাৰ্য প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকলে কৃতজ্ঞতা প্ৰকাশ কৰি বাৰ্তা প্ৰেৰণ কৰিছে।

## কোকোৰাঝাৰৰ ঘটনাক চিবিআইৰ তদন্ত ঘোষণা কৰকঃ ড° বানেশ্বৰ মিৰ্ধা, ধীৰেন তীৰ্কী

# ঢেকীয়াজুলিত আদিবাসী সংগঠনসমূহৰ প্ৰতিবাদ; দোষীক কঠোৰ শাস্তিৰ দাবী

### কোকোৰাঝাৰৰ নিতুল চাহ বাগিছাৰ জঘন্য ঘটনাক লৈ তীব্ৰ ক্ষোভ

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৬ মে' ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলিত আজি কোকোৰাঝাৰ জিলাৰ নিতুল চাহ বাগিছাত সংঘটিত হোৱা জঘন্য ঘটনাক কেন্দ্ৰ কৰি তীব্ৰ ক্ষোভ প্ৰকাশ কৰে বিভিন্ন আদিবাসী সংগঠনে। বিশেষকৈ দুগৰাকী আদিবাসী কিশোৰীৰ ৰহস্যজনক মৃত্যুক লৈ সমগ্ৰ ৰাজ্যজুৰি সৃষ্টি হোৱা চাঞ্চল্যৰ মাজতে সংগঠনসমূহে ঘটনাটোৰ উচিত তদন্ত আৰু দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী উত্থাপন কৰে। উল্লেখ্য যে বিগত কেইদিনমানৰ পূৰ্বে কোকোৰাঝাৰ জিলাৰ নিতুল চাহ বাগিছাৰ এখন পুখুৰীত ৰহস্যময় অৱস্থাত দুগৰাকী আদিবাসী কিশোৰীৰ মৃতদেহ উদ্ধাৰ হৈছিল। মৃতদেহ উদ্ধাৰৰ পিছতে অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। স্থানীয় ৰাইজ আৰু বিভিন্ন দল সংগঠনে কিশোৰী দুগৰাকীক ধৰ্ষণ কৰি হত্যা কৰা হৈছে বুলি অভিযোগ উত্থাপন কৰে। ঘটনাটোক কেন্দ্ৰ কৰি ৰাজ্যজুৰি আদিবাসী সমাজৰ মাজত ক্ষোভৰ সঞ্চাৰ হৈছে। এই ঘটনাৰ তীব্ৰ প্ৰতিবাদ জনাই আজি ঢেকীয়াজুলিত ক্ষোভ প্ৰকাশ কৰে আদিবাসী ৩৬ অনুসূচীত জনজাতি ঐক্য মঞ্চ অসমৰ কেন্দ্ৰীয় সভাপতি ড° বানেশ্বৰ মিৰ্ধাই। তেওঁ কয় যে এনে জঘন্য ঘটনা কোনো সভ্য সমাজে কেতিয়াও মানি ল'ব নোৱাৰে। দোষীক অতি শীঘ্ৰে চিনাক্ত কৰি কঠোৰ শাস্তি প্ৰদান কৰিব লাগিব বুলি তেওঁ দাবী জনায়। লগতে ৰাজ্য চৰকাৰ আৰু আৰক্ষী প্ৰশাসনক ঘটনাটোৰ নিৰপেক্ষ তদন্ত চলাই ন্যায় প্ৰদান কৰিবলৈ আহ্বান জনায়। ইপিনে একেই ঘটনাক লৈ আজি অসম প্ৰদেশ কুড়ুঁখ (ওৰাওঁ) সংঘৰ তৰফৰ পৰাও এখন সংবাদমেল অনুষ্ঠিত কৰা হয়। সংবাদমেলত সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি ধীৰেন তীৰ্কীয়ে ঘটনাটোক অত্যন্ত নিন্দনীয় আৰু অমানৱীয় বুলি আখ্যা দিয়ে। তেওঁ কয় যে আদিবাসী সমাজৰ কন্যাসকলৰ সুৰক্ষা এতিয়া গভীৰ সংকটত পৰিছে। ঘটনাটোৰ সম্পূৰ্ণ সত্য উদ্‌ঘাটন কৰি জড়িত সকলো অভিযুক্তক কঠোৰ শাস্তি প্ৰদান নকৰিলে বৃহত্তৰ গণআন্দোলন গঢ়ি তোলা হ'ব বুলিও সকিয়াই দিয়ে। সংগঠন দুটাই ঘটনাটোৰ চি.বি.আই অথবা উচ্চ পৰ্যায়ৰ নিৰপেক্ষ তদন্তৰ দাবী জনোৱাৰ লগতে মৃত কিশোৰী দুগৰাকীৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ আৰু ন্যায় প্ৰদানৰ দাবী উত্থাপন কৰে।

**AFFIDAVIT**

Swarn before Notary Public at Majuli on 14-05-2026, that my elder son namely Sri Dipak Dekadoloi, age about 40 years, married with Pallabi Phukan age about 48 years, Daughter of Sri Ananda Phukan, R/O-Lahorial, Majuli in the years of 2022. After Marriage of my elder sons he is no abiding any of discipline, custom rule provide by me and my family members and also he is doing any illegal work, no regard me as his father and not obeying me. I have abandoned him i.e. I have declared him as "TYEJYA PUTRA" from today, he will be never my son and I have no any relation with him and from today onwards he will have no right, title and interest on me or over my any movable and immovable property and he will have no any legal heir/ Next of kin/successor as my son in the future. This is true to the best of my knowledge and belief.

Sri Santi Ram Dekadoloi
C/O- Boparam Dekadoloi
R/O- Polongani Gaon
P/O- Sri Ram Banamali
P/S- Jengraimukh
Pin- 785105, Dist-MAJULI, Assam

AB-72/2026

**NAME CORRECTION**

Swarn before Notary Public at Charaideo, Sonari on 25-05-2026, that in my son SRI DIPUNJAL GOHAIN's Birth certificate, vide Registration no- 265/12, Date of Registraton- 02/06/12, issued by Additional Dist. Registration Birth & Death Charaidew, Sonari, wherein my name has been wrongly appeared as MINASHREE BORGOHAIN in place of MINAKSHI GOHAIN and in the said Birth certificate our surname also has been wrongly appeared as BORGOHAIN in place of GOHAIN. Both MINAKSHI GOHAIN and MINASHREE BORGOHAIN is the same and one person i.e. myself and our actual surname is GOHAIN. Applying for correction at the appropriate authority.

MRS MINAKSHI GOHAIN
W/O- BINANDA GOHAIN
R/O- Purani Jabaka, P.O-Ouguri shyam, P.S-Sonari, Dist- Charaideo, Assam.

AB-71/2026

পুৰণিগুদামত এগৰাকী কিশোৰে নিৰ্মাণ কৰি উলিয়ালে জুবিন সোঁৱৰণী গীটাৰ

# হাৰ্টথ্ৰব জুবিন গাৰ্গৰ প্ৰতি অনন্য শ্ৰদ্ধাঞ্জলি



**অসম বাৰ্তা, পুৰণিগুদাম, ২৬ মে'** ঃ অসম আৰু অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতি থকা অন্তৰাত্মাৰ শ্ৰদ্ধা, ভালপোৱা আৰু অনুপ্ৰেৰণাকে সৰোগত কৰি অভিজ্ঞতা নথকা স্বত্বেও আৰু পৰ্য্যাপ্ত সঁজুলি নোহোৱাকৈয়ে নগাঁও জিলাৰ পুৰণিগুদামৰ এগৰাকী কিশোৰে নিৰ্মাণ কৰি উলিয়ালে এখন acoustic guitar। জ্যেষ্ঠ সাংবাদিক, সাহিত্যিক নীলৰঞ্জন শৰ্মাৰ একমাত্ৰ পুত্ৰ ভৰাৰ্ণৱ ভৰদ্বাজ নামৰ কিশোৰজনে ঘৰতে নিজহাতে নিৰ্মাণ কৰা গিটাৰখনত জুবিন গাৰ্গৰ এখন ছবিৰ লগতে জুবিনে কোৱা কেতবোৰ শ্বাশ্বত আৰু স্মৰণীয় উক্তি অংকন কৰি গিটাৰখন সজাবলৈ প্ৰয়াস কৰা পৰিলক্ষিত হয়। নগাঁৰৰ টুৰিষ্ট ল'জত যোৱা নিশা এক অন্তৰঙ্গ মুহূৰ্তত জুবিন গাৰ্গৰ সহধৰ্ম্মিণী, বিশিষ্ট ফেশ্বন ডিজাইনৰ তথা সমাজকৰ্মী গৰিমা শইকীয়া গাৰ্গ, কিংবদন্তী শিল্পীগৰাকীৰ সৰ্বকালৰ সহযোগী সঙ্গীত শিল্পী ক্ৰমে, ৰাজা বৰুৱা, দিগন্ত শৰ্মা, পাৰ্থ প্ৰতীম গোস্বামী আৰু প্ৰিয়াংকু বৰদলৈয়ে নতুন আকৃতিৰ গীটাৰখন হাতত তুলিলৈ অভিভূত হৈ পৰে। উল্লেখ্য যে, যোৱা নিশা নগাঁৱৰ লক্ষ্মীনগৰ চাৰিআলিত সুৰভি সাংস্কৃতিক গোষ্ঠীৰ ৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত বহাগী উৎসৱ আৰু জুবিন গাৰ্গ সোঁৱৰণী সাংস্কৃতিক সন্ধিয়াত জুবিন গাৰ্গ শ্ৰদ্ধাঞ্জলি "যন্ত্ৰ" লাইভ ইন কনচাৰ্টে অনুষ্ঠান পৰিৱেশন কৰে। অনুষ্ঠান পৰিৱেশনৰ পূৰ্বে নগাঁৱৰ ছোৱালী মহাবিদ্যালয়ৰ সমীপত নিৰ্মিত জুবিন উদ্যানত নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই আঁত ধৰা এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত গৰিমা শইকীয়া গাৰ্গ প্ৰমুখ্যে "যন্ত্ৰ"ৰ সংগীত শিল্পী সকলে শ্ৰদ্ধা জ্ঞাপন কৰি গুণমুগ্ধ সকলৰ সন্মুখত মনৰ অনুভৱ ব্যক্ত কৰে। পৰৱৰ্তী সময়ত নগাঁৱৰ টুৰিষ্ট ল'জত এক অন্তৰঙ্গ মুহূৰ্তত ভৰাৰ্ণৱে অতি কষ্টৰে নিৰ্মাণ কৰা জুবিন সোঁৱৰণী গীটাৰখন গৰিমা শইকীয়া গাৰ্গ আৰু ৰাজা বৰুৱাকে প্ৰমুখ্য কৰি 'যন্ত্ৰ' লাইভ ইন কনচাৰ্টৰ বিশিষ্ট গীটাৰ বাদক সকলৰ হাতত হেঁপাহেৰে তুলি দিয়ে। জানিব পৰা মতে, ভৰাৰ্ণৱ ভৰদ্বাজে নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামস্থিত বাপুজী ভৱন আৰু পুথিভঁৰালৰ দ্বাৰা পৰিচালিত 'পুৰণিগুদাম সঙ্গীত বিদ্যালয়'ৰ পৰা কুলপ্ৰদীপ দাস আৰু পবিত্ৰ বৰাৰ তত্বাৱধানত ভাটখাণ্ডেৰ তবলা বিশাৰদ সম্পূৰ্ণ কৰাৰ লগতে অনিৰ্বাণ চিত্ৰাংকণ বিদ্যালয়তো চিত্ৰকলাৰ শিক্ষাগ্ৰহণ কৰি আছে। ভৰাৰ্ণৱ মিছা কেণ্টস্থিত পি এম শ্ৰী কেন্দ্ৰীয় বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰ।

# ডুমডুমাৰ মেধাৱী যুৱক, গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক, প্ৰকৃতিপ্ৰেমী হৃষিকেশ বৰুৱাৰ অকাল মৃত্যু; অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৬ মে'** ঃ নিয়তিৰ এক চৰম নিষ্ঠুৰতাই চিৰদিনৰ বাবে কাঢ়ি লৈ গ'ল ডুমডুমা অঞ্চলৰ এগৰাকী প্ৰতিভাশালী তথা মেধাৱী যুৱকক। ডুমডুমাৰ ৰূপাই চাইডিং বিজয় নগৰৰ নিবাসী, অৱসৰপ্ৰাপ্ত শিক্ষক ঘনকান্ত মৰাণৰ পুত্ৰ তথা গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক, প্ৰকৃতিপ্ৰেমী যুৱক হৃষিকেশ বৰুৱাৰ অকাল মৃত্যুৱে সমগ্ৰ ৰূপাই-ডুমডুমা অঞ্চলত এক গভীৰ শোকৰ ছাঁ পেলাইছে। আজি পুৱা ৫ঃ২০ বজাত ডিব্ৰুগড়ৰ এখন ব্যক্তিগত নাৰ্চিংহোমত চিকিৎসাধীন অৱস্থাত মাত্ৰ ৩৯ বছৰ বয়সতে জীৱনযুদ্ধত হাৰ মানি তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। জানিব পৰা মতে, প্ৰায় ১০/১২ বছৰ পূৰ্বে মগজুৰ টিউমাৰৰ এক জটিল অস্ত্ৰোপ্ৰচাৰৰ পাছতো অদম্য মনোবলৰ বাবেই হৃষিকেশে সুস্থিৰভাৱে জীৱন যাপন কৰি আছিল। কিন্তু বিধিৰ বিধান আছিল অন্য। প্ৰায় এসপ্তাহমান পূৰ্বে হঠাতে তেওঁ পুনৰ অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ ডিব্ৰুগড়ৰ এখন ব্যক্তিগত নাৰ্চিংহোমৰ আই চি ইউত ভৰ্তি কৰাইছিল যদিও চিকিৎসাক ব্যৰ্থ কৰি আজি পুৱা তেওঁ চিৰদিনৰ বাবে চকু মুদে। হৃষিকেশ আছিল একাধাৰে মেধাৱী ছাত্ৰ, দক্ষ ছাত্ৰ নেতা, প্ৰকৃতিপ্ৰেমী আৰু সমাজ সংস্কাৰক। ডুমডুমা ডনবস্ক হাইস্কুলৰ পৰা স্কুলীয়া শিক্ষা আৰু ডুমডুমা মহাবিদ্যালয়ৰ পৰা সুখ্যাতিৰে স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী আৰু সমাজতত্ব বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰিছিল। বিশ্ববিদ্যালয়ত অধ্যয়নৰত সময়তে তেওঁ ২০১০-১১ বৰ্ষৰ আছু (AASU) সমৰ্থিত প্ৰাৰ্থী হিচাপে গুৱাহাটী বিশ্ববিদ্যালয় স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ গুৰুত্বপূৰ্ণ দায়িত্ব লাভ কৰিছিল। সমাজ পৰিৱৰ্তনৰ এক সপোন বুকুৰ মাজত কঢ়িয়াই ফুৰা হৃষিকেশে ২০১৪ চনৰ লখিমপুৰ লোকসভা সমষ্টি আৰু ২০১৬ চনৰ ডুমডুমা বিধানসভা সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী হিচাপেও প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। ইয়াৰ উপৰিও প্ৰকৃতিৰ অতি ঘনিষ্ঠ এই যুৱকজনে নিজৰ বন্ধুসকলৰ সৈতে মিলি 'ন-দিহিং ফাউণ্ডেশ্যন' নামৰ এটা স্বেচ্ছাসেৱী সংগঠনৰ জন্ম দিছিল, যাৰ জৰিয়তে পৰিৱেশ সংৰক্ষণ আৰু নতুন প্ৰজন্মক সজাগ কৰাৰ বাবে তেওঁ অহোপুৰুষাৰ্থ কৰিছিল। আজি পুৱা যেতিয়াই ডিব্ৰুগড়ৰ পৰা হৃষিকেশৰ নশ্বৰদেহ ৰূপাই চাইডিঙৰ নিজ গৃহলৈ অনা হয়, তেতিয়াই সমগ্ৰ অঞ্চলটোত এক কান্দোনৰ ৰোল উঠে। অনুজসকলক সদায়েই পঢ়া-শুনা আৰু সুনাগৰিক হোৱাৰ বাবে অনুপ্ৰাণিত কৰা এই মৰমিয়াল যুৱকজনক হেৰুৱাই পৰিয়ালৰ



লগতে বন্ধু আৰু গুণমুগ্ধসকল ম্ৰিয়মাণ হৈ পৰে। স্থানীয় বিভিন্ন দল-সংগঠন আৰু অগণন গুণমুগ্ধ ৰাইজে তেওঁৰ নশ্বৰদেহত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পাছত ঘৰৰ বাৰীতেই অশ্ৰুসিক্ত নয়নেৰে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ পিতৃ, মাতৃ, দুই বিবাহিতা ভগ্নীসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়। তেওঁৰ এই অকাল প্ৰয়াণ কেৱল পৰিয়ালটোৰ বাবেই নহয়, সমগ্ৰ সমাজখনৰ বাবেই এক অপূৰণীয় ক্ষতি হিচাপে বিবেচিত হৈছে।

# যোৰহাট জিলাত জিলা উন্নয়ন সমিতিৰ বৈঠক সম্পন্ন

**অসম বাৰ্তা, যোৰহাট, ২৬ মে'** ঃ যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাগৃহত আজি জিলা উন্নয়ন সমিতিৰ গুৰুত্বপূৰ্ণ মাহেকীয়া বৈঠকখন অনুষ্ঠিত হৈ যায়। জিলা আয়ুক্ত জয় শিৱানী মহোদয়ৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত বৈঠকত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ বৰুৱা, জিলা উন্নয়ন আয়ুক্ত শ্যামল ক্ষেত্ৰ গগৈ, যোৰহাট পৌৰ সভাৰ পৌৰপতি লখিমী খাৰঘৰীয়া, টীয়ক, মৰিয়নি আৰু তিতাবৰ সম-জিলাৰ সম-জিলা আয়ুক্তসকল, সহকাৰী জিলা আয়ুক্ত আৰু জিলাখনৰ বিভিন্ন বিভাগৰ মূৰব্বী বিষয়াসকল উপস্থিত থাকে। বৈঠকত জিলা আয়ুক্ত ডাঙৰীয়াই জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজসমূহ খৰটকীয়াকৈ আৰু নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পন্ন কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। বিভাগসমূহৰ অধীনত চলি থকা কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনি সমূহৰ আধৰুৱা কামসমূহ শীঘ্ৰে সম্পূৰ্ণ কৰিবলৈ লগতে আঁচনিসমূহৰ কাম সফল ৰূপায়ণ কৰাৰ ক্ষেত্ৰতো তেখেতে সকলো বিষয়াক সঠিক নিৰীক্ষণ কৰিবলৈ আহ্বান জনায়। জনসাধাৰণে যাতে চৰকাৰী আঁচনিসমূহ সঠিকভাৱে সহজে লাভ কৰিব পাৰে তাৰ ওপৰত দৃষ্টি ৰাখিবলৈ বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। বিভাগসমূহৰ পৰস্পৰৰ মাজত আলোচনা তথা সমন্বয়ৰে কাম কৰাৰ পৰিৱেশ গঢ়াৰ ক্ষেত্ৰতো তেখেতে গুৰুত্ব দিয়ে। উন্নয়নমূলক আঁচনিসমূহৰ পৰ্যালোচনা কৰি জিলা আয়ুক্ত ডাঙৰীয়াই কেইবাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰে। তেওঁ টীয়ক সম-জিলাৰ অধীনস্থ নকছাৰিৰ পৰা খনিকৰ পথৰ লেহেমীয়া নিৰ্মাণ কাৰ্য অতি শীঘ্ৰে খৰতকীয়া কৰিবলৈ সংশ্লিষ্ট বিভাগক কঠোৰ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি, জিলাখনত মাতৃৰ মৃত্যুৰ হাৰ (MMR) আৰু শিশুৰ মৃত্যুৰ হাৰ (IMR) হ্ৰাস কৰাৰ উদ্দেশ্যে আশা কৰ্মীসকলৰ জৰিয়তে এক জৰীপ চলাই প্ৰয়োজনীয় আৰু ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰিবলৈ স্বাস্থ্য বিভাগক নিৰ্দেশ দিয়ে। আনহাতে, লোক নিৰ্মাণ (পথ) বিভাগক ২০২৩-২৪ বৰ্ষৰ সকলো আধৰুৱা কামৰ লগতে বৰ্তমান চলি থকা কামসমূহ অতি সোনকালে সমাপ্ত কৰিবলৈ তেখেতে নিৰ্দেশনা প্ৰদান কৰে। সভাত পশুপালন, কৃষি, খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ, স্বাস্থ্য, শিক্ষা, সমাজ কল্যাণ, পৰিবহণ, আবকাৰী, জনস্বাস্থ্য কাৰিকৰী, লোক নিৰ্মাণ (গৃহ), লোক নিৰ্মাণ (পথ), মীন, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, নিয়োগ বিনিময় কেন্দ্ৰ, হস্ততাঁত আৰু বস্ত্ৰশিল্প, শিক্ষা, বন, ক্ৰীড়া, জলসম্পদ, শক্তি, জনসিঞ্চন, ভূমি সংৰক্ষণ, পৰ্যটন, শ্ৰম আদি বিভিন্ন বিভাগৰ কাম-কাজৰ বিষয়ে জিলা আয়ুক্ত ডাঙৰীয়াই জিলাখনৰ মূৰব্বী বিষয়াসকলৰ পৰা খতিয়ান লোৱাৰ লগতে বিতংভাৱে আলোচনা কৰে।

# নলবাৰী জিলা পুথিভঁৰালত কামৰূপ সংস্কৃত সঞ্জীৱনী সভাৰ ত্ৰিচত্বাৰিংশ অধিৱেশন সফলভাৱে সম্পন্ন



**অসম বাৰ্তা, নলবাৰী, ২৬ মে'** ঃ ঐতিহ্যমণ্ডিত কামৰূপ সংস্কৃত সঞ্জীৱনী সভাৰ ত্ৰিচত্বাৰিংশ অধিবেশনৰ মুকলি সভা আজি নলবাৰী জিলাৰ জিলা পুথিভঁড়ালত গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে সভাৰ সভাপতি ড° দীনমণি ভাগৱতীয়ে। সভাৰ আৰম্ভণিতে সভাপতি ড° ভাগৱতীয়ে উপস্থিত বিদ্বৎসমাজক আদৰণি জনাই কামৰূপ সংস্কৃত সঞ্জীৱনী সভাৰ সুদীৰ্ঘ ঐতিহ্য আৰু গৌৰৱোজ্জ্বল অৱদানৰ কথা স্মৰণ কৰে। তেওঁ কয় যে ১৯১৩ চনত প্ৰতিষ্ঠিত এই অনুষ্ঠানটোৱে অসমৰ সংস্কৃত শিক্ষা, পাণ্ডুলিপি সংৰক্ষণ আৰু ভাৰতীয় প্ৰাচ্য জ্ঞানচৰ্চাৰ ক্ষেত্ৰত এক অনন্য ভূমিকা পালন কৰি আহিছে। অনুষ্ঠানত ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ তথা নতুন দিল্লীস্থিত লালবাহাদুৰ শাস্ত্ৰী কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়ৰ কুলাধিপতি ড° মুকুন্দকাম শৰ্মাক "ন্যায় শিৰোমণি" আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰাক্তন মূৰব্বী অধ্যাপক ড° ৰাজেন্দ্ৰ নাথ শৰ্মাক "মীমাংসাকেশৰী" উপাধিৰে সন্মানিত কৰা হয়। সভাত উপস্থিত থাকে উত্তৰ-পূৰ্ব ভাৰতৰ একমাত্ৰ সংস্কৃত বিশ্ববিদ্যালয়ৰ কুলপতি অধ্যাপক ড° প্ৰহ্লাদ ৰা জোশী, কামৰূপ সংস্কৃত সঞ্জীৱনী সভাৰ প্ৰাক্তন সভাপতি ড° বসন্ত কুমাৰ দেৱ গোস্বামীকে ধৰি বহু বিশিষ্ট ব্যক্তি। সভাপতিৰ ভাষণত ড° ভাগৱতীয়ে তেওঁৰ তিনিবছৰীয়া কাৰ্যকালৰ বিভিন্ন সাফল্যৰ কথা উল্লেখ কৰি কয় যে এই সময়ছোৱাত পাণ্ডুলিপি সংগ্ৰহ আৰু সংৰক্ষণ, ৰাষ্ট্ৰীয় পাণ্ডুলিপি অভিযানৰ সহযোগত বিভিন্ন কৰ্মশালা আৰু প্ৰশিক্ষণ শিবিৰ আয়োজন, আন্তঃগাঁথনি উন্নয়ন, ভূমি-সংক্ৰান্তিয় নথিপত্ৰৰ আসোঁৱাহ দূৰীকৰণ, ৱাই-ফাই আৰু ইনভাৰ্টাৰ সংযোগ, অতিথি আপ্যায়ন ব্যৱস্থা আদি বহু উল্লেখযোগ্য কাম সম্পন্ন কৰা হৈছে। তেওঁ লগতে উল্লেখ কৰে যে কামৰূপ সংস্কৃত সঞ্জীৱনী সভাৰ সংগ্ৰহত বৰ্তমান দুহেজাৰতকৈও অধিক অমূল্য পাণ্ডুলিপি সংৰক্ষিত আছে, যিবোৰ ভাৰতীয় জ্ঞান-ঐতিহ্যৰ অমূল্য সম্পদ। এই সম্পদৰ যথাযথ সংৰক্ষণ আৰু গৱেষণামূলক ব্যৱহাৰে ভাৰতীয় সংস্কৃতিৰ বিশ্বজনীন মৰ্যাদা অধিক সুদৃঢ় কৰিব বুলি তেওঁ আশাবাদ ব্যক্ত কৰে। সভাত পৰম্পৰাগত প্ৰাচ্য শিক্ষা পদ্ধতি পুনৰুজ্জীৱিত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰি ড° ভাগৱতীয়ে সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষক এই ক্ষেত্ৰত ইতিবাচক পদক্ষেপ গ্ৰহণৰ আহ্বান জনায়। শেষত তেওঁ সভাৰ সকলো সদস্য, উপদেষ্টা, গৱেষক, কৰ্মী আৰু সহযোগীসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি "জয়তু কামৰূপ সংস্কৃত সঞ্জীৱনী সভা" ধ্বনিৰে বক্তব্য সামৰে।

# মৰিগাঁও আফুখুন্দাত 'বাৰ দৈ চিখলা' সাংস্কৃতিক গোষ্ঠীৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ভূৰাগাঁও, ২৬ মে'** ঃ মৰিগাঁও জিলাৰ জনজাতি লোকৰ বসতিস্থল আফুখুন্দা গাঁৱত এচাম সাংস্কৃতিক প্ৰতিভা সম্পন্ন যুৱক যুৱতীয়ে প্ৰতিষ্ঠা কৰা "বাৰ দৈ চিকলা" নামৰ সাংস্কৃতিক গোষ্ঠীটিয়ে আজি উদযাপন কৰে পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস। আফুখুন্দা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে বড়ো সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ৰমেশ স্বৰ্গয়াৰীৰ লগতে মৰিগাঁও জিলা সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক বিৰেণ বড়ো, কটহগুৰি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰেমানন্দ বৰদলৈ, তিৱা মাথনলাই তখ্ৰাৰ কাৰ্যনিৰ্বাহক সদস্যা নিকুমণি বৰদলৈ, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ পত্ৰিকা সম্পাদক ভৰত কুমাৰ নাথ, লোক সংগীতৰ বিশিষ্ট বাঁহী বাদক সুভাষ ভৰালী আৰু শিক্ষয়িত্ৰী লক্ষ্মীমাই বৰদলৈকে ধৰি কেবাজনো বিশিষ্ট লোকে। বন্তিপ্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটিত বড়ো ভাষাত নামকৰণ কৰা "বাৰ দৈ চিকলা" শব্দৰ অৰ্থৰ ব্যাখ্যা আগবঢ়ায় বড়ো সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ৰমেশ স্বৰ্গয়াৰীয়ে। ইফালে ভাষণ প্ৰসঙ্গত বিৰেণ বড়োৱে কয় যে এটা জাতি সাংস্কৃতিকভাৱে চহকী হোৱাৰ সমান্তৰালকৈ শৈক্ষিক ভাৱেও আগবাঢ়ি যোৱাটো বৰ্তমান নিতান্তই প্ৰয়োজন। এইক্ষেত্ৰত সাংস্কৃতিক গোষ্ঠীটোৰ মুখ্য সমন্বয়ক বিশেষ ভাৱে সক্ষম প্ৰশান্ত বড়োৱে বহু প্ৰত্যাহ্বানৰ মাজেদি অনগ্ৰসৰ অঞ্চলটোৰ সংস্কৃতিৱান যুৱক যুৱতী সকলক আগবঢ়াই অনাৰ বাবে কৰা নিৰালস্য চেষ্টাক প্ৰতিগৰাকী আমন্ত্ৰিত অতিথিয়ে শলাগ লয়। উল্লেখ্য যে প্ৰতিষ্ঠা দিৱস উপলক্ষে লোৱা দিনযোৱা কাৰ্যসূচীৰ প্ৰতিটো কাৰ্যসূচীয়ে আজি সফল সামৰণি পৰে। অনুষ্ঠান টি আগবঢ়াই নিয়াৰ ক্ষেত্ৰত ৰাইজৰ সহায় সহযোগিতাৰ বাবে সমন্বয়ক প্ৰশান্ত বড়োৱে সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে।

এজন সংকটজনক অৱস্থাত চিকিৎসাধীন

# পলাশবাৰীৰ বজাৰাপাৰাত ভয়ংকৰ পথ দুৰ্ঘটনাত চাৰি যুৱক নিহত

**অসম বাৰ্তা, মিৰ্জা, ২৬ মে'** ঃ পলাশবাৰী আৰক্ষী থানাৰ অন্তৰ্গত বজাৰাপাৰাত যোৱা নিশা প্ৰায় বাৰ বাজি চল্লিশ মিনিটত মিৰ্জাৰ পৰা পলাশবাৰীলৈ যোৱা পথত সংঘটিত হোৱা ভয়ংকৰ পথ দুৰ্ঘটনাত তিনিজন যুৱক থিতাতে নিহত হোৱাৰ লগতে আন এজন যুৱকৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। আনহাতে, আন এজন যুৱক সংকটজনক অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। ঘটনাৰ সন্দৰ্ভত জানিব পৰা মতে, যোৱা নিশা AS - 01 GS- 5864 নম্বৰৰ পালচাৰ N250 মটৰ চাইকেলৰে মাগুৰপাৰা দোকানীপাৰাৰ নিখিল দাস, মাজিৰগাৱৰ জ্যোতি কলিতা আৰু দিপাংকৰ কলিতাই পলাশবাৰী দিশৰ পৰা আহি আছিল। আনহাতে য়ামাহা R15, AS-25 V-9138 নম্বৰৰ মটৰ চাইকেলেৰে পলাশবাৰীৰ স্কিপাৰ উদ্যোগত কৰ্মৰত নলবাৰীৰ অৰ্ণৱ বৰ্মন আৰু পশ্চিম বংগৰ চন্দন জান্না নামৰ যুৱক দুজনে মিৰ্জা দিশৰ পৰা পাল্লী ভাড়াতীয়া ঘৰ অভিমুখে গৈ আছিল। দুয়োখন মটৰ চাইকেল দুয়োফালৰ পৰা তীব্ৰ বেগেৰে আহি থকা অৱস্থাত ধাৰাষাৰ বৰষুণৰো আহি আছিল। হঠাৎ পলাশবাৰী বজাৰাপাৰাত দুয়োখন মটৰ চাইকেলৰ মুখামুখি সংঘৰ্ষ হৈ বিকট শব্দৰ সৃষ্টি হয়। ফলত ৰাজপথতে আটাইকেজন যুৱক পৃথকে পৃথকে ছিটিকি পৰে। পিছত শুই থকা স্থানীয় লোক ওলাই আহি ঘটনাটো প্ৰত্যক্ষ কৰি লগে-লগে পলাশবাৰী আৰক্ষীক খবৰ দিয়ে। কিছু সময় পিছত পলাশবাৰী আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা যুৱক কেইজনক মিৰ্জাৰ চিকিৎসালয়লৈ লৈ আহে যদিও চিকিৎসকে তিনিজন যুৱকক মৃত বুলি ঘোষণা কৰে। আনহাতে সংকটজনক অৱস্থাত দুজন যুৱকক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। থিতাতে মৃত্যু হোৱা তিনি যুৱক মাজিৰগাঁৱৰ জ্যোতি কলিতা (২৪), মাগুপাৰাৰাৰ নিখিল দাস (২০) আৰু পশ্চিম বংগৰ চন্দন জান্না (২৫) বুলি জানিব পৰা গৈছে। লগতে আহত হোৱা দুই যুৱক ক্ৰমে নলবাৰীৰ অৰ্ণৱ বৰ্মন (২০) গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছিল যদিও পুৱা প্ৰায় আঠ বজাত মৃত্যু হয়। আনজন চিকিৎসাধীন হৈ থকা যুৱক দিপাংকৰ কলিতা (২২)ৰ অৱস্থা অতি সংকটজনক বুলি জানিব পৰা গৈছে। এই ঘটনাই দক্ষিণ কামৰূপ অঞ্চলত শোকৰ ছাঁ পেলাইছে। উল্লেখ্য যে, পলাশবাৰী প্লাষ্টিক পাইপৰ "স্কীপা"ৰ উদ্যোগত কৰ্মৰত নলবাৰীৰ অৰ্ণৱ বৰ্মনে দুৰ্ঘটনাগ্ৰস্ত য়ামাহা R15 বাইকখন এবছৰ পূৰ্বে কিনিছিল। প্ৰতি শনিবাৰে নলবাৰীৰ ঘৰলৈ যায় অৰ্ণৱ। কিন্তু কালি ঘৰলৈ যোৱা নাছিল, কোনো ফোন কৰাও ঘৰলৈ। আনহাতে আনখন পালচাৰ মটৰ চাইকেল চলাইছিল মাগুৰপাৰাৰ নিখিল দাসে। আৰোহী ৰূপত আছিল জ্যোতি কলিতা আৰু দীপাংকৰ কলিতা।

# চিৰাম উচ্চ মাধ্যমিক বিদ্যালয়ত অভিনন্দন অনুষ্ঠান আৰু ৰাজহুৱা সভা সম্পন্ন

**অসম বাৰ্তা, উজনি মাজুলী, ২৬ মে'** ঃ মাজুলী জিলা শিক্ষাখণ্ডৰ অন্তৰ্গত এখনি অগ্ৰনী শিক্ষানুষ্ঠান চিৰাম উচ্চ মাধ্যমিক বিদ্যালয়ত এখনি অভিনন্দন অনুষ্ঠান আৰু ৰাজহুৱা সভা অনুষ্ঠিত হয়। ১৯৭৩ চনতে প্ৰতিষ্ঠা লাভ কৰা এই চৰকাৰী বিদ্যালয় খনিত আজি এখনি সম্বৰ্ধনা সভা, অভিভাৱক সন্মিলনৰ লগতে ৰাজহুৱা সভা অনুষ্ঠিত হয় বিদ্যালয়ৰ স্থায়ী প্ৰধান শিক্ষক পদুম মহন্তৰ সভাপতিত্বত। ভূপেন হাজৰিকাৰ এটি কালজয়ী গীতেৰে অনুষ্ঠানটিৰ শুভাৰম্ভণি কৰে ছাত্ৰী স্মৃতি কলিতাই। শিক্ষক মৃদুল বৰাই আঁত ধৰা সভাখনিত শিক্ষক/শিক্ষয়িত্ৰী সকলৰ হৈ প্ৰভুনাথ ভগত, বিপুল শইকীয়া, মাধৱ শইকীয়া, পাৰ্থ প্ৰতিম বৰা, পল্লৱী মৰাণ, শ্যামলী গোস্বামী, দিপ্তী ডেকাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰী সকলক গামোচা, অভিনন্দন পত্ৰ, কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। ডিষ্টিংচন লাভ কৰা সুৰজিত দত্তক বিদ্যালয় প্ৰধান, শিক্ষক-শিক্ষয়িত্ৰী সকলে আৰ্থিক সাহায্যও প্ৰদান কৰি ছাত্ৰ গৰাকীৰ শৈক্ষিক উত্তৰণৰ কামনা কৰে। জয়শ্ৰী দেৱী বৈৰাগীয়ে লেটাৰ নম্বৰ সহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ, সৌৰভ ছেত্ৰীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ বিদ্যালয় কৰ্তৃপক্ষৰ সম্বৰ্ধনা গ্ৰহণ কৰে। কাকু, কপিল, নিবেদিতা, নিকিতা, জাহ্নৱী আদি ছাত্ৰ-ছাত্ৰী সকলেও কৃতিত্ব সহকাৰে উত্তীৰ্ণ হৈ সভাত উপস্থিত থাকি শিক্ষা গুৰু সকলে জনোৱা অভিনন্দন গ্ৰহণ কৰে। বাৰ্ষিক মুল্যায়ণত সৰ্বোচ্চ নম্বৰ লাভ কৰি নৱম শ্ৰেণীৰ ছাত্ৰ যিমূৰ্ত কমল বৰা, লক্ষ্যজিত ৰাজখোৱা, অষ্টম শ্ৰেনীৰ ছাত্ৰী পাহি শইকীয়াই বিদ্যালয়ৰ শিক্ষক গোটে প্ৰশংসা পত্ৰ, কিতাপৰ টোপোলাৰে জনোৱা সম্বৰ্ধনা গ্ৰহণ কৰে। নিৰ্দিষ্ট বক্তা হিচাপে জেংৰাই মুখ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক দেৱজিত শইকীয়াই ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী সকলক উদ্দেশ্যি সময়োপযোগী ভাষণ প্ৰদান কৰে। যিমূৰ্ত কমল বৰাৰ আধুনিক নৃত্য, কস্তুৰী মহন্তই পৰিবেশন কৰা জুবিন সংগীতে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। মত বিনিময় অনুষ্ঠানত অভিভাৱক মুন বৰা, দিলীপ ৰাজখোৱা, দুলাল বৰা, সাংবাদিক বিকাশ শইকীয়া, অভিভাৱিকা ৰূপালী বেজ বৰা, আইজনী দেউৰী আৰু ৰাইজৰ হৈ লক্ষ্মী দত্ত হাজৰিকাই বিদ্যালয় খনিৰ প্ৰতি অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলক আগ্ৰহী কৰাৰ দিশত বহুমূলীয়া বক্তব্য ৰাখে। শৈক্ষিক উত্তৰণৰ দিশত ছাত্ৰ সুৰজিত দত্ত, ছাত্ৰী জয়শ্ৰী দেৱী বৈৰাগীয়ে ছাত্ৰৰ লক্ষ্য, উদেশ্যৰ ওপৰত মত ব্যক্ত কৰে। উচ্চতৰ মাধ্যমিক শাখা পৰ্যন্ত বিদ্যালয় খনিত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ সন্দৰ্ভত, নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰত হোৱা সংস্কৰণ আদি বিষয়ত বিশিষ্ট আৰু আমন্ত্ৰিত অতিথি হিচাপে বক্তব্য ৰাখে সমল শিক্ষক প্ৰাঞ্জল শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক গণেশ ৰাজখোৱা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দীনাৰাম বৰা, চিৰাম দেৱোত্তৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দুলাল চন্দ্ৰ বৰুৱা, ১৫৬ নং তেলীয়াবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান অতুল চন্দ্ৰ বৰা, নৱ ৰাঙলী বাহাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান অকন চন্দ্ৰ বৰাই। প্ৰণামী, মণিষা, লিপিকা, পল্লৱী আদি ছাত্ৰী সকলে সৃজনাত্মক নৃত্য প্ৰদৰ্শন কৰি সভাক আমোদ দিয়ে। জুৰী পেগু, অঞ্জনা পেগু, সংগীতা বৰাই সুন্দৰ মিছিং বিহু নৃত্যৰে সকলোকে আপ্লুত কৰে। সভাপতিৰ মন্তব্যৰ পিছতে জাতীয় সংগীত পৰিৱেশনেৰে সভাৰ কাৰ্যসূচীৰ সমাপ্তি ঘটে।

আঠ জুৱাৰীক আটক, আন কেইবাটাও জুৱাৰী পলায়ন

# গোলাঘাটৰ ৰঙাজানত নিশা বৃহৎ জুৱাৰ ঘাটি উচ্ছেদ আৰক্ষীৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৬ মে'** ঃ গোলাঘাট আৰক্ষীয়ে যোৱা নিশা গোলাঘাট নগৰৰ সমীপৰ ৰঙাজানত অভিযান চলাই বৃহৎ জুৱাৰ ঘাটি উৎখাত কৰিবলৈ সক্ষম হয়। এই অভিযানত আৰক্ষীয়ে আঠটাকৈ জুৱাৰীক আটক কৰে। আৰক্ষী অহাৰ উমান পাই কেইবাটাও জুৱাৰী পলায়ন কৰে। লক্ষণীয় কথাটো হ'ল যে আৰক্ষীয়ে আটক কৰা আঠটা জুৱাৰীয়েই যোৰহাট জিলাৰ। ৰঙাজানৰ এটা বিশেষ স্থানত দীৰ্ঘদিন ধৰি এই জুৱাৰ আড্ডা চলি আহিছিল। য'ত যোৰহাটৰ পৰাও জুৱাৰী আহি অংশ লয়। অৱশেষত গোলাঘাট আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি জুৱাৰ ঘাটিত উপস্থিত হওঁতে পলায়নৰ চেষ্টা চলাওঁতেই আঠটা জুৱাৰীক আটক কৰে। আন কেইবাটাও উধাও হ'ল সেই ঘাটিৰ পৰা। ঘটনাস্থলীৰ পৰা দুখন বিলাসী বাহন এখন বাইক আৰু তিনিখন স্কুটী জব্দ কৰে আৰক্ষীয়ে।

# মেৰাপানী প্ৰেছ ক্লাবৰ উদ্যোগত কৃতি ছাত্ৰ-ছাত্ৰীৰ বিশেষ অভিনন্দন অনুষ্ঠান



**অসম বাৰ্তা, মেৰাপানী, ২৬ মে'** ঃ মেৰাপানী প্ৰেছ ক্লাবৰ উদ্যোগত আৰু মেৰাপানী কে.বি.এম. ইংলিছ স্কুলৰ আতিথ্যত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত ষ্টাৰ মাৰ্ক আৰু ডিষ্টিংচন লাভ কৰা দৈয়াঙৰ কৃতি ছাত্ৰ-ছাত্ৰী সকলক বিশেষ অভিনন্দন জনোৱা হয়। আজি দিনৰ ১১ বজাত মেৰাপানী প্ৰেছ ক্লাবৰ সভাপতি পবিত্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অভিনন্দন অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে দৈয়াং চিনিয়ৰ চেকেণ্ডেৰীৰ অধ্যক্ষ ড° বিদুৰ কুমাৰ বৰুৱা, মেৰাপানী টাউন হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নগেন বৰা, বিশিষ্ট শিক্ষাবিদ কেশৱ ফুকন, প্ৰাক্তন সাংবাদিক, শিক্ষাবিদ তথা বিশিষ্ট সমাজকৰ্মী তথা গমাৰি গুৰি বিদ্যাৰ্থী ভৱনৰ সঞ্চালক দেৱজিত বৰা, দৈয়াং উচ্চতৰ মাধ্যমিকৰ সহকাৰী শিক্ষক প্ৰবীণ গগৈ, ঠেঙাল কছাৰী স্বায়িত্ত পৰিষদৰ সদস্য ছায়া ঠেঙাল, গোলাঘাট জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি নিৰঞ্জন সোণোৱাল, জাতীয় বিদ্যালয় মেৰাপানীৰ সঞ্চালক পল্লৱ বৰবৰা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ দৈয়াং আঞ্চলিক সমিতিৰ সম্পাদক বিমান দাস, গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি সঞ্জীৱ সোণোৱাল, দৈয়াং অনুসুচিত জাতি ছাত্ৰ সন্থাৰ সভাপতি উদ্ধৱ হাজৰিকা সম্পাদক ৰাহুল দাসৰ লগতে কেইবাটাও সংগঠনৰ সদস্য উপস্থিত থাকে। উল্লেখ্য যে উক্ত অভিনন্দন অনুষ্ঠানত দৈয়াং অঞ্চলৰ ছয়খন শিক্ষানুষ্ঠানৰ উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত ষ্টাৰ মাৰ্ক আৰু ডিষ্টিংচন লাভ কৰা ২৬ গৰাকী ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা, অভিনন্দন পত্ৰ আৰু কিতাপৰ টোপোলাৰে বিশেষ অভিনন্দন জনোৱা হয়। অন্যহাতে পৰিবেশ প্ৰদূষণৰ সজাগতা আৰু সেউজ পৃথিৱী গঢ়াৰ লক্ষ্যৰে মেৰাপানীৰ পৰা ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰ শ্ৰীলংকাৰ ৰাজধানী কলম্বীয়া লৈকে চাইকেলেৰে ভ্ৰমণ কৰা দৈয়াঙৰ সন্তান তথা চাউদাং পথাৰ গটঙা চুকৰ ৰূপম গগৈক মেৰাপানী প্ৰেছ ক্লাব, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ দৈয়াং আঞ্চলিক সমিতি আৰু মেৰাপানী কে বি এম ইংলিছ স্কুলৰ তৰফৰ পৰা ফুলাম গামোচা, অভিনন্দন পত্ৰ আৰু সফুঁৰাৰে যুৱক জনক বিশেষ অভিনন্দন জনোৱা হয়।

## সম্পাদকীয়

# যুৱশক্তিত ন্যস্ত সৰ্বাংগীণ উন্নয়ন

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শেহতীয়াকৈ সামাজিক মাধ্যম ‘X’ (পূৰ্বৰ টুইটাৰ)ৰ জৰিয়তে এক গুৰুত্বপূৰ্ণ পোষ্ট শ্বেয়াৰ কৰি ৰাজ্যৰ যুৱপ্ৰজন্মক অসমৰ সৰ্বাংগীণ উন্নয়নৰ মূল শক্তি হিচাপে চিহ্নিত কৰিছে। তেওঁ স্পষ্টভাৱে উল্লেখ কৰে যে ৰাজ্যখনৰ উন্নয়নৰ পৰৱৰ্তী পৰ্যায়টো সম্পূৰ্ণৰূপে যুৱশক্তিৰ দ্বাৰাই পৰিচালিত হ’ব। এই ঘোষণা কেৱল এটা ৰাজনৈতিক বক্তব্য নহয়, বৰঞ্চ ৰাজ্যৰ ভৱিষ্যত গঢ় দিয়াৰ বাবে এক সুদূৰপ্ৰসাৰী দৃষ্টিভংগী।

মুখ্যমন্ত্ৰীগৰাকীৰ মতে, অসমৰ প্ৰতিখন জিলাতে তিনিখনকৈ মুখ্য শৈক্ষিক প্ৰতিষ্ঠান- এখন চিকিৎসা মহাবিদ্যালয়, এখন অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু এখন বিশ্ববিদ্যালয়- স্থাপন কৰাটো অত্যন্ত জৰুৰী। বৰ্তমান চৰকাৰে ‘এক জিলা, এক প্ৰতিষ্ঠান’ দৃষ্টিভংগীৰ অধীনত কাম কৰি আছে যদিও তেওঁ সেই সীমা পাৰ হৈ প্ৰতিখন জিলাতে তিনিখনকৈ প্ৰতিষ্ঠানৰ ব্যৱস্থা কৰাৰ পোষকতা কৰিছে। ইতিমধ্যে চৰকাৰে কেইবাখনো নতুন চিকিৎসা মহাবিদ্যালয়, অভিযান্ত্ৰিক প্ৰতিষ্ঠান আৰু বিশ্ববিদ্যালয় ঘোষণা কৰি বহুতৰে কাৰ্যক্ষম উদ্বোধন কৰিছে। এই বিকেন্দ্ৰীকৰণৰ প্ৰয়াস অসমৰ বাবে এক যুগান্তকাৰী পদক্ষেপ। দীৰ্ঘদিন ধৰি উচ্চ শিক্ষা আৰু পেছাদাৰী প্ৰশিক্ষণ কেৱল গুৱাহাটী বা কেইটামান চহৰকেন্দ্ৰিক হৈ থকাৰ ফলত গ্ৰাম্য আৰু দূৰৱৰ্তী জিলাৰ যুৱ সম্প্ৰদায়ে গুণগত শিক্ষা লাভৰ পৰা বঞ্চিত হৈ আহিছে। ফলত প্ৰতিভাশালী যুৱক-যুৱতীয়ে নিজৰ সপোন পূৰণৰ বাবে ৰাজ্যৰ বাহিৰত প্ৰৱাস কৰিবলৈ বাধ্য হৈছিল। এতিয়া জিলা পৰ্যায়লৈ শিক্ষাৰ আন্তঃগাঁথনি সম্প্ৰসাৰণে ঘৰৰ ওচৰতে উন্নত শিক্ষাৰ সুযোগ সৃষ্টি কৰি প্ৰতিভা প্ৰবাস ৰোধ কৰিব পাৰে। লগতে ই অসমৰ অৰ্থনৈতিক বিকাশত স্থানীয় যুৱশক্তিৰ উৎপাদনশীল অৱদান নিশ্চিত কৰিব।

সঁচাকৈয়ে যুৱপ্ৰজন্ম যদি ৰাজ্যৰ উন্নয়নৰ চালিকা শক্তি হয়, তেন্তে তেওঁলোকক উপযুক্ত শিক্ষা, দক্ষতা আৰু প্ৰশিক্ষণ প্ৰদান কৰাটো চৰকাৰৰ মূল দায়িত্ব। শিক্ষানুষ্ঠান স্থাপনৰ লগতে সেইবোৰৰ গুণগত মান ৰক্ষা কৰা, যোগ্য শিক্ষক নিযুক্তি, গৱেষণা আৰু উদ্ভাৱনৰ বাবে পৰিৱেশ সৃষ্টি কৰাটোও সমানে প্ৰয়োজনীয়। চিকিৎসা, অভিযান্ত্ৰিক আৰু বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষাই কেৱল ডিগ্ৰী প্ৰদান নকৰি যাতে যুৱ প্ৰজন্মক প্ৰকৃত অৰ্থে কৰ্মক্ষম কৰি তোলে, তাৰ ওপৰত চৰকাৰে গুৰুত্ব দিব লাগিব।

এই দৃষ্টিভংগীৰ বাস্তৱায়নৰ ক্ষেত্ৰত কিছুমান প্ৰত্যাহ্বানও আছে। প্ৰতিখন জিলাতে তিনিখনকৈ প্ৰতিষ্ঠান স্থাপনৰ বাবে বিপুল ধনৰ প্ৰয়োজন। ইয়াৰ বাবে ৰাজ্যৰ বাজেট যথেষ্ট নহ’বও পাৰে; কেন্দ্ৰীয় সহায় তথা ৰাজহুৱা-বেচৰকাৰী অংশীদাৰিত্বৰ প্ৰয়োজন হ’ব। লগতে অতি সোনকালে এই প্ৰতিষ্ঠানবোৰ স্থাপন কৰি গুণগত মান বজাই ৰখাটো এক ডাঙৰ পৰীক্ষা। শিক্ষানুষ্ঠান স্থাপনৰ ক্ষেত্ৰত ভূমি সংগ্ৰহ, প্ৰশাসনিক জটিলতা, শিক্ষক সংকট আদি সমস্যা ওলাই অহাৰ সম্ভাৱনা আছে। সেইবোৰৰ সৈতে মোকাবিলা কৰিবলৈ চৰকাৰে আগতীয়া পৰিকল্পনা আৰু কাৰ্যকৰী নিৰীক্ষণ ব্যৱস্থা গঢ়ি তোলা উচিত।

আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে এই শিক্ষানুষ্ঠানসমূহ যাতে কেৱল শিক্ষাৰ কেন্দ্ৰ নহয়, বৰঞ্চ উদ্ভাৱন আৰু উদ্যোগৰ কেন্দ্ৰলৈ ৰূপান্তৰিত হয়। উদ্যোগ জগতৰ লগত সমন্বয় ঘটাই ইণ্টাৰ্ণশ্বিপ, কৰ্মসংস্থাপন আৰু ষ্টাৰ্টআপৰ সুবিধা দিলে যুৱক-যুৱতীয়ে নিজেই চাকৰি সৃষ্টিকাৰী হৈ উঠিব। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ স্পষ্ট দৃষ্টিভংগী যে অসমৰ উন্নয়ন যুৱপ্ৰজন্মৰ দ্বাৰা পৰিচালিত হ’ব — এই কথাই চৰকাৰ যে সপোন দেখাতকৈ বাস্তৱত বিশ্বাসী, তাৰ পৰিচয় দিয়ে।

উপসংক্ষেপত ক’ব পাৰি, অসমৰ যুৱ সম্প্ৰদায়ৰ অসীম সম্ভাৱনাক ব্যৱহাৰ কৰি ৰাজ্যখনক নতুন উচ্চতালৈ লৈ যোৱাৰ সক্ষমতা আছে। চৰকাৰৰ এই দৃষ্টিভংগী যেন কেৱল ৰাজনৈতিক প্ৰতিশ্ৰুতিৰ ক্ষেত্ৰত সীমাবদ্ধ নাথাকে, সেইটো চোৱাৰ দায়িত্ব ৰাজ্যবাসীৰ। যোগ্য পৰিকল্পনা, স্বচ্ছ বাস্তৱায়ন আৰু যুৱ সম্প্ৰদায়ৰ সক্ৰিয় অংশগ্ৰহণৰ মাজেদিয়েহে এই সপোন সাৰ্থক হৈ উঠিব। আজিৰ যুৱক-যুৱতীয়েই আহিৰ দিনা অসমৰ নেতৃত্ব দিব; গতিকে তেওঁলোকৰ শিক্ষা, দক্ষতা আৰু স্বাৱলম্বিতাত বিনিয়োগ কৰাই অসমৰ ভৱিষ্যতৰ বাবে আটাইতকৈ নিৰাপদ বিনিয়োগ।

# উপসাগৰীয় সংকট আৰু ভাৰতৰ অৰ্থনৈতিক জটিল পৰিস্থিতি

**ললিত নাথ**




সাগৰকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ সামুদ্ৰিক বাণিজ্যিক পথত সৃষ্টি হোৱা তীব্ৰ নিৰাপত্তাহীনতাই সমগ্ৰ বিশ্বৰে অৰ্থনৈতিক ব্যৱস্থাক জোকাৰি যোৱাৰ লগতে ভাৰতৰ বাবেও এক জটিল প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। এই ভূ-ৰাজনৈতিক সংকটৰ আটাইতকৈ পোনপটীয়া আৰু ভয়াৱহ প্ৰভাৱটো পৰিছে আন্তঃৰাষ্ট্ৰীয় খাৰুৱা তেলৰ বজাৰত। গোলকীকৰণৰ সাম্প্ৰতিক যুগত কোনো এখন ৰাষ্ট্ৰই বিশ্বৰ অৰ্থনৈতিক ঘটনা প্ৰবাহৰ পৰা নিজক সম্পূৰ্ণ বিচ্ছিন্ন কৰি ৰাখিব নোৱাৰে। ফলস্বৰূপে, ইয়াৰ প্ৰভাৱ স্বাভাৱিকভাৱেই ভাৰতবৰ্ষৰ ঘৰুৱা বজাৰতো পৰিলক্ষিত হৈছে। সাম্প্ৰতিক গোলকীয় বজাৰত ইন্ধনৰ অস্বাভাৱিক মূল্যবৃদ্ধিয়ে ভাৰতীয় অৰ্থনীতিলৈ তীব্ৰ প্ৰত্যাহ্বান কঢ়িয়াই আনিছে। এনে সংকটকালতো দেশৰ দূৰদৰ্শী অৰ্থনৈতিক পৰিকল্পনা, সুদৃঢ় ৰাজনৈতিক নেতৃত্ব আৰু ইতিবাচক কূটনৈতিক নীতিৰ বাবে ভাৰতে এক বলিষ্ঠ স্থিতি বজাই ৰাখিবলৈ সক্ষম হৈছে। গোলকীয় এনে এক জটিল পৰিস্থিতিৰ মাজতো ভাৰতৰ এই সুনিপুণ অৰ্থনৈতিক আত্মৰক্ষাই এতিয়া সমগ্ৰ বিশ্বৰে দৃষ্টি আকৰ্ষণ কৰিছে। যদি আমি গোলকীয় ইন্ধন বজাৰৰ অলপ পিছলৈ ঘূৰি চাওঁ, তেন্তে দেখা পাম যে বিগত সময়ছোৱাত খাৰুৱা তেলৰ মূল্য এক প্ৰকাৰ নিয়ন্ত্ৰণ আৰু সুস্থিৰ অৱস্থাত আছিল। ক’ভিড মহামাৰীৰ পৰৱৰ্তী কালত অৰ্থনৈতিক বিপৰ্যয় চম্ভালি বিশ্বৰ বজাৰসমূহ যেতিয়া লাহে লাহে স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিছিল, ঠিক তেনে সময়তে মধ্যপ্ৰাচ্যৰ এই নতুন সংঘাতে গা কৰি উঠে।

মধ্যপ্ৰাচ্যৰ এই নতুন সংঘাতৰ সৃষ্টি হোৱাৰ পূৰ্বে আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ মূল্য প্ৰতি বেৰেলত প্ৰায় ৭০ ৰ পৰা ৭৩ ডলাৰৰ এক নিয়ন্ত্ৰিত পৰিসৰৰ ভিতৰত আছিল। সেই সময়ছোৱাত ভাৰতেও নিজৰ কূটনীতিৰ চতুৰ প্ৰয়োগেৰে বিভিন্ন বিকল্প উৎস, বিশেষকৈ ৰাছিয়াৰ পৰা সুলভ মূল্যত খাৰুৱা তেল আমদানি কৰি দেশৰ ঘৰুৱা বজাৰত পেট্ৰ’ল, ডিজেল আৰু এল.পি.জি.ৰ মূল্য দীৰ্ঘদিন ধৰি সুস্থিৰ কৰি ৰাখিবলৈ সক্ষম হৈছিল। ইয়াৰ ফলত দেশৰ মুদ্ৰাস্ফীতিও নিয়ন্ত্ৰণত আছিল আৰু দেশীয় উদ্যোগ খণ্ডই এক গতিশীল বিকাশৰ সুফল লাভ কৰিছিল। এক কথাত ক’বলৈ গ’লে, গোলকীয় বজাৰৰ এই সুস্থিৰতাই ভাৰতৰ দৰে বিকাশশীল অৰ্থনীতিক ক্ষিপ্ৰতাৰে আগবাঢ়ি যোৱাত বহুখিনি সহায় কৰিছিল। কিন্তু মধ্যপ্ৰাচ্যৰ সামৰিক সংঘাত আৰু ক্ৰমবৰ্ধমান উত্তেজনাই বিশ্ববজাৰৰ স্বাভাৱিক গতি হঠাতে বিঘ্নিত কৰি তুলিলে। এই সামৰিক সংঘাতৰ প্ৰভাৱত ব্ৰেণ্ট ক্ৰুডৰ মূল্য অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে। বৰ্তমান আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ মূল্য প্ৰতি বেৰেলত ৮১ ডলাৰৰ পৰা ১০৭ ডলাৰ, আনকি কোনো কোনো সময়ত ১১০ ডলাৰ অতিক্ৰম কৰি এক ভয়াৱহ পৰিসৰত উঠা-নমা কৰি থকা পৰিলক্ষিত হৈছে। এই অভাৱনীয় মূল্যবৃদ্ধিৰ অন্তৰালত কেৱল যুদ্ধৰ আশংকাই নহয়, বৰঞ্চ যোগান শৃংখলৰ এক গভীৰ সামুদ্ৰিক সংকট নিহিত হৈ আছে। বিশ্বজুৰি তেলৰ দাম এনেদৰে বৃদ্ধি পোৱাৰ মূল কাৰণটো বিশ্লেষণ কৰিলে দেখা যায় যে ইয়াৰ সৈতে জলপথৰ বিপন্ন সুৰক্ষা আৰু জাহাজ চলাচল ব্যাহত হোৱাৰ বিষয়টো ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। বিশ্বৰ মুঠ খাৰুৱা তেল পৰিবহণৰ প্ৰায় এক-পঞ্চমাংশ কেৱল ইৰানৰ কাষৰীয়া ‘হৰমুজ প্ৰণালী’ (Strait of Hormuz) নামৰ সংকীৰ্ণ জলপথটোৰ জৰিয়তে পৰিচালিত হয়। মধ্যপ্ৰাচ্যৰ যুদ্ধসদৃশ পৰিস্থিতিৰ বাবে এই আটাইতকৈ গুৰুত্বপূৰ্ণ বাণিজ্যিক পথটো ক্ৰমাৎ অসুৰক্ষিত আৰু অগ্নিগৰ্ভ হৈ পৰিছে।

হৰমুজ প্ৰণালী আৰু লোহিত সাগৰৰ এই তীব্ৰ নিৰাপত্তাহীনতাৰ বাবেই ডাঙৰ ডাঙৰ তেলবাহী জাহাজসমূহে এতিয়া পৰম্পৰাগত চুটি পথ পৰিহাৰ কৰি আফ্ৰিকা মহাদেশৰ আশা অন্তৰীপ(Cape of Good Hope) হৈ এক অত্যন্ত দীঘলীয়া পথ ল’বলগীয়া হৈছে। সমুদ্ৰৰ এই সুদূৰ পথ ঘূৰি ভাৰতলৈ তেল আমদানি কৰিবলগীয়া হোৱাটো এক কঠিন বাস্তৱ। ইয়াৰ ফলত জাহাজসমূহৰ যাত্ৰাৰ সময় ১২ ৰ পৰা ১৫ দিন পৰ্যন্ত বৃদ্ধি পাইছে।

যাত্ৰাপথ এনেদৰে অভাৱনীয়ভাৱে দীঘলীয়া হোৱাৰ বাবে সামুদ্ৰিক বীমাৰ (Maritime Insurance) খৰচ প্ৰায় ৪০০ শতাংশ পৰ্যন্ত বৃদ্ধি পাইছে আৰু তেলবাহী জাহাজসমূহৰ ইন্ধনৰ খৰচো দুগুণ হৈছে। এই বৃহৎ পৰিমাণৰ অতিৰিক্ত পৰিবহণ আৰু বীমাৰ খৰচ তেলৰ মূল দামৰ সৈতে যোগ হোৱাৰ বাবেই গোলকীয় বজাৰত খাৰুৱা তেলৰ মূল্য অনিয়ন্ত্ৰিত হৈ পৰিছে। ইয়াৰ সমান্তৰালভাৱে, ৰাছিয়াৰ পৰা তেল কিনাৰ ক্ষেত্ৰত থকা বিশেষ ৰেহাইৰ সময়সীমা পাৰ হৈ যোৱাত পশ্চিমীয়া দেশসমূহৰ নিষেধাজ্ঞা পুনৰ কঠোৰ হৈ পৰিছে, যাৰ ফলত আন্তঃৰাষ্ট্ৰীয় বজাৰত হঠাৎ তেলৰ যোগান হ্ৰাস পাইছে। এই গোলকীয় অৰ্থনৈতিক সংকটে ভাৰতীয় মুদ্ৰা ‘টকা’ৰ ওপৰতো এক অভূতপূৰ্ব প্ৰভাৱ পেলাইছে। আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ মূল্য বৃদ্ধি পোৱাৰ লগে লগে ভাৰতৰ ডলাৰৰ চাহিদা অস্বাভাৱিকভাৱে বাঢ়ি গৈছে, কিয়নো আমদানিৰ বিল ডলাৰত পৰিশোধ কৰিবলগীয়া হয়। ইয়াৰ ফলস্বৰূপে ডলাৰ অতিশয় শক্তিশালী হৈ পৰিছে আৰু ভাৰতীয় টকাৰ মূল্য ক্ৰমাগতভাৱে হ্ৰাস পাই ইতিহাসৰ আটাইতকৈ নিম্ন স্তৰত উপনীত হৈছে। বৰ্তমান আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰতি আমেৰিকান ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ বিনিময় মূল্য প্ৰায় ৯৬ ৰ পৰা ৯৭ টকা পৰ্যন্ত স্পৰ্শ কৰিছে। ডলাৰৰ বিপৰীতে টকাৰ এই ঐতিহাসিক অৱনমনৰ বাবে দেশৰ আমদানি খৰচ বহুখিনি বাঢ়ি গৈছে, যাৰ পোনপটীয়া প্ৰভাৱ বাণিজ্য ঘাটি আৰু ঘৰুৱা মুদ্ৰাস্ফীতিৰ ওপৰত পৰিছে। ভাৰতবৰ্ষ বৰ্তমান বিশ্বৰ ভিতৰতে তৃতীয় বৃহত্তম তেল ব্যৱহাৰকাৰী দেশ। দেশৰ বিশাল জনসংখ্যাৰ প্ৰয়োজন পূৰাবলৈ ভাৰতে নিজৰ প্ৰয়োজনীয় খাৰুৱা তেলৰ প্ৰায় ৮৮ শতাংশতকৈও অধিক অংশ বিদেশৰ পৰা আমদানি কৰিবলগীয়া হয়। গতিকে ডলাৰৰ ক্ৰমবৰ্ধমান মূল্য আৰু খাৰুৱা তেলৰ মূল্যবৃদ্ধিয়ে ভাৰতীয় অৰ্থনীতিত এক জটিল আৰ্থিক সংকটৰ সৃষ্টি কৰিছে। কিন্তু এই প্ৰত্যাহ্বানৰ মোকাবিলা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকে সময়োপযোগী নীতি, সুদূৰপ্ৰসাৰী পৰিকল্পনা আৰু বিভিন্ন আৰ্থিক সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰি পৰিস্থিতি নিয়ন্ত্ৰণৰ দিশত সক্ৰিয় পদক্ষেপ অব্যাহত ৰাখিছে।

*গোলকীয় বজাৰৰ এই সুস্থিৰতাই ভাৰতৰ দৰে বিকাশশীল অৰ্থনীতিক ক্ষিপ্ৰতাৰে আগবাঢ়ি যোৱাত বহুখিনি সহায় কৰিছিল। কিন্তু মধ্যপ্ৰাচ্যৰ সামৰিক সংঘাত আৰু ক্ৰমবৰ্ধমান উত্তেজনাই বিশ্ববজাৰৰ স্বাভাৱিক গতি হঠাতে বিঘ্নিত কৰি তুলিলে। এই সামৰিক সংঘাতৰ প্ৰভাৱত ব্ৰেণ্ট ক্ৰুডৰ মূল্য অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে। বৰ্তমান আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ মূল্য প্ৰতি বেৰেলত ৮১ ডলাৰৰ পৰা ১০৭ ডলাৰ, আনকি কোনো কোনো সময়ত ১১০ ডলাৰ অতিক্ৰম কৰি এক ভয়াৱহ পৰিসৰত উঠা-নমা কৰি থকা পৰিলক্ষিত হৈছে। এই অভাৱনীয় মূল্যবৃদ্ধিৰ অন্তৰালত কেৱল যুদ্ধৰ আশংকাই নহয়, বৰঞ্চ যোগান শৃংখলৰ এক গভীৰ সামুদ্ৰিক সংকট নিহিত হৈ আছে। বিশ্বজুৰি তেলৰ দাম এনেদৰে বৃদ্ধি পোৱাৰ মূল কাৰণটো বিশ্লেষণ কৰিলে দেখা যায় যে ইয়াৰ সৈতে জলপথৰ বিপন্ন সুৰক্ষা আৰু জাহাজ চলাচল ব্যাহত হোৱাৰ বিষয়টো ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে।*

প্ৰথমতে, ৰিজাৰ্ভ বেংকে দেশৰ শক্তিশালী বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰৰ সঠিক ব্যৱহাৰ কৰিছে। বৰ্তমান ভাৰতৰ হাতত প্ৰায় ৬৯৬.৯৯ বিলিয়ন ডলাৰৰ এক বিশাল বৈদেশিক মুদ্ৰাৰ ভঁৰাল সুৰক্ষিত হৈ আছে। টকাৰ অতিৰিক্ত অৱনমন ৰোধ কৰিবলৈ আৰু বজাৰত ডলাৰৰ নাটনি জোৰা মাৰিবলৈ আৰ.বি.আই.-এ বজাৰত ডলাৰ মুকলি কৰি দিছে আৰু শেহতীয়াকৈ ডলাৰ-টকাৰ বিনিময় নিয়ন্ত্ৰণৰ বাবে কেতবোৰ গুৰুত্বপূৰ্ণ বিত্তীয় নীতি হাতত লৈছে।

দ্বিতীয়তে, চৰকাৰে খাৰুৱা তেল আমদানিৰ ক্ষেত্ৰত উৎসসমূহ অধিক বহুমুখী কৰি তোলাৰ দিশত গুৰুত্ব আৰোপ কৰিছে। বৰ্তমান প্ৰায় ৭০ শতাংশ খাৰুৱা তেল হৰমূজ প্ৰণালীৰ বাহিৰৰ সুৰক্ষিত দেশসমূহৰ পৰা অনা হৈছে। চৰকাৰৰ তৃতীয় আৰু আটাইতকৈ দূৰদৰ্শী পদক্ষেপটো হৈছে ভাৰতীয় টকাৰ মাধ্যমেৰে আন্তঃৰাষ্ট্ৰীয় বাণিজ্য পৰিচালনা। আমেৰিকান ডলাৰৰ ওপৰত থকা অতিৰিক্ত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ উদ্দেশ্যে ভাৰতে সংযুক্ত আৰব আমিৰাত (UAE) আদি দেশৰ সৈতে ডলাৰৰ পৰিৱৰ্তে পোনপটীয়াভাৱে থলুৱা মুদ্ৰা অৰ্থাৎ টকাৰে তেল ক্ৰয় কৰাৰ এক ঐতিহাসিক দ্বিপাক্ষিক চুক্তি কাৰ্যকৰী কৰি তুলিছে, যিয়ে আন্তঃৰাষ্ট্ৰীয় বজাৰত টকাৰ স্থিৰতা বৃদ্ধিত বিশেষ সহায় কৰিছে। ইয়াৰ সমান্তৰালভাৱে, অনা-প্ৰয়োজনীয় আমদানি নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰে সোণ আৰু ৰূপৰ দৰে সামগ্ৰীৰ ওপৰত আমদানি শুল্ক বৃদ্ধি কৰিছে, যাতে ডলাৰৰ বহিঃপ্ৰৱাহ ৰোধ কৰি সেই ধন তেলৰ দৰে অতি জৰুৰী সম্পদ আমদানিৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা যায়। আনহাতে বিশাখাপট্টনম, মাংগালোৰ আদি স্থানত থকা জৰুৰীকালীন কৌশলগত তেল ভাণ্ডাৰত চৰকাৰে প্ৰায় ৭৪ দিনৰ ঘৰুৱা প্ৰয়োজন পূৰাব পৰা ইন্ধন মজুত ৰাখিছে।

আটাইতকৈ লক্ষণীয় বিষয়টো হৈছে, আন্তঃৰাষ্ট্ৰীয় বজাৰত মূল্যবৃদ্ধিয়ে অভিলেখ সৃষ্টি কৰাৰ পিছতো ভাৰত চৰকাৰে ৰাজসাহায্যৰ বোজা নিজে বহন কৰি আৰু ইন্ধনৰ শুল্ক কৰ্তনৰ জৰিয়তে সাধাৰণ গ্ৰাহকক সুৰক্ষা প্ৰদান কৰিছে। ইউৰোপ বা আন উন্নত পশ্চিমীয়া দেশসমূহৰ দৰে ভাৰতত যাতে কোনো হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰ বাবে চৰকাৰে ৰন্ধন গেছ আৰু কৃষি খণ্ডৰ বাবে অপৰিহাৰ্য সাৰৰ ওপৰত থকা ৰাজসাহায্য অব্যাহত ৰাখিছে। এই অভূতপূৰ্ব গোলকীয় অৰ্থনৈতিক কঠিন পৰিস্থিতিৰ সময়ত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক উদ্দেশ্যি এক অত্যন্ত গুৰুত্বপূৰ্ণ, দূৰদৰ্শী আৰু অৰ্থনৈতিক অনুশাসনৰ আহ্বান জনাইছে। তেওঁ স্পষ্টকৈ উল্লেখ কৰিছে যে বহিঃশক্তিৰ ওপৰত আমাৰ নিয়ন্ত্ৰণ নাথাকিব পাৰে, কিন্তু ঘৰুৱা ব্যৱহাৰ আৰু সজাগতা আমাৰ নিজৰ হাতত। প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশবাসীক প্ৰধানকৈ তিনিটা মূল দিশত সহযোগিতা কৰিবলৈ আহ্বান জনাইছে- দৈনন্দিন জীৱনত পেট্ৰ’ল, ডিজেল তথা এল.পি.জি.ৰ অপচয় সম্পূৰ্ণৰূপে ৰোধ কৰিবলৈ তেওঁ দেশবাসীক অনুৰোধ জনাইছে। প্ৰতিজন নাগৰিকে কৰা ক্ষুদ্ৰ ক্ষুদ্ৰ ইন্ধন সংৰক্ষণে সামূহিকভাৱে দেশৰ আমদানি বিল হাজাৰ হাজাৰ কোটি টকা হ্ৰাস কৰিব পাৰে, যি ধনেৰে দেশৰ খাদ্য সুৰক্ষা আৰু উন্নয়নমূলক কাম-কাজ নিশ্চিত কৰিব পৰা যাব। প্ৰধানমন্ত্ৰীয়ে দেশবাসীক অনিয়ন্ত্ৰিত আৰু অপ্ৰয়োজনীয়ভাৱে সোণ ক্ৰয় কৰা, অপ্ৰয়োজনীয় বিদেশ ভ্ৰমণ কৰাৰ পৰা বৰ্তমানৰ বাবে বিৰত থাকিবলৈ আহ্বান জনাইছে। কাৰণ সোণৰ অত্যধিক আমদানিয়ে দেশৰ মূল্যবান ডলাৰৰ ভঁৰাল উদং কৰে আৰু অৰ্থনৈতিক নাটনি বৃদ্ধি কৰে।

দেশৰ ঘৰুৱা অৰ্থনীতি আৰু উদ্যোগ খণ্ডক সুৰক্ষিত কৰিবলৈ তেওঁ থলুৱাভাৱে উৎপাদিত সামগ্ৰী ব্যৱহাৰ কৰিবলৈ আৰু সৌৰ শক্তি বা বৈদ্যুতিক বাহনৰ দৰে বিকল্প ইন্ধনৰ দিশে অগ্ৰসৰ হ’বলৈ দেশবাসীক অনুপ্ৰাণিত কৰিছে। মধ্যপ্ৰাচ্যৰ সাম্প্ৰতিক সংকট আৰু ভূ-ৰাজনৈতিক প্ৰত্যাহ্বানে ভাৰতক পুনৰ এবাৰ বিশ্ব দৰবাৰত নিজৰ অৰ্থনৈতিক সামৰ্থ্য প্ৰমাণ কৰাৰ এক সোণালী সুযোগ প্ৰদান কৰিছে। ডলাৰৰ বিপৰীতে টকাৰ মূল্যৰ সাময়িক তাৰতময ঘটিলেও আমাৰ দেশৰ সামগ্ৰিক অৰ্থনীতিৰ ভেটি অত্যন্ত সুদৃঢ়। ইতিহাসে সদায়ে প্ৰমাণ কৰিছে যে প্ৰতিটো সংকটে নিজৰ সৈতে সম্ভাৱনাৰ এক নতুন দুৱাৰো মুকলি কৰে। প্ৰধানমন্ত্ৰীৰ আহ্বানক সাৰোগত কৰি যেতিয়া দেশবাসীয়ে ইন্ধন সংৰক্ষণ আৰু বৈকল্পিক নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰক এক সামাজিক আন্দোলনলৈ ৰূপান্তৰিত কৰিব, তেতিয়া এই সংকটেও অনাগত দিনত ভাৰতক প্ৰকৃত অৰ্থত এখন আত্মনিৰ্ভৰশীল ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাত বিশেষ ইন্ধন যোগাব।

# যান-বাহন চলোৱাৰ ক্ষেত্ৰত সতৰ্কতা

**কনমনি নাথ**

সময় গতিশীল, সময়ৰ সোঁতত মানৱ জাতিক আজি শিক্ষাৰ পোহৰেৰে জাতিষ্কাৰ কৰি তুলিছে। শিক্ষাৰ মাধ্যমেৰে নানা চিন্তা চৰ্চাৰে উন্নত প্ৰযুক্তি উদ্ভাৱনে অসম্ভৱক সম্ভৱ কৰি তুলিছে। তাৰ সমান্তৰালভাৱে বিভিন্ন ব্যৱসায় প্ৰতিষ্ঠান সমূহে দুচকীয়া, চাৰিচকীয়া যান-বাহন অত্যধিক প্ৰযুক্তিৰ জৰিয়তে সুন্দৰ সা-সজুঁলিৰে তৈয়াৰ কৰি গ্ৰাহকক আকৰ্ষণ কৰিব পৰাকৈ ৰাইজৰ মাজলৈ মুকলি কৰিছে আৰু সেই বাহন সমূহ আমি অধিক অৰ্থ ব্যয় কৰি হেঁপাহৰ গাড়ী এখন ৰং-ধেমালিৰ মাজেৰে ক্ৰয় কৰোঁ হয়তো সেই গাড়ী বা বাহন খণ কোনোৱে উপহাৰ দিয়ে নাইবা নিজে নানা কষ্ট কৰি উপাৰ্জিত অৰ্থ ব্যয় কৰি ক্ৰয় কৰিছোঁ আৰু সেইমতে আমি বাহনত প্ৰয়োজন অনুসৰি পৰিয়ালৰ সৈতে ভাললগা ঠাই সমূহ ভ্ৰমণ কৰোঁ।

সেয়েহে যান-বাহন চলোৱাৰ ক্ষেত্ৰত আমি পৰিবহণ বিভাগে ধাৰ্য কৰি দিয়া নীতি-নিয়ম বা নিৰ্দেশনা সমূহ সুক্ষ্মভাৱে পালন কৰা আমাৰ সকলোৰে নৈতিক দায়িত্ব আৰু কৰ্তব্য আছে। কিয়নো এখন বাহনত আপোনাৰ লগতে পৰিয়ালৰ সদস্য সকল ভ্ৰমণ কৰিবলৈ যায়। ঠিক সেই দৰে আপোনাৰ মৰমৰ বাহন খনেৰে কোনো ঠাইত ফুৰিব বা আপোনাৰ নিতৌ কৰ্ম স্থানলৈ ওলাই যায় আৰু আপুনি উভতি নহালৈকে পৰিয়ালৰ সকলোৱে অধিক আগ্ৰহেৰে ৰৈ থাকে। যদি আপুনি তেওঁলোকৰ কথা নাভাবি নিজৰ ইচ্ছা অনুযায়ী ৰাগীয়াল সামগ্ৰী যধে-মধে সেৱন কৰি বাহন চলাই তেতিয়া নিশ্চিত যে আপোনাৰ বাহন খনে এদিন দুৰ্ঘটনা কৰাৰ সম্ভাৱনা থাকে।



যদি আপুনি বাহন চলোৱাৰ সময়ত সাৱধানতা অৱলম্বন কৰে তেতিয়া নিশ্চয় দুৰ্ঘটনা সংঘটিত নহব। হয়, কেতিয়াবা ভাগ্য বেয়া থাকে তেতিয়া আনৰ দ্বাৰাও দুৰ্ঘটনা সংঘটিত হ’ব পাৰে কিন্তু সেয়া অনুকাংক্ষিক। কিছুমান কথা আপুনি জানে যে, বাহন চলোৱাৰ সময়ত অত্যধিক ৰাগীয়াল দ্ৰব্য সেৱন কৰিলে দুৰ্ঘটনা সংঘটিত হয় কিন্তু আপুনি জানি বুজি সেই ভুলকে কৰে তেতিয়া সেয়া আপোনাৰ ভুলৰ কাৰণে আপোনাৰ লগতে আন বহুতো লোকৰ দুৰ্ঘটনা হয় সেয়ে সেই ভুলৰ ক্ষমা কেতিয়াওঁ নাথাকে। আৰু যদি ভাগ্য বেয়া থাকে তেতিয়া হয়তো আপুনি জীয়াই নাথাকিব। কিন্তু আপোনাক যে আপোন সকলে অধিক আগ্ৰহেৰে অপেক্ষাত আছিল তেতিয়া হঠাৎ তেনে দু-সংবাদৰ বাৰ্তা পাব তেতিয়া তেওঁলোকৰ অৱস্থা কেনেকুৱা হ’ব! এবাৰ কল্পনা কৰি চালে বুজিব পাৰি।

সেয়েহে নিজৰ কথা নাভাবিলেও পৰিয়ালৰ সদস্য সকলৰ মৰম-স্নেহক সন্মান জনাই বাহন চলোৱাৰ ক্ষেত্ৰত নীতি-নিয়ম সমূহ সূক্ষ্মভাৱে মানি চলিব লাগে।

সাধাৰণতে যান-বাহন সমূহ দুৰ্ঘটনাৰ পতিত হোৱা কাৰণ সমূহৰ ভিতৰত মূল কাৰণটো হৈছে- (ক) নিশা লাইটৰ (uper depar)ৰ সঠিক অপব্যৱহাৰ।

(খ) অত্যধিক মাদক দ্ৰব্য সেৱন।

*(১) নিশা লাইটৰ (uper/depar)ৰ সঠিক অপব্যৱহাৰঃ*

এই যে কিছু লোকে দুচকীয়া/চাৰিচকীয়া বাহন চলোৱাৰ সময়ত নিশা নিজৰ সুবিধাৰ্থে লাইটৰ ক্ষেত্ৰত নিজাকৈ আকৌ চোকা পোহৰৰ লাইট লগাই অধিক ওপৰলৈ নিক্ষেপ কৰি নিজৰ পথ যোৱাৰ উপায় উলিয়াই কিন্তু এবাৰো নাভাবে যে বিপৰীত দিশৰ পৰা অহা বাহন সমূহ সাধাৰণ লাইটৰ ব্যৱস্থা থকা বাহন সমূহে নিজৰ পথেৰে আহিলেও বিপৰীত দিশৰ পৰা অহা তীক্ষ্ণ লাইটৰ পোহৰৰ ফলত গাড়ী চলাবলৈ যথেষ্ট অসুবিধাৰ সন্মুখীন হয়, হয়তো কেতিয়াবা দুৰ্ঘটনাৰ সন্মুখীন হয় ফলত সাধাৰণ বাহন আৰু আৰোহী জনৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ বিপৰীতে বিলাসী গাড়ী আৰু আৰোহী জনৰো সমানে দুৰ্ঘটনাত ক্ষতিগস্ত হোৱা দেখা যায়।

সেয়েহে আমি গাড়ী চলোৱাৰ সময়ত গাড়ী লাইটৰ সঠিক ব্যৱহাৰৰ ওপৰত অধিক মনোযোগ প্ৰদান কৰা উচিত।

আপোনাৰ যিমানেই বিলাসী গাড়ী নহওক কিয়! কোনো ক্ষতি নহয় বুলি ভাবিলেও বিপৰীত দিশৰ পৰা অহা গাড়ী খনে পোহৰৰ ৰশ্মি চকুত পৰি দুয়োখন গাড়ী সমানে দুৰ্ঘটনাত পতিত হৈ বহু ক্ষতি সাধন কৰে।

*(২) অত্যধিক মাদক দ্ৰব্য সেৱন ঃ*

বৰ্তমান সময়ত জনসাধাৰণ মাজত মাদক দ্ৰব্যই বিশেষ স্থান দখলেৰে জনপ্ৰিয় হৈ পৰিছে। বিশেষকৈ যুৱ প্ৰজন্মই মাদক দ্ৰব্যৰ প্ৰতি বেছি আসক্ত হৈ পৰিছে। যাৰ ফলত সমাজত নিতৌ ন ন ঘটনাই সমাজ ব্যৱস্থা বিপথে পৰিচালিত হব ধৰিছে। নিচাত মাতাল হৈ অভিভাৱক সকলক দুচকীয়া বাহন ক্ৰয় কৰি দিয়াৰ বাবে দাবী কৰে আৰু যদি সেই দাবী পুৰণ নকৰে তেতিয়া পৰিয়ালত নানা অত্যাচাৰ আৰম্ভ কৰি দিয়ে। তেনে অত্যাচাৰ সহ্য কৰিব নোৱাৰি অভিভাৱক সকলে মাটি বিক্ৰী কৰি, লোণ লৈ নাইবা অন্য পন্থা অৱলম্বন কৰি যেনেকৈ নহওক সন্তানৰ দাবী পূৰণ কৰিবলৈ বাধ্য হয়। অভিভাৱক সকলে ভাবে যে সন্তানৰ অভাৱ পূৰণ কৰিলে সন্তানৰ স্বভাৱৰ পৰিৱৰ্তন হব, ভাল হব, কথা মানিব। কোনো অভিভাৱকে নিবিচাৰে যে নিজৰ সন্তান বিপথে পৰিচালিত হওক কিন্তু বাহনখন পোৱাৰ পিছত কিছু সংখ্যকে সম্পূৰ্ণ সলনি হয় আৰু আন কোনোৱে সেই স্বভাৱৰ কোনো পৰিৱৰ্তন নাই দিনক দিনে অধিক উচ্ছৃঙ্খল বাঢ়ি গৈ থাকে। বাহনত পেট্ৰ’ল ভৰাবলৈ আকৌ অভিভাৱকৰ পৰা অত্যাচাৰ, যুদ্ধ কৰি টকা আদায় কৰি যেনি তেনি ঘূৰি ফুৰে। হয়টো এদিন অত্যধিক মাদক দ্ৰব্য সেৱন কৰি বাহন চলোৱাৰ ফলস্বৰূপে দুৰ্ঘটনা সংঘটিত হয় ফলত গোটেই জীৱন পঙ্গুত্ব জীৱন যাপন কৰিবলগীয়া হ’ব পাৰে। এনেকৈ পৰিয়াল এটাক নানা হাৰাশাস্তিৰ সন্মুখীন কৰি বিপদত পেলাই। ফলত অভিভাৱক সকলৰ এই সংসাৰত জীয়াই থকাৰ হাবিয়াস নহোৱা হৈ মৃত্যুৰ বাবে নিবেদন বিচাৰে। হয়টো কোনোৱে পুত্ৰৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি আত্মহত্যাৰ দৰে চূড়ান্ত সিদ্ধান্তত উপনীত হয় গৈ।

গতিকে মাদকদ্ৰব্যই পৰিয়াল এটা থানবান কৰি পেলাই সেয়েহে মাদক দ্ৰব্য বা ৰাগীয়াল দ্ৰব্য সেৱন কৰি বাহন চলোৱাৰ পৰা সম্পূৰ্ণ বিৰত থকা উচিত। সাধাৰণতে বৰ্তমান সময়ত মাদক দ্ৰব্য সেৱন কৰি বাহন চলোৱাৰ ফলত গুৰুতৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ সংখ্যা অধিক আৰু সেই সকলৰ বেছি সংখ্যকে হৈছে যুৱপ্ৰজন্ম ১৫/২৫ বছৰৰ। গতিকে যান-বাহন চলোৱাৰ সময়ত সাৱধানতা অৱলম্বন কৰাৰ খুৱেই প্ৰয়োজন আছে আৰু ইয়াক প্ৰতিৰোধ কৰিবলৈ হলে অভিভাৱক সকলে বিশেষ ভূমিকা পালন কৰিব লাগিব। যিহেতু চৰকাৰে দুৰ্ঘটনা প্ৰতিৰোধৰ ক্ষেত্ৰত নানা পদক্ষেপ গ্ৰহণ কৰিছে যদিওঁ ইয়াক সম্পূৰ্ণ নিৰ্মূল কৰা অসম্ভৱ কিয়নো যদি আমাৰ মানসিকতা পৰিৱৰ্তন নহয়, নিজে সতৰ্ক অৱলম্বন কৰা নহয় তেতিয়া এনে ধৰণৰ ঘটনা সমাজ ব্যৱস্থাত সংঘটিত হৈ থাকিব। সেয়েহে আমি যান-বাহনৰ দুৰ্ঘটনা প্ৰতিৰোধ কৰিবলৈ হলে সাধাৰণ ৰাইজ সতৰ্ক হবই লাগিব। তেতিয়া নিশ্চয় ইয়াক নিৰ্মূল কৰিব পাৰিম বুলি ভাবোঁ।

# নতুন লেখকৰ প্ৰতি সঁহাৰি

**বিপুল চন্দ্ৰ দাস**

আমি কিতাপ পঢ়ি ভাল পোৱা। ভাল পোৱা মানুহে স্কুল, কলেজ, বিশ্ববিদ্যালয় বাদ দিলে পঢ়িয়ে থাকে। কিন্তু সময়ৰ গতিত যেতিয়া মানুহ কাম বনত ব্যস্ত হৈ পৰে। কিছুমানে ইয়াৰ প্ৰতি এক প্ৰকাৰৰ বাদ দিয়াৰ দৰে হয়। অৱশ্যে সৰহ সংখ্যকে মাজে মাজে কিতাপ পঢ়ে যেনে বাতৰি কাকত আলোচনী বা কেতিয়াবা উপন্যাস। আজি কালি বহুত কমি গ’ল। আগৰ দিনৰ দৰে খুজি খুজি আনি কিতাপ পঢ়া দিন নাই। সেই সময়ত এখন কিতাপ গোটেই চুবুৰী ঘূৰি ফুৰে। এতিয়া আমি যেন সেই সময় ক’ৰবাত হেৰুৱাই পেলাইছোঁ। কেনেকৈ ক’ত কেতিয়া গুচি গ’ল। গমেই নোপোৱা হলোঁ। অতি দুখৰ কথা বৃহৎ গাঁও এখনত কিমানজন মানুহে বাতৰি কাকত পঢ়ে। ৪০/৫০ জনে। অৱশ্যে এয়া আমাৰ আনুমানিক হিচাপ। আমি যিহেতু কেতিয়াবা কেতিয়াবা আমাৰ ওচৰৰ কালি কান্ত নিউজ এজেঞ্চিৰ স্বত্বাধিকাৰী জ্যেষ্ঠ সাংবাদিক বিমল শৰ্মাৰ অসুবিধা হ’লে বাতৰি কাকত বিতৰণ কৰি থাকো। সেয়ে আমাৰ এটা ধাৰণা হৈছে। আজিৰ পৰা দুবছৰ আগেয়ে ৭৫খন আছিল। এতিয়া হ’ল গৈ ৫০ খন। ই ও যে এটি সময়ত কিবা এটা নহ’ব ক’ব নোৱাৰি। ভিতৰ অঞ্চলত যে কিছুমান ঠাইত নাইয়ে। কিবা কাৰণত আমি ক’ৰবাত গ’লে কথা বতৰাৰ মাজতে সুবিধা লৈ সুধা যায়। ইয়াত বাতৰি আহে নে? চিধাই নাই বুলি কয়। এদিন এজনী বয় জ্যেষ্ঠ মহিলাই কৈ দিলে। এতিয়াও বাতৰি কাকত আছে। আমি বুলো সৰ্বনাশ। কি কথা কয়? আমি চিধাই কৈছিলো। আমাৰ তাত এতিয়াও বহু বাতৰিকাকত পঢ়া মানুহ আছে। কিন্তু এতিয়া লাহে-লাহে আমাৰো অশনি সংকেত আহিছে। অৱশ্যে এটি কথা ক’লে ভাল হ’ব। বৰ্তমান সময়ত নিউজ চেনেল বাতৰি কাকত সকলো ম’বাইল ত উপলব্ধ সেই বাবেও কিজানি ইয়াৰ ব্যৱহাৰ হ্ৰাস পাইছে। বাৰু সেইবোৰ কথা ইমানতে সামৰণি মাৰিলোঁ। ক’ব লগা কথাটো হ’ল দুদিন আগতে এটি বিশেষ অনুষ্ঠানত নিমন্ত্ৰণ ক্ৰমে উপস্থিত আছিলোঁ। শেষত এজন ল’ৰাই তেওঁ নিজে লিখা এখন কিতাপ বহু জনক বিতৰণ কৰি দিলে। কিতাপখন দেখিবলৈ বৰ ধুনীয়া আছিল। আমি অলপ দূৰৰ পৰা চাই আছিলোঁ। সম্ভৱ সেয়ে ভাগত নপৰিল। কথা হ’ল কোনো এজনেও প ইচা দিয়া দেখা নাপালোঁ। সম্পূৰ্ণ মূল্য নে দিলেও। অন্ততঃ কিবা অলপ অলপ দিব পাৰিলেহেতেন। তেওঁ বহুত মনৰ আশা লৈ বনাইছে। ধৰক ৫০ টকা দাম হ’লেও বিশ ত্ৰিশ টকা দিলেও মনে-মনে বহুত ভাল লাগিলহেঁতেন। এনেকুৱা ঘটনা প্ৰায়েই দেখা যায়। এজন লেখকে কিতাপ বনালে খৰচৰ আধা মূল্য ও নাপায়। বিনামূলীয়াকৈ দিওঁতে দিওঁতে শেষ হৈ যায়। এনে স্থল তেওঁ দ্বিতীয়বাৰ কিতাপ বনাবলৈ মন নাযাব। লিখা মেলা চলি থাকিব। কিন্তু যাৰ বাবে তেওঁৰ কিতাপ বনোৱা হেপা কমি যাব। সেয়ে আমি ক’ব বিচাৰোঁ। যদি কোনোবাই আপোনাক কিতাপ এখন দিয়ে। তেতিয়াহ’লে কিবা অলপ দিয়ক। তেওঁৰ মনটো ভাল লাগিব। এয়া এজন নতুন লেখকলৈ মৰম আৰু সঁহাৰি হ’ব।

## মোৰাঝাৰ বজাৰ ফুটপাত দখলমুক্ত কৰিবলৈ ডবকা ৰাজহ চক্ৰ বিষয়া তৎপৰ

# মূল্যবৃদ্ধি ৰোধৰ বাবে প্ৰশাসনৰ অভিযান

**অসম বাৰ্তা, ডবকা, ২৬ মে' ঃ** মূল্যবৃদ্ধি ৰোধৰ বাবে হোজাই জিলাৰ ডবকা ৰাজহ চক্ৰৰ অধীনস্থ মোৰাঝাৰ বজাৰত অভিযান চলায় ডবকা ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে। এই অভিযানকালত বজাৰত মুল্যবৃদ্ধি যাতে নহয় তাৰ বাবে মোৰাঝাৰ ব্যৱসায়ী সন্থাক দায়িত্ব অৰ্পণ কৰাৰ লগতে দোকানীসকলক চৰকাৰী মূল্যৰ তালিকা ফলক দোকানত আৰি দিয়াৰ নিৰ্দেশ দিয়ে। এই নিয়ম উলংঘা কৰি বয় বস্তু বিক্ৰী কৰিলে বিহীত ব্যৱস্থা লোৱা হব বুলি সকিয়াই দিয়ে। উল্লেখ্য যে বজাৰৰ ফুটপাত আৰু ৰাজহুৱা পথ দখল কৰি চলি থকা অবৈধ দোকান-পোহাৰ বিৰুদ্ধে প্ৰশাসন কঠোৰ হোৱা পৰিলক্ষিত হয়। ডবকা ৰাজহ চক্ৰ বিষয়া মোৰাঝাৰ বজাৰত উপস্থিত হৈ ফুটপাতত দোকান দিয়া ক্ষুদ্ৰ ব্যৱসায়ীসকলক অতি শীঘ্ৰে নিজাববীয়াকৈ ফুটপাত খালী কৰিবলৈ নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত স্থানীয় পঞ্চায়তৰ সচিব মোজাম্মিল আলীক দায়িত্ব অৰ্পণ কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি মোৰাঝাৰ বজাৰৰ মূল পথৰ দুয়োকাষে কিছুমান দোকানীয়ে ফুটপাত দখল কৰি ব্যৱসায় চলাই আহিছে। এটা অসাধু চক্ৰই এইসকল ক্ষুদ্ৰ ব্যৱসায়ীৰ পৰা অবৈধ বাবে ভাড়াও আদায় কৰি আহিছে। ইয়াৰ ফলত ৰাইজৰ খোজকঢ়াত অসুবিধা হোৱাৰ লগতে সঘনাই যান-জঁটৰ সৃষ্টি হৈ আহিছিল। যদি দোকান খালী কৰা নহয় তেন্তে প্ৰশাসনে বলপূৰ্বক উচ্ছেদ অভিযান চলাব। ইফালে এই ৰাজহ চক্ৰ বিষয়াৰ এই তৎপৰতাৰ বাবে মোৰাঝাৰ বজাৰ দোকানীসকলৰ মাজত উদ্বেগ বৃদ্ধি পাইছে। তেওঁলোকৰ মতে বহু বছৰ ধৰি এই স্থানতে সৰু ব্যৱসায় কৰি পৰিয়াল পোহপাল দি আহিছে। হঠাতে উচ্ছেদ কৰিলে জীৱিকাৰ সমস্যা হ'ব বুলি কিছুমান দোকানীয়ে জনায়। যদিও মোৰাঝাৰ সাপ্তাহিক বজাৰত এইসমূহ ক্ষুদ্ৰ দোকান স্থানান্তৰ কৰা হব। আনহাতে স্থানীয় ৰাইজে কয় যে ফুটপাত ৰাইজৰ বাবে মুকলি হোৱাটো দৰকাৰ আৰু প্ৰশাসনৰ এই পদক্ষেপক তেওঁলোকে আদৰণি জনাইছে। উচ্ছেদৰ পিছত পুনৰ ফুটপাত দখল নহ'বৰ বাবে সময়ে সময়ে প্ৰশাসনৰ ফালৰ পৰা নিয়মীয়া পৰিদৰ্শন কৰাৰ দাবী জনাইছে ৰাইজে।

# চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক, কৰ্মচাৰী সমাৰোহৰ সফল সামৰণি

## কুইজ আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**অসম বাৰ্তা, চেলেংহাট, ২৬ মে' ঃ** যোৰহাট জিলাৰ ভিতৰতে এখন পুৰণি আৰু ঐতিহ্যমণ্ডিত শিক্ষা প্ৰতিষ্ঠান চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক কৰ্মচাৰী সমাৰোহৰ আজি সামৰণি পৰে। দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা সমাৰোহৰ আজি অন্তিম দিনা পুৱা ২০০৬ বৰ্ষৰ ছাত্ৰ-ছাত্ৰী সকলৰ উদ্যোগত পৰিবেশ নিকাকৰণৰ পাছতেই ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অনুষ্ঠিত কুইজ আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ উদ্বোধন কৰে প্ৰাক্তন ছাত্ৰ তথা চেলেংহাট বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক কাশীনাথ পাত্ৰই। আনহাতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু প্ৰাক্তন সকলৰ দ্বাৰা অনুষ্ঠিত হোৱা এক বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে শিক্ষানুষ্ঠান খনৰ অৱসৰী অধ্যক্ষ দিগন্ত কুমাৰ শইকীয়াই। দুপৰীয়া উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি প্ৰমোদ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাৰ উদ্বোধন কৰে জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াই। সভাত মুখ্য অতিথি হিচাপে আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মাধুৰ্য্য মণ্ডিত বৰুৱা আৰু বিশিষ্ট অতিথি হিচাপে মৰিয়ণি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ প্ৰতিনিধি শিক্ষক ৰাতুল গগৈ, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অৱসৰী সচিব কমলজ্যোতি গগৈ, প্ৰাক্তন ছাত্ৰী তথা অসম চিকিৎসা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ডাঃ নিকুঞ্জলতা দত্ত উপস্থিত থাকে। তাৰ পাছতেই পতাকা অৱতৰণ আৰু নিশালৈ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা অনুষ্ঠিত মহাপুৰুষীয়া ভাওনা গান্ধাৰীৰ কৃষ্ণ ৰূপ দৰ্শন মঞ্চস্থ হোৱাৰ পাছতেই দুদিনীয়া সমাৰোহৰ সফল সামৰণি পৰে। ভাওনাৰ শুভ উদ্বোধন কৰে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ডঃ মণ্টু কুমাৰ বৰাই। দুদিনীয়া বৰ্ণাঢ্য অনুষ্ঠানৰ প্ৰতিটো কাৰ্যসূচীতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ সম্পূৰ্ণ সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে উদ্‌যাপন সমিতিৰ বিষয়ববীয়া সকলে। অন্যহাতে অনুষ্ঠানৰ অন্তিম দিনা আজি ২০০৩ বৰ্ষৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ উদ্যোগত প্ৰাইজমনি কুইজ আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে জ্যোতি বিদ্যাপীঠৰ ছাত্ৰ লুইট নয়ন গগৈয়ে দ্বিতীয় স্থান হ'লী ফ্লাৱাৰ চিনিয়ৰ ছেকেণ্ডৰী স্কুলৰ অভিৰাজ গগৈ আৰু বেন গাৰ্ডেন ছিনিয়ৰ ছেকেণ্ডৰী স্কুলৰ জ্যোতিৰাণী ভূঞাই। অন্যহাতে কুইজ প্ৰতিযোগিতাত লক্ষ্মীপ্ৰিয়া গগৈ আৰু অন্বেষা ফুকনৰ দলে প্ৰথম অৰ্চিতা দত্ত আৰু আয়ুস্মান গগৈৰ দলে দ্বিতীয় আৰু ৰিচি শইকীয়া আৰু সিদ্ধাৰ্থ বৰদলৈ দলে তৃতীয় স্থান লাভ কৰে। দুয়োটা প্ৰতিযোগিতাতে অবিভক্ত শিৱসাগৰ জিলাৰ প্ৰায় শতাধিক ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

# শ্ৰীৰামপুৰ ব্যৱসায়ী সমিতিৰ উদ্যোগত কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৬ মে' ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত শ্ৰীৰামপুৰ অঞ্চলত কৃতিত্বৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকলক শ্ৰীৰামপুৰ ব্যৱসায়ী সমিতিৰ উদ্যোগত সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই উপলক্ষে আজি শ্ৰীৰামপুৰ হাই স্কুলত অনুষ্ঠিত সম্বৰ্ধনা সভাত আমন্ত্ৰিত অতিথি সকলে কৃতি ছাত্ৰ-ছাত্ৰীক উজ্জ্বল ভৱিষ্যত কামনা কৰাৰ লগতে তেওঁলোকৰ উদ্দেশি মূল্যৱান দিহা পৰামৰ্শ আগবঢ়ায়। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়া মণ্টুৰাম বৰা, গোসাঁইগাঁও মহকুমা কাৰ্য্যবাহী দণ্ডাধীশ কপিল দাস, বিটিআৰৰ প্ৰাক্তন কাৰ্য্যবাহী সদস্য উইলছন হাছদাই অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ ক্ষেত্ৰত অধিক মনোযোগী হৈ আগবাঢ়ি যাবলৈ আহ্বান জনায়। অনুষ্ঠানত মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা কেবাজনো মেধাৱী ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা, মানপত্ৰ দি সম্বৰ্ধনা জনোৱা হয়। উপস্থিত থকা অতিথি সকলে নিজৰ বক্তব্যত কয় যে শিক্ষাই এখন সমাজক আগুৱাই নিয়াৰ মূল আধাৰ আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলেই ভৱিষ্যতৰ দেশ গঢ়োতা। সেয়ে কঠোৰ পৰিশ্ৰম, শৃংখলা আৰু সৎ পথ অনুসৰণ কৰি সফলতাৰ বাবে আগবাঢ়ি যাব লাগিব।

## এইমছ গুৱাহাটীত চৰকাৰ আৰু প্ৰশাসনক তদন্তৰ দাবী চাংসাৰিৰ এটি ক্ষুব্ধ পৰিয়ালৰ

# চিকিৎসাৰ বাবে অহা ৰোগীৰ প্ৰতি বেয়া ব্যৱহাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৬ মে' ঃ** কামৰূপ জিলাৰ চাংসাৰিৰ এটা পৰিয়ালে এইমছ গুৱাহাটীত বিছনা আৰু উপযুক্ত চিকিৎসা নোপোৱাৰ অভিযোগত চিকিৎসালয়খনৰ অৱহেলা আৰু চিকিৎসকসকলৰ অশালীন আচৰণক গৰিহণা দিছে। ভুক্তভোগীৰ পৰিয়ালৰ পাৰুল নামৰ এজনী ছোৱালীয়ে কয় যে তেওঁৰ ভায়েকৰ ডেকিউবিটাছ আলচাৰ সংকটজনক অৱস্থাত আছিল, কিন্তু চিকিৎসালয়ৰ কৰ্মচাৰীসকলে তেওঁক পৰ্যাপ্ত চিকিৎসা আৰু বিছনা দিবলৈ অস্বীকাৰ কৰে, যাৰ ফলত ৰোগীজনৰ অৱস্থা অধিক বেয়া হৈছে। পৰিয়ালৰ মতে, তেওঁলোকে প্ৰথমে চিকিৎসক কেইজনক অ'পিডিৰ জৰিয়তে লগ পাইছিল, য'ত তেওঁলোকে অশালীন ভাষা আৰু প্ৰশ্নৰ সন্মুখীন হৈছিল। চিকিৎসকসকলে কৈছিল যে বিছনা উপলব্ধ নাই আৰু চিকিৎসাৰ বাবে ঘৰতে ড্ৰেছিং কৰিবলৈ কৈছিল। পৰিয়ালটোৱে কৈছে যে বাৰম্বাৰ অনুৰোধ জনোৱাৰ পিছতো তেওঁলোকে এইমছৰ কোনো চিকিৎসকৰ পৰা সহায় পোৱা নাছিল। আনকি ঘৰত ড্ৰেছিং কৰাৰ পিছতো ঘাঁ নিৰাময় হোৱা নাই আৰু সংক্ৰমণ বেছি হৈছে, যাৰ ওপৰত চিকিৎসকে অস্ত্ৰোপচাৰৰ পৰামৰ্শ দিছে। আৰ্থিক অভাৱৰ বাবে, পৰিয়ালটোৱে ব্যক্তিগত চিকিৎসাৰ খৰচ বহন কৰিব নোৱাৰি অৱশেষত ৰোগীজনক আন এখন চিকিৎসালয়ত ভৰ্তি কৰিব লগা পৰ্যায় আহি পৰিছে। এই ঘটনাৰ পিছত, পৰিয়ালটোৱে এইমছ চিকিৎসালয় প্ৰশাসন আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা নিৰপেক্ষ তদন্ত আৰু দোষী চিকিৎসক আৰু কৰ্মচাৰীসকলৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। তেওঁলোকে কয় যে এইমছৰ দৰে চৰকাৰী প্ৰতিষ্ঠানৰ উদ্দেশ্য হৈছে ৰোগীসকলক বিনামূলীয়া আৰু মানসম্পন্ন চিকিৎসা প্ৰদান কৰা, কিন্তু তেওঁলোকৰ প্ৰতি কৰা অপমান আৰু অৱহেলা অসহনীয়। পৰিয়ালটোৱে লগতে অভিযোগ কৰে যে চিকিৎসালয়ৰ কৰ্মচাৰীসকলে বাৰে বাৰে কৈছিল যে বিছনা আৰু সমল উপলব্ধ নহয়, আনহাতে সুবিধাসমূহ চৰকাৰী চিকিৎসালয় হোৱা হেতুকে ৰোগীৰ বাবে হ'ব লাগিছিল। ডাক্তৰে কোৱা মতে ঘাঁৰ সংক্ৰমণ গুৰুতৰ হয় তেনেহ'লে অস্ত্ৰোপচাৰৰ প্ৰয়োজন হ'ব পাৰে, আৰু ই ৰোগীৰ স্বাস্থ্যৰ বাবে বিপদজনক হ'ব পাৰে। পৰিয়ালটোৱে কয় যে সময়মতে সঠিক চিকিৎসা নোপোৱাৰ বাবে, ৰোগীজনৰ তীব্ৰ জ্বৰ আৰু সংক্ৰমণৰ লক্ষণ দেখা গৈছে, যাৰ ফলত উদ্বেগ বৃদ্ধি পাইছে। এই সন্দৰ্ভত এইমছ গুৱাহাটীৰ কোনো বিষয়ববীয়াৰ পৰা তাৎক্ষণিক কোনো প্ৰতিক্ৰিয়া পোৱা হোৱা নাই। সচেতন ৰাইজৰ দ্বাৰা চিকিৎসালয় প্ৰশাসনক বিষয়টোৰ তদন্তৰ বাবে এক ৰাজহুৱা প্ৰতিবেদন জাৰি কৰিবলৈ আহ্বান জনোৱা হৈছে, আৰু সংশ্লিষ্ট কৰ্মচাৰীসকলৰ আচৰণ আৰু প্ৰয়োজন অনুসৰি বিছনা আৰু চিকিৎসাৰ উপলব্ধতাৰ প্ৰতিবেদন স্পষ্ট কৰিবলৈ কোৱা হৈছে। ভুক্তভোগীৰ পৰিয়ালে এনে ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ আৰু ৰোগীসকলক সন্মানজনক চিকিৎসা নিশ্চিত কৰিবলৈ অসম চৰকাৰৰ হস্তক্ষেপ বিচাৰিছে। পৰিয়ালটোৱে সামাজিক মাধ্যমৰ জৰিয়তে ঘটনাটোৰ বিৱৰণ শ্বেয়াৰ কৰি ব্যাপক সজাগতা বিয়পাই ৰাজ্য চৰকাৰক ব্যৱস্থা ল'বলৈ আহ্বান জনাইছে। এই গোচৰটোৱে চিকিৎসালয়ত ৰোগীসকলৰ অধিকাৰ আৰু সুলভ, মৰ্যাদাপূৰ্ণ চিকিৎসাৰ ব্যৱস্থাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছে। এতিয়া প্ৰশাসন আৰু চৰকাৰে ইয়াৰ ওপৰত কি পদক্ষেপ ল'ব, জনসাধাৰণে ইয়াৰ ওপৰত দৃষ্টি নিবদ্ধ ৰাখিছে।

# মৰিগাঁও গেৰুৱাত প্ৰয়াত মতিৰাম বৰদলৈ ক্ৰীকেট লীগ ২০২৬ প্ৰস্তুতি

**অসম বাৰ্তা, ভুৰাগাঁও, ২৬ মে' ঃ** মৰিগাঁও জিলাৰ গেৰুৱাত হস্তিনাপুৰ গোটৰ সৌজন্যত প্ৰয়াত মতিৰাম বৰদলৈ সোঁৱৰণী ক্ৰীকেট লীগৰ প্ৰস্তুতি। ৫ জুনৰ পৰা ২৫ জুলাইলৈ গেৰুৱা স্কুল খেলপথাৰত অনুষ্ঠিত হব দিবা ক্ৰীকেট লীগখনি। সেই উপলক্ষে আজি নিজগেৰুৱা গাঁও পঞ্চায়ত প্ৰেক্ষাগৃহত নটা ক্ৰীকেট দলৰ স্বত্বাধিকাৰী সকলৰ উপস্থিতিত ১৯০জন ক্ৰীকেটাৰৰ নিলাম কাৰ্যসূচী সম্পন্ন হয়। নিলাম কাৰ্যসূচীৰ শুভাৰম্ভ কৰে কুশতলি নিজ গেৰুৱা জিলা পৰিষদৰ সদস্য প্ৰশান্ত হাজৰিকাই। শুভাৰম্ভ অনুষ্ঠান টিত অতিথি হিছাবে উপস্থিত থাকে তিৱা স্বায়ত্ত পৰিষদৰ প্ৰাক্তন উপ মুখ্য কাৰ্যবাহী সদস্য বিপিন বৰদলৈ আৰু প্ৰণৱ গোস্বামী। উল্লেখ্য যে প্ৰতিযোগিতা খনিৰ শ্ৰেষ্ঠ আৰু ৰানাৰছাপ খিতাপ লাভ কৰা দল দুটিয়ে বঁটাৰ লগতে ক্ৰমে ৫০ হাজাৰ আৰু ৩০ হাজাৰ নগদ ধন লাভ কৰিব। লগতে খেলুৱৈ সকলৰ বাবে থাকিব কেবাটাও শিতানত বঁটা। বঁটা সমূহ আগবঢ়াইছে স্থানীয় চিকিৎসক ডাঃ বিশ্বজিৎ বৰদলৈয়ে। আজি অনুষ্ঠিত অনুষ্ঠানৰ জৰিয়তে হস্তিনাপুৰ গোটৰ সভাপতি আৰু সম্পাদক ক্ৰমে - মিহিৰাম বৰদলৈ আৰু ৰঞ্জিত বৰদলৈয়ে সকলো দলৰ আন্তৰিকতাপূৰ্ণ সহযোগিতা কামনা কৰিছে খেলখনত।

## শিঙৰীত আৰক্ষীৰ ধাৰাবাহিক অভিযানত পুনৰ সাফল্য

### শিঙৰী আৰক্ষী চকী এলেকাত অনৈতিক কাৰ্য চলাবলৈ দিয়া নহ'ব ঃ চমদন স্বৰ্গীয়াৰী

# শিঙৰী আৰক্ষীৰ বৃহৎ সফলতা; ৫ গৰু সৰবৰাহকাৰী আটক, ১২ টাকৈ গৰু উদ্ধাৰ

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৬ মে' ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত শিঙৰী আৰক্ষী চকীৰ আৰক্ষীয়ে পুনৰ এক বৃহৎ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। গৰু সৰবৰাহ তথা চোৰাং ব্যৱসায়ৰ বিৰুদ্ধে চলোৱা এক বিশেষ অভিযানত আৰক্ষীয়ে পাঁচগৰাকী লোকক আটক কৰাৰ লগতে ১২ টাকৈ গৰু উদ্ধাৰ কৰে। ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। উল্লেখ্য যে শিঙৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া চমদন স্বৰ্গীয়াৰীৰ নেতৃত্বত আৰু এ এছ আই দীপক মালাকাৰৰ সহযোগত বিগত কিছুদিন ধৰি আৰক্ষীয়ে অপৰাধজনিত বিভিন্ন কাৰ্যকলাপৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে। বিশেষকৈ গৰু চুৰি, গৰু সৰবৰাহ, চোৰাং বেহা আদি কাৰ্য ৰোধৰ বাবে আৰক্ষীয়ে নিয়মীয়া তালাচী আৰু অভিযান অব্যাহত ৰাখিছে। এই অভিযানৰ সময়ত আৰক্ষীয়ে ৩৫ বছৰীয়া তফাজুল ইছলাম, ৩৩ বছৰীয়া হাছেন আলী, ৩৬ বছৰীয়া ছাহাব উদ্দিন, ৪৫ বছৰীয়া নুৰুল আমিন আৰু আব্দুল কাদিৰ নামৰ আন এজন লোকক আটক কৰে। আটকাধীন লোকসকলক সোধ-পোছ অব্যাহত ৰাখিছে আৰক্ষীয়ে। এই ঘটনাৰ সৈতে আৰু কোনোবা জড়িত আছে নেকি অথবা বৃহৎ কোনো গৰু সৰবৰাহ চক্ৰ জড়িত আছে নেকি সেই বিষয়েও তদন্ত চলাই আছে শিঙৰী আৰক্ষীয়ে। ইফালে আৰক্ষীৰ এই সফল অভিযানক স্থানীয় ৰাইজে আদৰণি জনোৱাৰ লগতে শিঙৰী অঞ্চলত বৰ্ধিত অপৰাধ নিয়ন্ত্ৰণত আৰক্ষীৰ ভূমিকাক প্ৰশংসা কৰিছে। ৰাইজৰ মতে আৰক্ষীৰ এনে তৎপৰতাৰ ফলত অঞ্চলটোত অপৰাধমূলক কাৰ্যকলাপ বহু পৰিমাণে হ্ৰাস পাব।

# মঙলদৈৰ প্ৰজ্ঞাশ্ৰী শৰ্মাই লাভ কৰিলে যুৱ শিল্পী বৃত্তি

**অসম বাৰ্তা, মঙলদৈ, ২৬ মে' ঃ** মঙলদৈ ভেবাৰঘাট গাঁওবুঢ়াপাৰাৰ প্ৰজ্ঞাশ্ৰী শৰ্মাই ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ সাংস্কৃতিক সম্পদ আৰু প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা লোকগীতৰ যুৱ শিল্পী বৃত্তিৰ বঁটা লাভ কৰাত মঙলদৈৰ সাংস্কৃতিক মহলত আনন্দৰ জোঁৱাৰ উঠিছে। অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া তথা সমাজ হিতৈষী হৰি চন্দ্ৰ শৰ্মা আৰু মৃণালিনী শৰ্মাৰ কনিষ্ঠা কন্যা প্ৰজ্ঞাশ্ৰী শৰ্মাই এই স্বীকৃতি আমাৰ চহকী লোকসংস্কৃতি আৰু পৰম্পৰা ৰক্ষাৰ দিশত কাম কৰা যুৱ শিল্পীসকলৰ বাবে এক প্ৰেৰণাৰ উৎস বুলি মন্তব্য প্ৰকাশ কৰিছে। মুখৰ মাত ফুটাৰে পৰাই গীতৰ প্ৰতি এক বিশেষ ৰাপ থকা বাবেই পিতৃ-মাতৃ আৰু শুভাকাংক্ষী সকলে তেওঁ উৎসাহ দি আহিছে। প্ৰজ্ঞাশ্ৰীয়ে মঙলদৈ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ পৰা ২০১৮ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটী বেলতলাস্থিত এচেণ্ট একাডেমীৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হয়। পিছত পাঞ্জাবাৰীস্থিত লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা ৰাজ্যিক সংগীত মহাবিদ্যালয়ৰ পৰা ২০২৪ বৰ্ষত তিনিবছৰীয়া স্নাতক ডিগ্ৰী অৰ্জন কৰি বৰ্তমান মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশ্ববিদ্যালয়ত শেষ যাণ্মাসিকৰ ছাত্ৰী হিচাপে শিক্ষাগ্ৰহণ কৰি আছে। প্ৰজ্ঞাশ্ৰী মঙলদৈ মিলিজুলি মইনা পাৰিজাতৰ প্ৰাক্তন মইনা, বৰ্তমান অসম সাহিত্য সভাৰ আজীৱন সদস্যা, ভাৰতীয় ৰেডক্ৰছ ছ'চাইটীৰ আজীৱন সদস্যা হোৱাৰ লগতে পশুপ্ৰেমী হিচাপেও নিজৰ কৰ্মযাত্ৰা অটুট ৰাখিবলৈ সক্ষম হৈছে।

# বিহালী বৰাজুলী গাঁৱত বৰ্ণাঢ্য শ্ৰীশ্ৰী মদ্ভাগৱত পাঠ আৰু ব্যাখ্যা; কৃতিমান ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**অসম বাৰ্তা, জিনজিয়া, ২৬ মে' ঃ** বিহালী বৰাজুলী নামঘৰত বৰাজুলী যুৱক সংঘ আৰু বৰাজুলী ৰঙালী বিহু সন্মিলন উদ্যোগত আৰু বৰাজুলী গাঁৱৰ ৰাইজৰ সহযোগত দুদিনীয়াকৈ শ্ৰীশ্ৰী মদ্ভাগৱত পাঠ ও ব্যাখ্যাৰ এক ধৰ্মীয় অনুষ্ঠানৰ আয়োজন কৰা হয় শতাধিক গোপ সমস্ত গোপিনী সমস্তই অনুষ্ঠান ভাগত উপস্থিত থাকি ভক্তি ৰসত বুৰ যোৱা পৰিলক্ষিত হয়। ভাগৱত পাঠ ভাগত উল্লেখযোগ্য কথাটো হ'ল যে ভাগৱত পাঠ আৰু ব্যাখ্যাকাৰ হিচাপে গহপুৰৰ বিষ্ণু থানৰ জিণ্টু গগৈদেৱ আৰু খৰাশিমলুৰ বিনিত বৰাদেৱ আছে যদিও ইয়াৰে বিনিত বৰাদেৱ বিশেষ ভাবে সক্ষম অৰ্থাৎ তেওঁ দৃষ্টিহীন। পিছে তেখেতে যি সাৱলীল সুৰ সঞ্চাৰৰে পাঠৰ লগতে ব্যাখ্যা দাঙি ধৰিলে উপস্থিত সকলোকে সেই ৰস পান কৰি তিনি ঘণ্টা ধৰি মোহাচ্ছন্ন কৰি ৰাখে। ইয়াৰ লগতে ভাগৱত পাঠৰ লগত সংগতি ৰাখি গাঁওখনৰ কৃতি ছাত্ৰ-ছাত্ৰী সকলকো সম্বৰ্ধনা জনোৱা হয়।

## সোধা-পোছাৰ বাবে দুজনক আটক

# চামগুৰিত গো-মাংসৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান

**অসম বাৰ্তা, পুৰণিগুদাম, ২৬ মে' ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে আজি চামগুৰিৰ দেওবৰীয়া সাপ্তাহিক বজাৰৰ এখন হোটেলত গো-মাংসৰ বিৰুদ্ধে অভিমান চলাই সোধাপোছাৰ বাবে দুজন লোকক আটক কৰে। জানিব পৰা মতে, গো-মাংস বিক্ৰী কৰাৰ বিৰুদ্ধে থকা অভিযোগৰ ভিত্তিত আজি চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে চামগুৰি সাপ্তাহিক বজাৰৰ এখন হোটেলত অভিযান চলায়। আৰক্ষীয়ে অভিযান চলোৱাৰ উমান পায় হোটেলখনৰ কৰ্মচাৰীয়ে গো-মাংস লুকুৱাই দিয়াৰ সন্দেহ প্ৰকাশ কৰে আৰক্ষীয়ে। পৰৱৰ্তী সময়ত হোটেলখনত গো-মাংস বিক্ৰী কৰাৰ সন্দেহত আমিৰ দেৱান আৰু কলাচান্দ দেৱান নামৰ লোক দুজনক আৰক্ষীয়ে সোধাপোছাৰ কাৰণে আটক কৰে বুলি জানিব পৰা গৈছে। চামগুৰিৰ সাপ্তাহিক বজাৰৰ উক্ত ভাতৰ হোটেলখনত দীৰ্ঘদিন ধৰি অবৈধভাৱে গো-মাংস বিক্ৰী কৰি আহিছে বুলি অভিযোগ উত্থাপিত হৈ আহিছে। চামগুৰি আৰক্ষীয়ে সোধাপোছাৰ কাৰণে আটক কৰা লোক দুজনক আৰু অধিক তথ্যৰ বাবে বৰ্তমান চামগুৰি আৰক্ষী থানাত জেৰা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# নলবাৰীৰ বনগাঁৱৰ জেকেকে শিক্ষা প্ৰতিষ্ঠানত কথন আৰু পঠন ক্ৰিয়া-কলাপেৰে চিত্ৰকলাৰ বিশেষ পাঠদান

**অসম বাৰ্তা, চামতা, ২৬ মে' ঃ** নলবাৰী জিলাৰ ৪০ নং টিহু বিধানসভা সমষ্টিৰ অন্তৰ্গত ২৩ নং বনগাঁও গাঁও পঞ্চায়তৰ ওপৰ মহলাত থকা জেকেকে শিক্ষা প্ৰতিষ্ঠানত চিত্ৰকলাৰ পাঠদানেৰে আকৰ্ষণ কৰিলে শিক্ষাৰ্থীক। শিক্ষা প্ৰতিষ্ঠানখনৰ মুখ্য পৰিচালন সঞ্চালক মীৰাৰাণী ডেকা, পৰিচালন সঞ্চালক চিত্তৰঞ্জন শৰ্মা আৰু কাৰ্যবাহী পৰিচালন সঞ্চালক হিচাপে দায়িত্বত থকা নলবাৰীৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যৰ দৰে তিনিগৰাকীকৈ শিক্ষাব্ৰতীৰ তত্বাৱধানত একাণপতীয়া প্ৰচেষ্টাৰে গাঁও পঞ্চায়তখনৰ সৌজন্যত চলাই থকা বিদ্যায়তনিক পাঠদানৰ সমান্তৰালভাৱে সহ বিদ্যায়তনিক পাঠদানৰ ওপৰতো সমানেই গুৰুত্ব প্ৰদান কৰি আহিছে। শিক্ষা প্ৰতিষ্ঠানখনত প্ৰতি শুকুৰবাৰ আৰু শনিবাৰে বিয়লি ৪ বজাৰ পৰা শিক্ষক ব্ৰজেন তালুকদাৰৰ দ্বাৰা পাঠদান কৰি অহা চিত্ৰকলা বিষয়ৰ ওপৰত কালি বিশেষ অন্য এক ব্যতিক্ৰম শৈলীৰে শিক্ষাৰ্থীসকলক পাঠদান কৰে জ্যেষ্ঠ চিত্ৰশিল্পী দিগন্ত বৰ্মনে। কথন আৰু পঠন ক্ৰিয়াকলাপৰ মাজেৰে মনোগ্ৰাহী কৰি তোলা চিত্ৰকলাৰ উক্ত বিশেষ পাঠ গ্ৰহণ কৰি শিক্ষাৰ্থীসকলক উৎফুল্ল হৈ পৰা দেখা যায়। প্ৰায় অৰ্ধশতাধিক শিক্ষাৰ্থীয়ে চিত্ৰকলাৰ পাঠ গ্ৰহণ কৰে। উল্লেখ্য যে, পহিলা জুনৰ পৰা শিক্ষা প্ৰতিষ্ঠানখনত পুৱাৰ ভাগত যোগ-প্ৰাণায়াম আৰু দিনৰ সময়ছোৱাত কম্পিউটাৰ শিক্ষাৰ নিয়মিত শিক্ষাদানৰ ব্যৱস্থা কৰা হ'ব বুলি জানিবলৈ দিয়ে শিক্ষক কমল কুমাৰ তালুকদাৰে। জেকেকে শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যই শিক্ষা প্ৰতিষ্ঠানখনত বিভিন্ন বিষয় সামৰি পাঠ সংযোজন কৰি সুস্থ তথা পৰিশীলিত মানৱ জীৱনশৈলীৰ বাবে প্ৰয়োজনীয় সৰ্বদিশেৰে অঞ্চলটোৰ লোকক পোহৰমুখী পথৰ সন্ধান দিয়াৰ অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখি যাব বুলি জানিবলৈ দিয়ে।

# আন্তঃৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাত দক্ষিণ কামৰূপ কাৰাটে একাডেমীৰ জয়যাত্ৰা

## সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পদকেৰে জিলিকিল মিৰ্জাৰ উদীয়মান খেলুৱৈ

**অসম বাৰ্তা, মিৰ্জা, ২৬ মে' ঃ** দিছপুৰস্থিত ভোগেশ্বৰী ফুকননী ইনডোৰ ষ্টেডিয়ামত শেহতীয়াকৈ অনুষ্ঠিত হৈ যোৱা এক আন্তঃৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাত মিৰ্জাস্থিত 'দক্ষিণ কামৰূপ কাৰাটে একাডেমী'ৰ প্ৰতিযোগীসকলে নিজৰ দক্ষতাৰ স্বাক্ষৰ ৰাখি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। ১৪ খনকৈ ৰাজ্যৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাত অসমৰ পৰা অহা ৩০০ৰো অধিক প্ৰতিযোগীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। কঠোৰ অনুশীলন আৰু দৃঢ় মনোবলৰ বলত দক্ষিণ কামৰূপ কাৰাটে একাডেমীৰ খেলুৱৈসকলে পদক অৰ্জন কৰি একাডেমীখনৰ লগতে সমগ্ৰ অঞ্চলটোৰ বাবে আনন্দৰ বন্যা কঢ়িয়াই আনে। প্ৰতিযোগিতাত একাডেমীখনৰ পৰা সফলতা অৰ্জন কৰা খেলুৱৈসকল হ'ল- সোণৰ পদক বিজয়ী: প্ৰত্যাশা কলিতা, নিচাৰ জাহান আৰু বিস্মিতা কলিতা, ৰূপৰ পদক বিজয়ী: চায়ান মহন্ত আৰু আঞ্চ ঠাকুৰীয়া, ব্ৰঞ্জৰ পদক বিজয়ী: তেহজিব ৰহমান আৰু চায়ান মহন্ত। এই গৌৰৱোজ্জ্বল সাফল্যৰ পিছতে আজি একাডেমীৰ তৰফৰ পৰা এটি বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত সফল খেলুৱৈসকলক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰা হয়। একাডেমীৰ প্ৰশিক্ষকসকলে খেলুৱৈসকলৰ এই প্ৰদৰ্শনত সন্তোষ প্ৰকাশ কৰি কয় যে, "এই জয়ে আমাৰ একাডেমীৰ খেলুৱৈসকলৰ প্ৰতিভাৰ প্ৰমাণ দিছে। আমি আশাবাদী যে অনাগত দিনত তেওঁলোকে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ইয়াতকৈও অধিক উন্নত প্ৰদৰ্শন দাঙি ধৰি দেশৰ নাম উজ্জ্বলাই তুলিব।" এই প্ৰতিযোগিতাত দেখুওৱা খেলুৱৈসকলৰ দক্ষতাৰ বাবে এতিয়া চৌদিশৰ পৰা তেওঁলোকক অভিনন্দন জনোৱা পৰিলক্ষিত হৈছে।

# জাতীয় বিদ্যালয় ৰাজ্যিক বৃত্তি পৰীক্ষাত উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ৰ কৃতিত্ব

**অসম বাৰ্তা, নিমাতীঘাট, ২৬ মে' ঃ** জাতীয় বিদ্যালয় ৰাজ্যিক বৃত্তি পৰীক্ষা-২০২৫-২৬ত উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ৰ ৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বৃত্তি লাভ কৰি জলপানি পাবলৈ সক্ষম হোৱাৰ লগতে ৯ গৰাকীয়ে বিশেষ যোগ্যতা লাভ কৰিবলৈ সক্ষম হয়। যোৱা ২৩ মে' তাৰিখে যোৰহাট জিলা জাতীয় বিদ্যালয় সমন্বয় সমিতিৰ সৌজন্যত মৰিয়নীত অনুষ্ঠিত, মৰিয়নী জাতীয় বিদ্যাপীঠ আৰু পাৰিজাত জাতীয় বিদ্যালয়ৰ আতিথ্যত অনুষ্ঠিত সভাত জলপানীৰ লগতে প্ৰশংসা পত্ৰ প্ৰদান কৰা হয়। গ্ৰাম্যাঞ্চলত অনুষ্ঠিত উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ৰ এই সফলতাত অঞ্চলবাসীয়ে সন্তোষ প্ৰকাশ কৰিছে।

# অবড়ো সুৰক্ষা সমিতিৰ কাৰ্যনিৰ্বাহক সভাত যোগেশ্বৰ কলিতাক পুনৰ সাধাৰণ সম্পাদকৰ দায়িত্ব অৰ্পণ

**অসম বাৰ্তা, কুমুল্লীপাৰা, ২৬ মে' ঃ** অবড়ো সুৰক্ষা সমিতিৰ এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা আজি দিনৰ ১২ বজাত হাউলী ক্ৰীড়া সন্থাৰ কাৰ্যালয় প্ৰাঙ্গণত অনুষ্ঠিত হয়। সংগঠনটোৰ বিভিন্ন সাংগঠনিক বিষয় আৰু আগন্তুক কৰ্মসূচীক লৈ অনুষ্ঠিত হোৱা সভাখনত সদস্যসকলৰ উপস্থিতিত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাখনত পূৰ্বে পদত্যাগ কৰা সংগঠনটোৰ সাধাৰণ সম্পাদক যোগেশ্বৰ কলিতাক পুনৰবাৰ সাধাৰণ সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হয়। উপস্থিত সদস্যসকলে ঐক্যমত্যৰে এই সিদ্ধান্ত গ্ৰহণ কৰে। সভাত সংগঠনটোৰ সাংগঠনিক শক্তি অধিক সুদৃঢ় কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে সমাজৰ বিভিন্ন সমস্যা আৰু জনস্বাৰ্থজড়িত বিষয়সমূহত আগন্তুক দিনত অধিক সক্ৰিয়ভাৱে কাম কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো আলোচনা কৰা হয়। নৱনিযুক্ত সাধাৰণ সম্পাদক যোগেশ্বৰ কলিতাই সংগঠনৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি আগন্তুক দিনত সংগঠনটোক অধিক শক্তিশালী আৰু সক্ৰিয় ৰূপত গঢ়ি তোলাৰ বাবে সকলো সদস্যৰ সহযোগিতা কামনা কৰে।

# বিকাশ আৰু উন্নয়নহে বিচাৰে ৰাইজে, পৰচৰ্চা

শান্তি পৰিস্থিতি, স্বাস্থ্য, শিক্ষা আৰু নিজৰ পৰিয়ালৰ বিৰুদ্ধে কৰা ব্যক্তিগত আক্ৰমণৰ বিষয়েও সদনত বিস্তৃতভাৱে ভাষণ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে পূৰ্বে অসম হিংসা, বন্ধ, ধৰ্মঘট আৰু বোমা বিস্ফোৰণৰ বাবে পৰিচিত আছিল। কিন্তু ২০১৬ চনৰ পৰা শান্তি পুনৰুদ্ধাৰৰ পদক্ষেপ আৰম্ভ হোৱাৰ পিছত এই পৰিস্থিতিৰ সম্পূৰ্ণ পৰিৱৰ্তন ঘটিছে। তেওঁ দাবী কৰে, "বৰ্তমান ৰাজ্যখন হিংসাবৰ্জিত ৰাজ্যলৈ ৰূপান্তৰিত হৈছে। বিগত সময়ত এজনো আৰক্ষীৰ লোক বা সাধাৰণ নাগৰিকৰ হিংসাত মৃত্যু হোৱা নাই। ছয় হাজাৰৰো অধিক যুৱক মূল সোঁতলৈ উভতি আহিছে। অসমৰ নতুন প্ৰজন্মই আমি দেখা সংকটৰ দিনবোৰ দেখা নাই। ৰাজ্যত শান্তি, সমৃদ্ধি আৰু বিকাশৰ নতুন গংগা বৈছে।" অৰ্থনৈতিক প্ৰগতি সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়, "এসময়ত অসম কেন্দ্ৰীয় অনুদানৰ ওপৰত নিৰ্ভৰশীল আছিল। কিন্তু যোৱা পাঁচ বছৰৰ প্ৰচেষ্টাত ২০২১-২২ চনত অসমৰ জিডিপি আছিল ৪ লাখ কোটি টকা। এইবছৰ সেয়া ৮ লাখ ৭১ হাজাৰ কোটি টকালৈ বৃদ্ধি পাব। ২০২৮ চনত অসম ১০ লাখ কোটি টকাৰ অৰ্থনীতিৰ ৰাজ্য হ'ব। নীতি আয়োগৰ তথ্য অনুসৰি ৰাজ্যৰ ৩৫ শতাংশ জনসংখ্যা দৰিদ্ৰতাৰ সীমাৰেখাৰ পৰা ওলাই আহিব পাৰিছে। বৰ্তমান ১৭ শতাংশ লোক দৰিদ্ৰতাৰ তলত আছে, অহা পাঁচ বছৰত সেই হাৰ ২-৩ শতাংশলৈ হ্ৰাস কৰা হ'ব।" মুখ্যমন্ত্ৰীয়ে গৰ্বৰে কয় যে প্ৰসূতি মৃত্যুৰ হাৰত অসমে যথেষ্ট উন্নতি কৰিছে। "২০০৬ চনত অসমত প্ৰসূতি মৃত্যুৰ হাৰ আছিল ৪৮০ (প্ৰতি এক লাখত) য'ত দেশৰ গড় আছিল ২৫৪। শেহতীয়া বুলেটিন অনুসৰি অসমত এতিয়া এই হাৰ মাত্ৰ ৮৪ লৈ হ্ৰাস পাইছে। দেশৰ গড় ৮৭। লগতে ৰাজ্যত ১৪খন চিকিৎসা মহাবিদ্যালয় সম্পূৰ্ণ হৈছে, ১১খন নিৰ্মাণাধীন। প্ৰতিখন জিলাতে চিকিৎসা মহাবিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় স্থাপনৰ সপোন বাস্তৱায়িত কৰাৰ দিশত আগবাঢ়িছোঁ।" নিৰ্বাচনৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, "এই নিৰ্বাচনে প্ৰমাণ কৰিলে যে ৰাইজে ব্যক্তিগত আক্ৰমণ সমৰ্থন নকৰে। কোনো দলে মুখ্যমন্ত্ৰীৰ পৰিয়ালক আক্ৰমণ কৰি, পত্নীৰ তিনিখন ৰাষ্ট্ৰৰ পাছপ'ৰ্ট থকা বুলি ভুৱা প্ৰচাৰ চলাই জনতাক বিভ্ৰান্ত কৰিব বিচাৰিছিল। মোৰ পত্নীৰ সেন্দূৰলৈকে প্ৰশ্ন উত্থাপন কৰা হৈছিল। কিন্তু অসমৰ ৰাইজে কি উত্তৰ দিলে ? তেওঁলোকে বিকাশ আৰু উন্নয়নক সমৰ্থন কৰিলে। দুই ট্ৰাক লিফলেট বানচি, দুই লাখ লিফলেট বিলাই বদনাম কৰাৰ চেষ্টা বিফল কৰিলে।" যোৰহাটৰ প্ৰসংগত তেওঁ কয়, "যোৰহাটৰ উৰণসেতুৰ বিৰোধিতা কৰা বাবেই অসমৰ এজন শক্তিশালী নেতা যোৰহাটত লজ্জাজনকভাৱে হাৰিবলগীয়া হৈছিল। সেই নেতাই নিজে দিল্লীত থাকিব বিচাৰে, কিন্তু অসমৰ ৰাইজে সকলো বুজি পায়।" মুখ্যমন্ত্ৰীয়ে পাঁচ বছৰৰ বাবে কেইবাটাও লক্ষ্য নিৰ্ধাৰণ কৰে। তাৰ ভিতৰত আছে — অবৈধ বাংলাদেশীক ঘূৰাই পঠোৱা, বেদখলকৃত মাটি উদ্ধাৰ, যুৱক-যুৱতীক চৰকাৰী চাকৰি (দুই লাখ), দহ লাখক কৰ্মসংস্থাপনৰ বাট দেখুওৱা, মহিলা আত্মসহায়ক গোটৰ বিকাশ, চাহ শ্ৰমিকৰ দৰমহা ৪৫০ টকালৈ বৃদ্ধি কৰা আদি। তেওঁ কয়, "উদ্যোগীকৰণ নহ'লে অসমৰ যুৱসমাজ বাহিৰলৈ যাব লাগিব। আমি বিচাৰোঁ কোনেও বাহিৰলৈ নাযায়।"

# জনগাঁথনিগত পৰিৱৰ্তনৰ

পৰিৱৰ্তনৰ তদন্তৰ বাবে এখন উচ্চস্তৰীয় সমিতি গঠনৰ কথা ঘোষণা কৰে। তেওঁ এই পৰিৱৰ্তনক ৰাষ্ট্ৰীয় নিৰাপত্তা, সাৰ্বভৌমত্ব আৰু সামাজিক স্থিতিশীলতাৰ ওপৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলোৱা এক জটিল প্ৰত্যাহ্বান বুলি অভিহিত কৰে। বিগত বৰ্ষৰ স্বাধীনতা দিৱসত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰা ঘোষণাৰ পৰৱৰ্তী পদক্ষেপ হিচাপে গৃহমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যম এক্সত এই ঘোষণা কৰে। তেওঁ লিখে, "অনুপ্ৰৱেশ আৰু অন্যান্য কাৰণত হোৱা অস্বাভাৱিক জনগাঁথনিৰ পৰিৱৰ্তন যিকোনো জাতিৰ বৰ্তমান আৰু ভৱিষ্যতৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান।" মন্ত্ৰী শ্বাহে উল্লেখ কৰে যে এই প্ৰত্যাহ্বান মোকাবিলা কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে ২০২৫ চনৰ ১৫ আগষ্টত সমিতি গঠনৰ কথা ঘোষণা কৰিছিল আৰু এতিয়া চৰকাৰে সেয়া বাস্তৱায়িত কৰিছে। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া সচিব (বিদেশ-I) এই সমিতিৰ সদস্য সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰিব। সমিতিৰ পৰিসৰ সন্দৰ্ভত গৃহমন্ত্ৰীগৰাকীয়ে কয়, "জনগাঁথনিগত পৰিৱৰ্তন কেৱল আমাৰ সাৰ্বভৌমত্বৰ সৈতেই জড়িত নহয়, ৰাষ্ট্ৰীয় নিৰাপত্তা, আইন-শৃংখলা, সামাজিক গাঁথনিৰ দৃঢ় পৰিৱৰ্তন আৰু জনজাতীয় সমাজৰ সুৰক্ষাৰ সৈতেও জড়িত।" উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ প্ৰকাশ প্ৰভাকৰ নাওলেকাৰৰ নেতৃত্বত গঠিত সমিতিখনৰ অন্য সদস্যসকল হৈছে— লোকপিয়ল আয়ুক্ত, প্ৰাক্তন আইএএছ বিষয়া দুৰ্গাশংকৰ মিশ্ৰ, প্ৰাক্তন আইপিএছ বিষয়া বালাজী শ্ৰীবাস্তৱ আৰু অৰ্থনীতিবিদ শমিকা ৰবি। সমিতিখনে সমগ্ৰ দেশতে জনগাঁথনিগত পৰিৱৰ্তনৰ বিস্তৃত মূল্যায়ন কৰিব। ইয়াত অবৈধ অনুপ্ৰৱেশ আৰু অন্যান্য অস্বাভাৱিক কাৰণৰ ফলত হোৱা পৰিৱৰ্তনসমূহ সূক্ষ্মভাৱে পৰীক্ষা কৰা হ'ব। লগতে ধৰ্মীয় আৰু সামাজিক সম্প্ৰদায়ৰ পৰ্যায়ত জনসংখ্যাৰ অস্বাভাৱিক পৰিৱৰ্তনৰ আৰ্হি বিশ্লেষণ কৰি পৰিকল্পিত আৰু সময়সীমাবদ্ধ সমাধানৰ প্ৰস্তাৱ দিয়া হ'ব। বিষয়াসকলৰ মতে, সমিতিখনে তথ্যৰ ধাৰাসমূহ অধ্যয়ন কৰি, অংশীদাৰসকলৰ সৈতে পৰামৰ্শ কৰি নীতিগত ব্যৱস্থাৰ পৰামৰ্শ আগবঢ়াব। নিৰ্দিষ্ট সময়সীমাৰ ভিতৰতে প্ৰতিবেদন দাখিল কৰি কাৰ্যকৰী ব্যৱস্থাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। গৃহমন্ত্ৰী শ্বাহে পুনৰ উল্লেখ কৰে, "আমি ইচ্ছাকৃত আৰু নিৰ্ণায়ক কাৰ্যৰ জৰিয়তে দেশৰ অখণ্ডতা আৰু ইয়াৰ সামাজিক তন্ত্ৰ ৰক্ষাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।"

# বকৰিদৰ পূৰ্বে গো-হত্যা সম্পূৰ্ণ ৰুদ্ধৰ দাবীত

ৰাজহুৱা স্বাৰ্থ জড়িত আৱেদন (পিআইএল)ৰ তাৎক্ষণিক শুনানি গ্ৰহণৰ পৰা বিৰত থাকে। মুখ্য ন্যায়াধীশ সূৰ্য কান্তৰ নেতৃত্বাধীন খণ্ডপীঠখনে এই প্ৰসংগত তীক্ষ্ণ মন্তব্য কৰি কয় যে উৎসৱৰ একেবাৰে শেষ মুহূৰ্তত ন্যায়ালয়ৰ কাষ চপাৰ কোনো যুক্তিসংগততা নাই। গতিকে এই আবেদনখনৰ জৰুৰী শুনানিৰ কোনো আৱশ্যক নোহোৱা বুলি খণ্ডপীঠে স্পষ্ট কৰে। মঙলবাৰে অধিবক্তা বৰুণ কুমাৰ সিনহাই বিষয়টো খণ্ডপীঠৰ সন্মুখত উত্থাপন কৰি জৰুৰী শুনানিৰ বাবে অনুৰোধ জনায়। অধিবক্তাগৰাকীয়ে ন্যায়ালয়ক অৱগত কৰে যে পৰহি পৱিত্ৰ বকৰিদ, সেয়ে গো-হত্যা প্ৰতিৰোধী আইন কঠোৰভাৱে বলৱৎ কৰাৰ স্বাৰ্থত বুধবাৰে (আজি) এই আৱেদনৰ শুনানি গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয়। কিন্তু এই অনুৰোধৰ প্ৰত্যুত্তৰত মুখ্য ন্যায়াধীশ সূৰ্য কান্তৰ খণ্ডপীঠে অসন্তুষ্টি প্ৰকাশ কৰি কয়, "আপোনালোকৰ এই কথাটো মনত পৰিল মাত্ৰ এদিন আগতহে। ইয়াত কোনো জৰুৰী বিষয় নাই। ধন্যবাদ।" মুখ্য ন্যায়াধীশৰ এই কটু মন্তব্যসহ ন্যায়ালয়ে আবেদনখনৰ তাৎক্ষণিক শুনানি সম্পূৰ্ণৰূপে নাকচ কৰে। উল্লেখ্য যে, অখিল ভাৰত হিন্দু মহাসভাৰ প্ৰাক্তন উপ-সভাপতি সতীশ কুমাৰ আগৰৱালাৰ দ্বাৰা এই ৰাজহুৱা স্বাৰ্থ জড়িত আৱেদনখন দাখিল কৰা হৈছিল। গো-মাতা আৰু ইয়াৰ বংশধৰসকলক হত্যাৰ পৰা ৰক্ষা কৰিবলৈ দেশত প্ৰচলিত গো-হত্যা বিৰোধী আইনসমূহ কঠোৰভাৱে বলৱৎ কৰাৰ নিৰ্দেশ বিচাৰি তেওঁ এই পিআইএল দাখিল কৰে। লগতে আইন অনুসৰি প্ৰতিখন ৰাজ্যত অৱস্থিত কছাইখানা বা বধ্যভূমিসমূহ নিয়ন্ত্ৰণৰ বাবে ৰাজ্য চৰকাৰসমূহক নিৰ্দিষ্ট নীতি-নিৰ্দেশনা জাৰি কৰিবলৈও আদেশ বিচাৰি আৱেদনত অনুৰোধ জনোৱা হৈছিল। এই পৰিস্থিতিত উচ্চতম ন্যায়ালয়ে বিষয়টোক জৰুৰীকালীন হিচাপে গ্ৰহণ নকৰাত বকৰিদৰ পূৰ্বে গো-হত্যা নিষিদ্ধকৰণ সন্দৰ্ভত ন্যায়ালয়ৰ ফালৰ পৰা কোনো নতুন নিৰ্দেশনা বা হস্তক্ষেপৰ সম্ভাৱনা নোহোৱা হৈ পৰে। আগন্তুক দিনত ন্যায়ালয়ৰ স্বাভাৱিক প্ৰক্ৰিয়াৰ মাজেৰেহে এই আবেদনখনৰ শুনানি গ্ৰহণ কৰা হ'ব নে নহয়, সেই সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।

# 'মায়াবিনী' আৰু 'দয়াবিনী'ক

দেখা লোকসকলে নিৰ্বাচনী ফলাফলত মুখথেকেচা খাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সদনত কয়, "এইবাৰৰ নিৰ্বাচনত আছিল 'মায়াবিনী' আৰু 'দয়াবিনী'। জুবিনৰ গান, শিল্প আৰু জীৱনে অজস্ৰ যুৱক-যুৱতীক প্ৰভাৱিত কৰি থাকিব। যিসকলে আজি জুবিনক লৈ ৰাজনীতি কৰি ফুৰিছে, তেওঁলোকেই এসময়ত জুবিনক কঠোৰ ভাষাৰে সমালোচনা কৰিছিল। সেই সময়ত মই ব্যক্তিগতভাৱে জুবিনৰ লগত থিয় হৈ আছিলোঁ। মই সদায় কৈছিলোঁ — জুবিন অসমৰ সম্পদ।" তেওঁ লগতে কয়, "জীৱিত অৱস্থাত যিসকলে জুবিনক সমালোচনা কৰিছিল, তেওঁলোকেই নিৰ্বাচনৰ সময়ত জুবিনৰ সমাধিলৈ গৈ ৰাজনীতি কৰিলে। দুখৰ বিষয় যে তেওঁলোকৰ মুখত 'মায়াবিনী' ওলোৱা নাছিল, ওলাইছিল 'দয়াবিনী'। বাংলাদেশৰ পৰা গায়ক অনা সমষ্টিৰ লোকসকল নিশাৰ ভিতৰতে জুবিনৰ সমৰ্থক হৈ পৰিল। বৰপেটাৰ বহু অঞ্চলত জুবিনৰ অনুষ্ঠান হোৱা নাছিল, কিন্তু সমাধিলৈ বাছে বাছে মানুহ আহিছিল। আমি 'মায়াবিনী'সকল ক'ৰবাত পিছুৱাই গ'লোঁ, আৰু 'দয়াবিনী'সকল আগুৱাই গ'ল। দয়াবিনীয়ে সমাধিক্ষেত্ৰ দখল কৰি ল'লে। কিন্তু এতিয়া কোনো নাই।" মুখ্যমন্ত্ৰীৰ এই বক্তব্যৰ পাছতে বিৰোধীৰ কেইজনমান বিধায়কে সৰৱ হৈ পৰে। এগৰাকী বিৰোধী বিধায়কে জুবিন গাৰ্গে বৰপেটাত অনুষ্ঠান কৰাৰ উদাহৰণ দাঙি ধৰি মুখ্যমন্ত্ৰীক সমাজখন ভাগ ভাগ নকৰিবলৈ আহ্বান জনায়। উত্তৰত মুখ্যমন্ত্ৰীয়ে স্পষ্টভাৱে কয়, "ভাগ কৰাই মোৰ কাম। মই ভাগ কৰোঁ — প্ৰকৃত অসমীয়া আৰু বাংলাদেশী। এই দুটা ভাগ আমি কৰিয়েই থাকিম। আপোনালোকে ইউচিচি সমৰ্থন কৰক।" নাম উল্লেখ নকৰাকৈ কংগ্ৰেছক টাৰ্গেট কৰি মুখ্যমন্ত্ৰীয়ে কয়, "এটা ৰাজনৈতিক দলে নিৰ্বাচনী ইস্তাহাৰত জুবিন গাৰ্গক লৈ আহিলে। নিৰ্বাচনৰ দিনা টেবুলত জুবিনৰ ফটো লগাই দিয়া হ'ল। নিৰ্বাচনৰ আগতে এটা বিশেষ ৰাজনৈতিক দলৰ কাৰ্যালয়ৰ সন্মুখত জুবিনৰ ফটো লগাই দিয়া হ'ল। অসমৰ ৰাইজে কি উত্তৰ দিলে ? ৰাইজে বুজাই দিলে যে জুবিন গাৰ্গক লৈ ৰাজনীতি নকৰিব, জুবিন গাৰ্গ ৰাইজৰ সম্পত্তি। তেওঁলোকে কিমান তললৈ যাব পাৰে, বৈ বৈ বিনালেৰ ঠাইত বৈ বৈ কেতেকী হ'ল। এই নিৰ্বাচনে আমাক দুটা কথা শিকাই গ'ল।" মুখ্যমন্ত্ৰীয়ে আৰও কয়, "অসমৰ মানুহে জাতীয় জীৱনৰ সিংহপুৰুষসকলক লৈ কৰা ৰাজনীতিক কেতিয়াও মানি নলয়। জুবিন গাৰ্গৰ নামত মুখ্যমন্ত্ৰী হোৱাৰ সপোন দেখিব নালাগে। অসমৰ ৰাইজে দেখুৱাই দিলে যে সেই সপোন সফল নহয়। ১৯ জনলৈ নমাই দিলে, আৰু সেই ১৯ জনৰ ভিতৰত ১৮ জনেই এটা বিশেষ সম্প্ৰদায়ৰ। নিৰ্বাচনে আমাক শিকাই থৈ গ'ল যে ৰাজনীতি কৰা মানুহৰ কেতিয়াও অহংকাৰ হ'ব নালাগে। লোকসভাত জিকি গৌৰৱ আৰু অহংকাৰ হোৱা বাবে বিধানসভাতে হৰুৱাই দিলে।"

# মীন বিভাগৰ কেলেংকাৰীৰ বিৰুদ্ধে ৰাজ্যজুৰি দুৰ্নীতি

ভিতৰত এচিএছ বিষয়াও আছে। দুৰ্নীতি নিবাৰক শাখাৰ জালত পৰা সাতজন হৈছে— এচিএছ বিষয়া অনুৰাধা অধিকাৰী শৰ্মা, কাৰ্যবাহী অভিযন্তা জ্যোতিষ শইকীয়া, সহকাৰী কাৰ্যবাহী অভিযন্তা বিৰিঞ্চি অধিকাৰী, সহকাৰী কাৰ্যবাহী অভিযন্তা জ্যোতি প্ৰসাদ শইকীয়া, সহকাৰী অভিযন্তা চবুৰুদ্দিন আহমেদ, প্ৰজেক্ট মেনেজাৰ ভাগীৰথ দাস আৰু সহকাৰী কাৰিকৰী বিষয়া ৰবীন্দ্ৰ নাৰায়ণ ডেকা। তদন্তকাৰী দলে অনুৰাধা অধিকাৰী শৰ্মাক গুৱাহাটীৰ কাহিলীপাৰা, জ্যোতিষ শইকীয়াক সাতগাঁও, বিৰিঞ্চি অধিকাৰীক গান্ধীবস্তি, চবুৰুদ্দিন আহমেদক হাতীগাঁও, জ্যোতি প্ৰসাদ শইকীয়াক ৰহা, ভাগীৰথ দাসক ধুবুৰীৰ গৌৰীপুৰ আৰু ৰবীন্দ্ৰ নাৰায়ণ ডেকাক নলবাৰীৰ বেলশৰৰ পৰা গ্ৰেপ্তাৰ কৰে। এই প্ৰসংগত দুৰ্নীতি নিবাৰক সঞ্চালকালয়ে প্ৰকাশ কৰা এক বিবৃতিত জনোৱা হয় যে মঙলবাৰে বজালীৰ পাটাছাৰকুছিত চলোৱা অভিযানত আন এজনক গ্ৰেপ্তাৰ কৰা হৈছে। এচিবি পিএছ গোচৰ নং 30/2023, IPC 120B, 406, 409 আৰু ধাৰা 13(1)(a), 13(2) PC Act 1988 অধীনত ৰুজু হোৱা গোচৰৰ ভিত্তিত এচিএছ বিষয়া নৰেন চন্দ্ৰ বসুমতাৰীক গ্ৰেপ্তাৰ কৰা হৈছে। এই গোচৰ অসম মীন উন্নয়ন নিগম লিমিটেড (AAFDCL)ৰ পুঁজি কেলেংকাৰীৰ সৈতে জড়িত। ইফালে, মীন বিভাগৰ বিতৰ্কিত কেলেংকাৰী ঘটনাৰ সন্দৰ্ভত মঙলবাৰে অৱসৰপ্ৰাপ্ত বিষয়া বিৰিঞ্চি অধিকাৰীৰ নতুন শৰণীয়াস্থিত আৰিয়ান এপাৰ্টমেণ্টত প্ৰায় সাত ঘণ্টা অভিযান চলায় দুৰ্নীতি নিবাৰক শাখাই। তেওঁৰ বাসগৃহৰ পৰা বৃহৎ পৰিমাণৰ নগদ ধন, বেংক একাউণ্টৰ তথ্য আৰু সম্পত্তিৰ নথি-পত্ৰ জব্দ কৰা হয়। পাছতে বিৰিঞ্চি অধিকাৰীক আটক কৰি ৰূপ নগৰ কাৰ্যালয়লৈ লৈ যোৱা হয়। উল্লেখ্য যে ইয়াৰ আগতে ২০২১-২৫ বিত্তীয় বৰ্ষত মীন বিভাগৰ নডেল অফিচাৰ সঞ্জয় তামুলী আৰু তেওঁৰ ভাতৃ বিজয় তামুলীক চিআইডিয়ে গ্ৰেপ্তাৰ কৰিছিল। তেওঁলোকে বিভাগটোৰ পৰা জালিয়াতিৰে ২ কোটি ৬০ লাখ টকা হৰলুক কৰাৰ অভিযোগ উঠে। চিআইডিৰ তদন্তত আঁচনিৰ ধন বিজয় তামুলীৰ বেংক একাউণ্টত জমা হোৱা বুলি পোহৰলৈ আহে। দুৰ্নীতি নিবাৰক শাখাৰ এই অভিযানে স্পষ্ট কৰি দিলে যে কেলেংকাৰীৰ লুটুৰি-পুতুৰিৰ পৰা ৰৌ-বৰালিলৈকে কোনেও ৰক্ষা নাপায়।

# জুবিন হত্যাৰ গোচৰৰ ৭

জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে ধাৰা ৩(৬), ৩(৭), ৩(৮), ৬১(২) R/W ১০৩(১), ৬১(২) R/W ৩১৬(৫); শ্যামকানু মহন্তৰ বিৰুদ্ধে ধাৰা ৩(৬), ৩(৭), ৩(৮), ৬১(২) R/W ১০৩(১), ৩০৮(২), ৩১৮(৪), ২৩৮; শেখৰ জ্যোতি গোস্বামীৰ বিৰুদ্ধে ধাৰা ৩(৬), ৩(৭), ৩(৮), ৬১(২) R/W ১০৩(১), ৩১৬(৫) আৰোপ কৰা হৈছে। একেদৰে অমৃতপ্ৰভা মহন্তৰ বিৰুদ্ধে ধাৰা ৩(৬), ৩(৭), ৩(৮), ৬১(২) R/W ১০৩(১), ২৩৮; সন্দীপন গাৰ্গৰ বিৰুদ্ধে ধাৰা ১০৫; নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ বিৰুদ্ধে ধাৰা ৬১(২) R/W ৩১৬(৫) আৰোপ কৰা হৈছে। চাৰ্জশ্বীটত দিয়া অভিযোগ অনুসৰি আদালতে এই ধাৰাসমূহ গৃহীত কৰে। অধিবক্তা জিয়াউৰ কামাৰে সাংবাদিকক জানিবলৈ দিয়া মতে, "আজি আদালতে দুই পক্ষৰ যুক্তি শুনাৰ পাছত ৭ অভিযুক্তৰ বিৰুদ্ধে চাৰ্জফ্ৰেমৰ ধাৰা আৰোপ কৰে। ৮ জুনৰ পৰা সাক্ষীৰ পৰীক্ষাৰ বাবে দিন ধাৰ্য কৰা হৈছে। তেতিয়াৰ পৰা প্ৰতিদিনে বিচাৰ প্ৰক্ৰিয়া চলিব। যিহেতু সাক্ষী প্ৰক্ৰিয়া আৰম্ভ হ'ব, গতিকে সাক্ষীৰ তালিকা জমা দিবলৈ আমাক নিৰ্দেশ দিয়া হৈছে।" তেওঁ লগতে কয়, "বিচাৰ প্ৰক্ৰিয়া ভাৰতীয় ন্যায় সংহিতা (BNSS)ৰ ৩৬, ৩৭ আৰু ৩৮ নং ধাৰাৰ অধীনত চলিব। সাতজন অভিযুক্তৰ ভিতৰত ছয়জনৰ বিৰুদ্ধে ষড়যন্ত্ৰৰ ধাৰা আছে। সন্দীপন গাৰ্গৰ বিৰুদ্ধে ষড়যন্ত্ৰৰ অভিযোগ নাই। আৰক্ষীৰ তদন্তত সন্তুষ্ট হৈ আদালতে চাৰ্জফ্ৰেম কৰিবলৈ নিৰ্দেশ দিছে। ২৯ মে'ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ জামিনৰ ওপৰত ৰায় দিয়াৰ সম্ভাৱনা আছে।" ইফালে, জুবিন গাৰ্গৰ পৰিয়ালৰ তৰফৰ পৰা গৰিমা শইকীয়া গাৰ্গে এই ৰায়দানত সন্তোষ প্ৰকাশ কৰি কয়, "আদালতৰ ওপৰত যিদৰে আস্থা ৰাখিছিলোঁ, আজি সেইদৰে ৰায়দান পালোঁ। ন্যায় ব্যৱস্থাৰ ওপৰত বিশ্বাস আছে, আমি ন্যায় পামেই। অভিযুক্তই কঠোৰতকৈ কঠোৰ শাস্তি পোৱাটো বিচাৰোঁ। ৮ জুনৰ পৰা সাক্ষী প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৩৯৪ গৰাকী সাক্ষী থকা বাবে বিচাৰ প্ৰক্ৰিয়া দীঘলীয়া হ'ব। আমি ধৈৰ্য্যেৰে বাট চাম।"

# ৰাজেদ আলী চৌধুৰী বিৰোধী

অৱশেষে আজি দলীয় নেতৃত্বই আনুষ্ঠানিকভাৱে এই ঘোষণা কৰে। অভিজ্ঞ ৰাজনীতিবিদ ৰাজেদ আলী চৌধুৰীয়ে ইতিমধ্যে ১৯৯৬, ২০০১, ২০১৬ আৰু ২০২১ চনত দক্ষিণ শালমাৰা সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈছে। লগতে ২০০৯ চনত দক্ষিণ শালমাৰা সমষ্টিৰ উপ-নিৰ্বাচনতো তেওঁ জয়লাভ কৰিছিল। আনফালে, ডাঃ জয় প্ৰকাশ দাসে নাওবৈচা সমষ্টিৰ পৰা প্ৰথমবাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হৈছে।

# 'এক জিলা, তিনি প্ৰতিষ্ঠান'ৰ লক্ষ্যৰে বিকেন্দ্ৰীকৃত উচ্চ

সামাজিক মাধ্যম 'X' (পূৰ্বৰ টুইটাৰ)ৰ জৰিয়তে এক গুৰুত্বপূৰ্ণ পোষ্ট শ্বেয়াৰ কৰি এই কথা ঘোষণা কৰে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তেওঁ স্পষ্টভাৱে উল্লেখ কৰে যে ৰাজ্যখনৰ উন্নয়নৰ পৰৱৰ্তী পৰ্যায়টো সম্পূৰ্ণৰূপে যুৱশক্তিৰ দ্বাৰাই পৰিচালিত হ'ব। ইয়াৰ বাবে প্ৰতিখন জিলাতে উচ্চ শিক্ষা আৰু পেছাদাৰী প্ৰতিষ্ঠান স্থাপনৰ এক শক্তিশালী ব্লুপ্ৰিণ্ট বা দৃষ্টিভংগী মুখ্যমন্ত্ৰীগৰাকীয়ে দাঙি ধৰে। যুৱপ্ৰজন্মৰ বিকাশ, সপোন আৰু প্ৰত্যাশাক নতুন গতি প্ৰদান কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমৰ প্ৰতিখন জিলাতে তিনিখনকৈ প্ৰধান শৈক্ষিক প্ৰতিষ্ঠান থকাটো অত্যন্ত জৰুৰী। চৰকাৰৰ এই বিশেষ নীতি সন্দৰ্ভত তেওঁ লিখে- "অসমৰ উন্নয়নৰ পৰৱৰ্তী পৰ্যায়ৰ বাবে মোৰ দৃষ্টিভংগী একেবাৰে স্পষ্ট। ই আমাৰ যুৱপ্ৰজন্মৰ দ্বাৰা পৰিচালিত হ'ব আৰু তেওঁলোকৰ সৰ্বাংগীণ বিকাশৰ বাবে প্ৰতিখন জিলাতে তিনিখনকৈ গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান থাকিব লাগিব।" মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি, চৰকাৰে 'এক জিলা, এক প্ৰতিষ্ঠান' (One District, One Institution) দৃষ্টিভংগীৰ অধীনত কাম কৰি আছে। এই আঁচনিৰ জৰিয়তে অসমৰ প্ৰতিখন জিলাতে তিনিখন মুখ্য প্ৰতিষ্ঠান এখন চিকিৎসা মহাবিদ্যালয়, এখন অভিযান্ত্ৰিক মহাবিদ্যালয়, এখন বিশ্ববিদ্যালয় নিশ্চিত কৰাৰ লক্ষ্য লোৱা হৈছে। বিগত সময়ছোৱাত ৰাজ্য চৰকাৰে বিভিন্ন জিলাত কেইবাখনো নতুন চিকিৎসা মহাবিদ্যালয়, অভিযান্ত্ৰিক প্ৰতিষ্ঠান আৰু বিশ্ববিদ্যালয় ঘোষণা কৰাৰ লগতে বহুতৰে কাৰ্যক্ষম উদ্বোধন কৰি আহিছে। পূৰ্বতে কেৱল গুৱাহাটী বা কেইটামান নিৰ্দিষ্ট চহৰ কেন্দ্ৰিক হৈ থকা উচ্চ শিক্ষা আৰু পেছাদাৰী প্ৰশিক্ষণক এতিয়া জিলা পৰ্যায়লৈ সম্প্ৰসাৰণ কৰাৰ বাবে চৰকাৰে এই বিকেন্দ্ৰীকৰণৰ প্ৰয়াস হাতত লৈছে। মুখ্যমন্ত্ৰীগৰাকীৰ মতে, শৈক্ষিক আন্তঃগাঁথনিৰ এই বিকেন্দ্ৰীকৰণে যুৱ প্ৰজন্মক ঘৰৰ ওচৰতে গুণগত শিক্ষা লাভৰ সুযোগ সৃষ্টি কৰি ৰাজ্যৰ দীৰ্ঘম্যাদী উন্নয়নক গতি প্ৰদান কৰিব।

# IPLৰ ফাইনেলত প্ৰৱেশ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ;

পূৰ্বে ২০০৯, ২০১১ আৰু ২০১৬ চনত তেওঁলোক ৰাণাৰ্ছ আপ হৈছিল। আনহাতে, উল্লেখযোগ্য যে ২০২৫ চনৰ IPLৰ চেম্পিয়ন আছিল ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু। RCBৰ বলিং আৰু বেটিং বিক্ৰমৰ সন্মুখত গুজৰাট টাইটানছ সম্পূৰ্ণৰূপে ধৰাশায়ী হৈ পৰে। প্ৰথমে বেটিং কৰি RCBএ গুজৰাট টাইটানছক ২৫৫ ৰাণৰ বিশাল টাৰ্গেট দিয়ে। লক্ষ্য তাৰা কৰিব নোৱাৰি গুজৰাট টাইটানছে ৯২ ৰাণত অল আউট হয়, ফলত RCB ৯২ ৰাণত জয়ী হয়। পৰাজয়ৰ পাছতো IPLৰ ফাইনেলত প্ৰৱেশৰ বাবে গুজৰাট টাইটানছৰ আৰু এটা সুযোগ আছে। তৃতীয়খন প্লে' অফ মেচ খেলি তেওঁলোকে ফাইনেলত উঠাৰ চেষ্টা কৰিব। সেই মেচ অনুষ্ঠিত হ'ব ২৯ মে'ত। কাইলৈ (বৃহস্পতিবাৰে) দ্বিতীয়খন প্লে' অফ মেচত মুখামুখি হ'ব ৰাজস্থান ৰয়েলছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদ। এই মেচৰ বিজয়ী দলটোৱে গুজৰাট টাইটানছৰ সৈতে তৃতীয়খন প্লে' অফ মেচ খেলিব। তাৰ পাছত তৃতীয়খন প্লে' অফৰ বিজয়ী দলটোৱে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক সন্মুখীন হৈ ফাইনেল খেলিব। আগন্তুক ৩১ মে'ত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত RCBএ খেলিব IPL ২০২৬ৰ মহা ফাইনেল।

# কলাক্ষেত্ৰত বিজেপিৰ

বৈঠক। ৰাজ্যৰ প্ৰতিখন জিলাৰ জিলা সভাপতি, মণ্ডল সভাপতি, বিভিন্ন মৰ্চাৰ সভাপতি আৰু প্ৰভাৰীসকল উপস্থিত থাকে এই বৈঠকত। ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক বিজেপি সভাপতি দিলীপ শইকীয়া, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি আৰু মন্ত্ৰী-বিধায়কসহ ৰাজ্যিক নেতৃত্ব বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত ভাষণ দি ৰাজ্যিক বিজেপি সভাপতি দিলীপ শইকীয়াই কয়, "বিজেপি এখন জীৱন্ত ৰাজনৈতিক সংগঠন। নিৰ্বাচনৰ পাছত আমি সকলো একত্ৰিত হৈ আগন্তুক সাংগঠনিক কৰ্মসূচীৰ বিষয়ে আলোচনা কৰিছোঁ। যাতে ৰাইজৰ বাবে আমি সদায় সেৱা আগবঢ়াব পাৰোঁ। আগন্তুক উপ-নিৰ্বাচন, স্বায়ত্তশাসিত পৰিষদসমূহৰ নিৰ্বাচনত কেনেদৰে সফলতা লাভ কৰিব পাৰোঁ, তাৰ ওপৰত আলোচনা হৈছে।" বৰপেটা জিলা সভাপতিয়ে মহিলা-যুৱতীক দিয়া আপত্তিজনক বাৰ্তা প্ৰসংগত শইকীয়াই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, "এইবোৰ বহুত আগৰ কথা, নতুন বিষয় নহয়। আমি ইয়াৰ সত্যাসত্য ইতিমধ্যে পৰীক্ষা কৰিছোঁ। তেওঁ কথাবোৰ স্পষ্ট কৰিছে।" বৈঠকত উপস্থিত থাকি গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধিয়ে কয়, "সাংগঠনিক বৈঠক অনুষ্ঠিত হৈছে। ইয়াত প্ৰতিখন জিলাৰ পৰা জিলা সভাপতি, বিষয়ববীয়া, মণ্ডল সভাপতি আহিছে। আগন্তুক কাৰ্যসূচীৰ বিষয়ে আলোচনা কৰা হ'ব। ২০২৬ চনৰ নিৰ্বাচনত তেখেতসকলৰ যি পৰিশ্ৰম, তাৰ খুব ভাল ফল আমি ইতিমধ্যে পাইছোঁ।"

# সদনত গৃহীত নাৰীশক্তি বন্দন অধিনিয়মৰ সংকল্প

সংৰক্ষণ দিয়াৰ বাবে উপস্থাপন কৰা হৈছিল। ২০২৩ চনত সদনত এই বিল গৃহীত হয়। ইয়াৰ পূৰ্বেও ১৯৯৬, ১৯৯৮, ২০০৮ আৰু ২০১০ চনত কেইবাটাও প্ৰচেষ্টা চলিছিল। ২০১০ চনত ৰাজ্যসভাত মহিলা আসন সংৰক্ষণ বিল গৃহীত হ'লেও লোকসভাত কংগ্ৰেছৰ সম্পূৰ্ণ সংখ্যাগৰিষ্ঠতা থকা সত্ত্বেও বিল গৃহীত নহ'ল।" গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "অমিত শ্বাহে সদনত কৈছিল যে বিজেপি আৰু ইয়াৰ সহযোগী দলসমূহে বিলখন সমৰ্থন কৰাৰ সময়ত কংগ্ৰেছে ১৯৯৬, ১৯৯৮ আৰু ২০১০ চনত গৃহীত কৰিব পাৰিলেহেঁতেন। কিন্তু ৰাষ্ট্ৰীয় জনতা দল আৰু সমাজবাদী পাৰ্টীৰ দৰে দলৰ মহিলা বিৰোধী নীতিৰ ওচৰত কংগ্ৰেছে আত্মসমৰ্পণ কৰাত বিধেয়ক বাৰে বাৰে গৃহীত নোহোৱাকৈ ৰৈ গ'ল। মোদী চৰকাৰে ২০২৩ চনৰ ছেপ্টেম্বৰত ১০৬ নং সংবিধান সংশোধনী বিল উভয় সদনতে গৃহীত কৰে।" তেওঁ লগতে কয়, "বিল অনুসৰি লোকপিয়ল সম্পূৰ্ণ নোহোৱালৈকে মহিলাক সংৰক্ষণ দিব নোৱাৰি। ২০২৯ চনৰ ভিতৰত লোকপিয়ল সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। তেতিয়া মহিলাসকলে সাংবিধানিক অধিকাৰ ভোগ কৰিব। কিন্তু প্ৰধানমন্ত্ৰীয়ে লোকপিয়ললৈ নৰৈ মহিলাসকলৰ বাবে আসন সংৰক্ষণ দিবলৈ কয়। আমি সদনত আসনৰ সংখ্যা বৃদ্ধি কৰিম। কিন্তু কংগ্ৰেছে আসন সংখ্যা বৃদ্ধি কৰাত বাধা দিয়ে।" অসমৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীয়ে কয়, "অসমৰ কাৰণে গৌৰৱৰ কথা যে আমি মা কামাখ্যা, দুৰ্গা উপাসনা কৰোঁ। জয়মতী-মূলা গাভৰু আমাৰ বাবে প্ৰেৰণাৰ প্ৰতীক। অসমৰ সমাজ ব্যৱস্থাত মহিলাই সদায় অগ্ৰণী স্থান লাভ কৰি আহিছে। স্বাধীনতা সংগ্ৰাম, অসম আন্দোলন, বড়ো আন্দোলন, জনজাতীয় আন্দোলন বা পুৰণা ইতিহাস— সকলোতে নাৰীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।"

# হাজো জ্যেষ্ঠ নাগৰিক সুৰক্ষা মঞ্চৰ প্ৰতিষ্ঠাপক সম্পাদক শম্ভুৰাম দাসৰ বিয়োগত হাজোত শোক

**অসম বাৰ্তা, হাজো, ২৬ মে' ঃ** তীৰ্থনগৰী হাজোৰ বিশিষ্ট সমাজকৰ্মী তথা হাজো জ্যেষ্ঠ নাগৰিক সুৰক্ষা মঞ্চৰ প্ৰতিষ্ঠাপক সম্পাদক শম্ভুৰাম দাসৰ বিয়োগত হাজোত শোকৰ ছাঁ পৰে। বিগত কিছু দিন গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ থকা শম্ভুৰাম দাসে দেওবাৰে ৰাতিপুৱা দহ বজাত শেষ নিশ্বাস ত্যাগ কৰে। চিকিৎসালয়ৰ পৰা পোনে পোনে হাজোৰ নতুন বজাৰস্থিত বাসগৃহলৈ তেখেতৰ নশ্বৰ দেহ অনা হয়। তাৰ পিছত শম্ভুৰাম দাসে উচ্চ বৰ্গৰ সহায়ক হিচাপে অৱসৰ গ্ৰহণ কৰা হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ লৈ যোৱা হয় তেখেতৰ শৱদেহ। বিদ্যালয়ৰ শিক্ষক গোট, কৰ্মচাৰীসকলে বিদ্যালয় প্ৰাঙ্গণত শেষ শ্ৰদ্ধা নিবেদন কৰাৰ পিছত তেখেতৰ জন্মস্থান কৈৱৰ্তটোলালৈ নিয়া হয় তেখেতৰ নশ্বৰদেহ। কৈৱৰ্তটোলাৰ পৰা হাজো জ্যেষ্ঠ নাগৰিক সুৰক্ষা মঞ্চৰ কাৰ্যালয়লৈ অনা শম্ভুৰাম দাসৰ নশ্বৰদেহত জ্যেষ্ঠ নাগৰিক সুৰক্ষা মঞ্চৰ সদস্যসকলৰ লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান তথা ব্যক্তি বিশেষে অশ্ৰুসিক্ত নয়নেৰে শেষ শ্ৰদ্ধা নিবেদন কৰে। ২০১১ চনৰ ২০ ফেব্ৰুৱাৰীত প্ৰতিষ্ঠা হোৱাৰে পৰা ২০২৬ চনৰ ২০ ফেব্ৰুৱাৰীলৈ হাজো জ্যেষ্ঠ নাগৰিক সুৰক্ষা মঞ্চৰ সম্পাদকৰ দায়িত্বত আছিল প্ৰয়াত শম্ভুৰাম দাস। দাসৰ অক্লান্ত পৰিশ্ৰম আৰু ত্যাগৰ বিনিময়ত হাজো জ্যেষ্ঠ নাগৰিক সুৰক্ষা মঞ্চই লাভ কৰিছিল স্থিতিশীলতা। প্ৰয়াত দাসৰ কৰ্মৰাজিক সকলোৱে একেলগে স্বীকাৰ কৰে। বিয়লি সহস্ৰাধিক গুণমুগ্ধৰ উপস্থিতিত বৰাহটোলাস্থিত ৰাজহুৱা শ্মশানত প্ৰয়াত শম্ভুৰাম দাসৰ নশ্বৰদেহৰ সংকাৰ কাৰ্য সমাপন কৰা হয়। ইফালে শম্ভুৰাম দাসৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনাৰে হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত শ্ৰদ্ধা জনায় হাজো কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনীয়ে।

# মূল্যবৃদ্ধিৰ প্ৰতিবাদত নলবাৰীত CPIMৰ বিক্ষোভ কাৰ্যসূচী

**অসম বাৰ্তা, নলবাৰী, ২৬ মে' ঃ** অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী, ইন্ধন আৰু জীৱনদায়িনী ঔষধৰ অব্যাহত মূল্যবৃদ্ধিৰ প্ৰতিবাদত আজি চি পি আই এমৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত নলবাৰীৰ ৰাজপথত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সংগঠনটোৱে অভিযোগ কৰে যে বৰ্তমানৰ অকল্পনীয় মূল্যবৃদ্ধিয়ে ৰাজ্যৰ খাটিখোৱা আৰু সাধাৰণ জনসাধাৰণৰ জীৱন দুৰ্বিষহ কৰি তুলিছে। খাদ্য সামগ্ৰীৰ পৰা আৰম্ভ কৰি ইন্ধন আৰু ঔষধলৈকে সকলো ক্ষেত্ৰতে হোৱা মূল্যবৃদ্ধিয়ে সাধাৰণ মানুহক গভীৰ সংকটৰ সন্মুখীন কৰিছে বুলি উল্লেখ কৰে। প্ৰতিবাদকাৰীসকলে বিভিন্ন শ্লোগানেৰে চৰকাৰ বিৰোধী ধ্বনি দি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণত সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱা বুলি অভিযোগ তোলে। লগতে শীঘ্ৰেই আকাশলঙ্ঘী মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰি সাধাৰণ ৰাইজক সকাহ দিয়াৰ দাবী জনায়। এই প্ৰতিবাদী কাৰ্যসূচীত দল-সংগঠনৰ বহু নেতা-কৰ্মী আৰু সমৰ্থক উপস্থিত থাকে।

# বামুণজুলিত আগছুৰ উদ্যোগত শৈক্ষিক কৰ্মশালা তথা অভিনন্দন অনুষ্ঠান

**ষ্টাফ ৰিপ'ৰ্টৰ, টংলা, ২৬ মে' ঃ** সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা বামুণজুলি আঞ্চলিক সমিতিৰ উদ্যোগত যোৱা ২৪ মে'ত বামুণজুলি আগছুৰ কাৰ্য্যালয়ত শৈক্ষিক কৰ্মশালা তথা অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হৈ যায়। সমগ্ৰ বামুণজুলি অঞ্চলৰ ৫৬জন ছাত্ৰছাত্ৰী, অৱসৰপ শিক্ষক, নৱনিযুক্ত শিক্ষক, খেলুৱৈ, দেশ সেৱাত নিয়োজিত সৈনিক সকলক উক্ত অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়। বামুণজুলি আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি ৰতন শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত বিশেষ বক্তা হিচাপে অংশগ্ৰহণ কৰে এচিচটেণ্ট একাউণ্টেট বিষয়া(এচিএছ) নবীন নিৰৌলাই। তেওঁ ভাষণত ছাত্ৰছাত্ৰীক শিক্ষাৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। বৰ্তমান প্ৰতিযোগিতামূলক দিনত শিক্ষা নহ'লে একো কাম নহ'ব বুলি কয়। উচ্চ শিক্ষা অধ্যয়ন কৰি একো একোজন এচিএছ, আইপিএছ, চিকিৎসক, সেনাৰ বিষয়া হ'বলৈ আহ্বান জনায়। পঢ়াশুনাৰ সময়ত মোবাইল পৰা দুৰত্ব ৰাখিবলৈ তেওঁ ছাত্ৰ-ছাত্ৰীক আহ্বান জনায়। অনুষ্ঠানত ওদালগুৰি জিলা গোৰ্খা ছাত্ৰ সন্থাৰ সম্পাদক কিশোৰ চিৰপালী, গোৰ্খা সন্মিলনৰ নেতা বিমল বচনেত, অৱসৰপ্ৰাপ্ত শিক্ষক নবীন বেজবৰুৱা, ভোলানাথ শৰ্মা, গৌতম দত্ত চৌধুৰী, শিক্ষয়িত্ৰী মায়া দেৱী তথা বামুণজুলি অঞ্চলৰ বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

### প্ৰতিনিধিবৰ্গক শপত পাঠ কৰোৱাই সমাজৰ পুৰোধা ব্যক্তি নিবানু কিষাণে

# বিহালী মিজিকাজানত সদৌ অসম কিষাণ (কুঁহাৰ) জাতি মহাসভাৰ নৱনিৰ্বাচিত কেন্দ্ৰীয় সমিতিৰ শপত গ্ৰহণ

**অসম বাৰ্তা, জিনজিয়া, ২৬ মে' ঃ** সদৌ অসম কিষাণ ( কুঁহাৰ ) জাতি মহাসভাৰ নৱ নিৰ্বাচিত কেন্দ্ৰীয় সমিতিৰ বিষয়-ববীয়া সকলৰ শপত গ্ৰহণৰ এখন সভা ২৪ মে'ত মিজিকাজান চাহ বাগিচাৰ জগন্নাথ সমূহীয়া ভৱনত অনুষ্ঠিত হয়। পুৱা বিশ্বনাথ জিলা সমিতিৰ সভাপতি টংকেশ্বৰ কিষানে পতাকা উত্তোলন কৰাৰ পিছত শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী অনুষ্ঠানিক ভাবে আৰম্ভ কৰে জিলা সম্পাদক সুনীল কিষানে। ইয়াৰ পিছতে তনু কিষানৰ সভাপতিত্বত আৰু প্ৰদীপ কিষানৰ পৰিচালনা অনুষ্ঠিত সভাত নৱ নিৰ্বাচিত বিষয়-ববীয়া সকলক শপত পাঠ কৰোৱাই সমাজৰ পুৰোধা ব্যক্তি নিবানু কিষানে। সভাত ডিব্ৰুগড়, চৰাইদেহউ, শিৱসাগৰ যোৰহাট, শোণিপুৰ, বিশ্বনাথৰ নিৰ্বাচিত ছয়খন জিলাৰ ২১ গৰাকী বিষয়-ববীয়া উপস্থিত থকাৰ লগতে সমাজখনৰ একাধিক ৰাইজ উপস্থিত থাকে। উল্লেখ্য যে, যোৱা ১৭ মে'ত সদৌ অসম কিষাণ কুঁহাৰ জাতি মহাসভাৰ যোৰহাট, শিৱসাগৰ, চৰাইদেউ, ডিব্ৰুগড়, আৰু বিশ্বনাথ জিলা সমিতিৰ যুটীয়া উদ্যোগত তথা শিলিখা আঞ্চলিক সমিতি ও শিলিখা কিষাণ ৰাইজৰ সহযোগত শিলিখা চাহ বাগিচাত অনুষ্ঠিত সাধাৰণ পৰিষদ সভাত সৰ্বসন্মতি ক্ৰমে বিশ্বনাথ জিলাৰ টংকেশ্বৰ কিষাণক সভাপতি, ডিব্ৰুগড় জিলাৰ অমিত কিষাণ, তুলন কিষাণক, ৰঘুপতি কিষাণক উপ সভাপতি, চৰাইদেউ জিলাৰ গোবিন কিষাণক সাধাৰণ সম্পাদক, ডিব্ৰুগড় জিলাৰ লোকেশ কিষাণ আৰু বিশ্বনাথ জিলাৰ সুনীল কিষাণক সহকাৰী সম্পাদক, বিশ্বনাথ জিলাৰ নিৰেন কিষাণক প্ৰচাৰ সম্পাদক আৰু চৰাইদেউ জিলাৰ চাৰুপ কিষাণক। মুখ্য সাংগঠনিক সম্পাদক হিচাপে লৈ ২১ জনীয়া এখন শক্তিশালী কেন্দ্ৰীয় সমিতি গঠন কৰা হৈছিল আৰু উক্ত ২১ গৰাকী বিষয়-ববীয়াই সভাত সদৌ অসম কিষাণ (কুঁহাৰ) জাতি মহাসভাৰ সংবিধানৰ মৰ্যাদা আৰু পবিত্ৰতা ও গোপিনীয়তা অটুট ৰখাৰ পণ লৈ শপত গ্ৰহণ কৰে।

# ডিব্ৰুগড়ত অসম সাহিত্য সভাৰ আজীৱন সভ্য স্বীকৃতি প্ৰদান ৰামধেনু শতদল সাহিত্য সভাৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৬ মে'** ঃ ডিব্ৰুগড়ত অসম সাহিত্য সভাৰ আজীৱন সভ্যক আজি আনুষ্ঠানিকভাৱে স্বীকৃতিপত্ৰ প্ৰদান কৰে বঙালগাঁৱত অনুষ্ঠিত ৰামধেনু শতদল শাখা সাহিত্য সভাই। এই উদ্দেশ্যে ডিব্ৰুগড়ৰ বঙালগাঁৱৰ ৰূপৰেখা গোটৰ মহিলা সকলেও আবেদনমৰ্মে অসম সাহিত্য সভাৰ আজীৱন সভ্য স্বীকৃতিপত্ৰ লাভ কৰে। বঙালগাঁৱৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত 'ৰামধেনু শাখা সাহিত্য সভা'ৰ সভাপতি ভূষণজ্যোতি সন্দিকৈ, সম্পাদক অনিল প্ৰসাদ সিংহৰ উদ্যোগত আজীৱন সভ্য স্বীকৃতিপত্ৰ প্ৰদান কৰা হয়। স্বীকৃতি পত্ৰ লাভ কৰা ক্ৰমে - কবিতা বৈশ্য, ভাৰতী মেছ, মামণি গগৈ মেছ, বিজন্ত গগৈ, মৌচুমী চুতীয়া মেছ, মনিৰ উদ্দিন আহমেদ, ধৰ্মানন্দ কোঁৱৰ, মুকুট মেছ, দিলীপ সিং, কল্পকিশোৰ ওজা, অনিমা মেছ গগৈ, দিপালী ৰায়, পল্লৱী শইকীয়া ছেত্ৰী, বিতু বৰুৱা, খৰ্গেশ্বৰ গগৈ, টাজবীৰ সিংহ, দিজুল শইকীয়া, সোণেশ্বৰ দিহিঙ্গীয়া, কল্পনা শইকীয়া, ভবাণী ভূঞা, আব্দুল খালেক, মেহজাবিন চুলতানা বেগম, বন্দনা ফুকন দাস, প্ৰাৰ্থনা গগৈ, ৰীতা গগৈ বৰা, জয়া গগৈ, জোনমনি দুৱৰা মেছ, বৰ্ণালী দত্ত গগৈ, জীত বাহাদূৰ দৰ্জী, লাকী দাৰবধৰাক বিতৰণ কৰা হয়। ৰামধেনু শতদল শাখা সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক এম হাছিম আলীয়ে অসম সাহিত্য সভাৰ আজীৱন সভ্য স্বীকৃতি লাভ কৰে। আজিৰ সভাতে আন কেইবাগৰাকীয়ো অসম সাহিত্য সভাৰ আজীৱন সভ্যৰ ফৰ্ম সংগ্ৰহ কৰে। ডিব্ৰুগড়ৰ ৰামধেনু শাখা সাহিত্য সভাৰ যোগেদি আৰু এখন নতুনকৈ শাখা সাহিত্য সভা গঠন কৰা হ'ব। আজিৰ সভাত ৰামধেনু শতদল শাখা সাহিত্য সভাৰ স্থায়ী কাৰ্যালয় নিৰ্মাণ, ৰাজহুৱা শ্মশান নিৰ্মাণ, স্থানীয় খেলপথাৰৰ চৌপাশে পদপথ নিৰ্মাণ আদিৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক ভূমি আৰু আৰ্থিক অনুদান বিচাৰি আবেদন জনাবলৈ প্ৰস্তাৱ লোৱাৰ লগতে আগন্তুক ৫ জুনত ৰামধেনু শতদল সাহিত্য সভা আৰু ৰূপৰেখা মহিলা গোট আৰু বান্ধকৃষি পামৰ যৌথ উদ্যোগত "বিশ্ব পৰিৱেশ দিৱস" পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত কেবাগৰাকীও বিশিষ্ট ব্যক্তিৰ লগতে মটক কাউন্সিলৰ সদস্য দীপ জয় শইকীয়া, উপদেষ্টা দিলীপ কানু, উপ সভাপতি ৰত্নেশ্বৰ ফুকন, সহ সম্পাদক দিলীপ দত্ত, দীপক মেচ, ৰঞ্জিত মেচ, মহেশ তেলী আদি উপস্থিত থাকে।

# ৰূপহীহাটত বুজন পৰিমাণৰ ড্ৰাগছসহ গ্ৰেপ্তাৰ ১, জব্দ স্কুটি

**অসম বাৰ্তা, ৰূপহীহাট, ২৬ মে'** ঃ ৰূপহীহাটত আৰক্ষীয়ে ড্ৰাগছ বিৰোধী অভিযান অব্যাহত ৰাখিছে। কাৱৈমাৰী আৰক্ষীয়ে আজি আবেলি এক গোপন সূত্ৰৰ পম খেদি মুৰিপুথিখাইটিত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায়। আৰক্ষীৰ অভিযানত ৩১ টাকৈ ড্ৰাগছ ভৰ্তি টেমীৰ সৈতে গ্ৰেপ্তাৰ কৰে এজন সৰবৰাহকাৰীক। ধৃত সৰবৰাহকাৰীজনৰ নাম মুজ্জাফৰ আলী। আৰক্ষীয়ে জব্দ কৰা ড্ৰাগছখিনিৰ ওজন ৪.৬ গ্ৰাম। ড্ৰাগছ সৰবৰাহকাৰীজনে ব্যৱহাৰ কৰা এএছ-০২-এপি-২০৮৬ নম্বৰৰ এখন স্কুটিও আৰক্ষীয়ে জব্দ কৰে। কাৱৈমাৰী আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত সৰবৰাহকাৰীজনক জেৰা অব্যাহত ৰাখিছে।

# ডুমডুমাৰ বজাৰত সমজিলা প্ৰশাসনৰ আকস্মিক অভিযান

**অসম বাৰ্তা, ডুমডুমা, ২৬ মে'** ঃ ডুমডুমা চহৰত জৰুৰী খাদ্য সামগ্ৰীৰ কৃত্ৰিম নাটনি আৰু ক'লা বজাৰ ৰোধ কৰাৰ লগতে মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ বাবে সমজিলা প্ৰশাসনে এক কঠোৰ স্থিতি গ্ৰহণ কৰিছে। খাদ্য সামগ্ৰীৰ মূল্য আৰু মজুতকৰণ ব্যৱস্থাৰ বুজ ল'বলৈ শুকুৰবাৰে ডুমডুমা বজাৰত এক বৃহৎ আকস্মিক অভিযান চলোৱা হয়। সমজিলা আয়ুক্ত নুজহাৎ নাচৰিনৰ তত্ত্বাৱধানত আৰু কাৰ্যবাহী দণ্ডাধীশ কৃতাৰ্থ নেওগ তথা সমজিলা খাদ্য পৰিদৰ্শক মৃগাংক গগৈৰ যুটীয়া নেতৃত্বত বিভিন্ন বিভাগৰ বিষয়াৰ এটা দলে এই অভিযান চলায়। অভিযানকাৰী দলটোৱে বজাৰৰ প্ৰতিখন পাইকাৰী আৰু খুচুৰা খাদ্য সামগ্ৰীৰ দোকানত সোমাই সামগ্ৰিক স্থিতিৰ বুজ লয়। পৰিদৰ্শনৰ সময়ত বিষয়াসকলে দোকানসমূহত মূল্যসূচী আৰু ষ্টকৰ সবিশেষ তথ্য ৰাইজ দেখাকৈ ওলোমাই থোৱা হৈছে নে নাই, ক্ৰয়-বিক্ৰয়ৰ নথিপত্ৰ সঠিকভাৱে ৰখা হৈছে নে নাই- সেই সকলোবোৰ তন্ন তন্নকৈ পৰীক্ষা কৰে। ইয়াৰ উপৰিও ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ সুৰক্ষা আৰু স্বচ্ছতাৰ বাবে চিচিটিভি কেমেৰা সক্ৰিয় হৈ আছেনে নাই, তাকো পৰীক্ষা কৰা হয়। সমজিলা প্ৰশাসনৰ তৰফৰ পৰা ব্যৱসায়ীসকলক প্ৰতিদিনে সামগ্ৰীৰ মূল্য আৰু উপলব্ধ ষ্টকৰ খতিয়ান বিভাগীয় বিষয়াক যোগান ধৰিবলৈ কঠোৰ নিৰ্দেশ দিয়া হৈছে। আনহাতে, ডুমডুমা পৌৰসভাৰ কাৰ্যবাহী বিষয়া বিদ্যুৎ বিকাশ চাংমায়েও দৈনিক বজাৰৰ শাক-পাচলি, মাছ, মাংস আৰু কণী বিক্ৰেতাসকলক সকীয়াই দিয়ে যাতে কোনো কাৰণতে গ্ৰাহকক ঠগিব নোৱাৰে।

# শৈক্ষিক পৰ্যালোচনা আৰু মণ্ডল সমন্বয়কৰ অৱসৰকালীন সম্বৰ্ধনা সভা

**অসম বাৰ্তা, উজনি মাজুলী, ২৬ মে'** ঃ মাজুলী শিক্ষা খণ্ডৰ অন্তৰ্গত মহৰিচুক, কৰতিপাৰ আৰু চামগুৰি মণ্ডল সমল কেন্দ্ৰৰ ২০২৬-২৭ শিক্ষাবৰ্ষৰ প্ৰথমখন শৈক্ষিক পৰ্যালোচনা সভা যোৱা ২৩মে'ত মহৰিচুক জনজাতি মধ্য ইংৰাজী বিদ্যালয়ত অনুষ্ঠিত হয়। কৰতিপাৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ৰূপজ্যোতি শইকীয়াই আঁত ধৰা সভা খনত প্ৰাথমিক পৰ্যায়ৰ শিক্ষাৰ্থীসকলৰ শৈক্ষিক উত্তোৰণৰ বাবে ল'বলগীয়া বিভিন্ন দিশ সমূহ পৰ্যালোচনা কৰা হয়। শৈক্ষিক দিশ সমূহৰ পৰ্যালোচনা কৰাৰ লগতে বিদ্যালয়সমূহৰ সময়সূচী সঠিকভাৱে ৰূপায়ণ কৰা, শিক্ষাসেতুত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ নিয়মীয়া উপস্থিতি, 'বিদ্যা প্ৰৱেশৰ বিভিন্ন কাৰ্যক্ৰম, এফ, এল, এন সম্পৰ্কিত প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ কাৰ্যপত্ৰ ব্যৱহাৰ, ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশ পত্ৰৰ ব্যৱহাৰ, প্ৰথম গঠনাত্মক মান নিৰূপণ, ছাত্ৰ-ছাত্ৰীৰ মূল্যায়নৰ বহী বিতৰণ সম্পৰ্কীয়, ২০২৬-২৭ বৰ্ষৰ ইউ-ডাইচত ইমপোৰ্ট কৰা, নতুনকৈ অন্তৰ্ভুক্ত কৰা, টিচিং এট ডা ৰাইট লেভেল সম্পৰ্কীয় কাৰ্যব্যৱস্থা, মধ্যাহ্ন ভোজনৰ প'টেলত ৰিপোৰ্টিং কৰা আদি বিষয়ে বিতংকৈ আলোচনা কৰে। সভাত কৰতিপাৰ, মহৰিচুক আৰু চামগুৰি মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মুকুল চন্দ্ৰ মুদৈয়ে অৱসৰ গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত তেখেতক অৱসৰকালীন সম্বৰ্ধনা জ্ঞাপন কৰা হয়। মাজুলী জিলা শিক্ষা বিভাগৰ অতিৰিক্ত জিলা আয়ুক্ত তথা সমগ্ৰ শিক্ষা মাজুলী জিলাৰ মিছন সমন্বয়কৰ স্বাক্ষৰিত নিৰ্দেশনা অনুসৰি সপোন দত্তক মহৰিচুক মণ্ডল, ৰূপজ্যোতি শইকীয়াক কৰতিপাৰ মণ্ডল আৰু গুণকান্ত হাজৰিকা চামগুৰি মণ্ডলৰ মণ্ডল সমন্বয়কৰ দায়িত্ব প্ৰদান কৰাৰ পৰিপ্ৰেক্ষিতত উক্ত সভাতে তিনিও গৰাকী মণ্ডল সমন্বয়কে দায়িত্ব গ্ৰহণ কৰি শিক্ষক-শিক্ষয়িত্ৰী সকলৰ লগত মত বিনিময় কৰে। সভাত মাজুলী শিক্ষাখণ্ডৰ তথ্য ব্যৱস্থাপনা প্ৰণালীৰ সমন্বয়ক কল্পজোতি শইকীয়া, আউনীআটী মণ্ডল সমন্বয়ক দিনেশ দাস উপস্থিত থাকি শিক্ষক-শিক্ষয়িত্ৰীৰ লগত বিভিন্ন শৈক্ষিক দিশৰ ওপৰত আলোকপাত কৰে। সভাত কৰতিপাৰ উচ্চ মাধ্যমিক বিদ্যালয়, মহৰিচুক উচ্চ মাধ্যমিক বিদ্যালয় আৰু আহঁতগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সকলৰ লগতে কৰতিপাৰ, চামগুৰি আৰু মহৰিচুক মণ্ডলৰ অন্তৰ্গত সকলো বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকল উপস্থিত থাকে।

# 'ডিব্ৰাই বিহুৰাণী' ২০২৬ৰ বিজয়ী ধনিষ্ঠা ডেকাক 'হেঁপাহ' সাংস্কৃতিক কেন্দ্ৰৰ বিশেষ সম্বৰ্ধনা



**অসম বাৰ্তা, নলবাৰী, ২৬ মে'** ঃ নলবাৰীৰ আগশাৰীৰ সাংস্কৃতিক অনুষ্ঠান 'হেঁপাহ' সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত আজি 'ডিব্ৰাই বিহুৰাণী' ২০২৬ৰ বিজয়ী ধনিষ্ঠা ডেকাক বিশেষ সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে চহৰৰ বিদ্যাপুৰস্থিত 'হেঁপাহ' সাংস্কৃতিক কেন্দ্ৰত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ধনিষ্ঠা ডেকাক গামোছা, স্মাৰক, সম্বৰ্ধনা পত্ৰ আদিৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত উপস্থিত অভিভাৱক-অভিভাৱিকা আৰু শিক্ষাৰ্থীসকলেও ধনিষ্ঠা ডেকাক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। বিহুগুৰু ভূপেন চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত আৰু 'হেঁপাহ' সাংস্কৃতিক কেন্দ্ৰৰ অধ্যক্ষ ধনজিৎ দত্তই আঁত ধৰা অনুষ্ঠানত 'অসম টাইম'ৰ মুখ্য সম্পাদক এম মহিবৰ ৰহমান, অসম ভেলী একাডেমী, নলবাৰীৰ প্ৰৱক্তা তথা সাংবাদিক শশাংক শৰ্মা, জ্যেষ্ঠ বিহুৱা ৰামচৰণ কলিতা, ধনিষ্ঠা ডেকাৰ পিতৃ দেৱেশ্বৰ ডেকা, সমাজকৰ্মী জিতেন্দ্ৰ নাথ দত্ত, লেখক কমল শৰ্মা, হিমাংকন নাথ, অনিৰুদ্ধ দাস আদি উপস্থিত থাকি ধনিষ্ঠা ডেকাক শুভেচ্ছা জ্ঞাপন কৰে। উপস্থিত বক্তাসকলে অনাগত সময়ত ধনিষ্ঠা ডেকাই নলবাৰী তথা অসমৰ নাম উজলাই অধিক সন্মান কঢ়িয়াই আনিব বুলি আশা ব্যক্ত কৰে। অনুষ্ঠানত ধনিষ্ঠা ডেকাই নিজৰ অনুভৱ ব্যক্ত কৰাৰ লগতে লেখক কমল শৰ্মাই ধনিষ্ঠাক উদ্দেশ্যি লিখা কবিতাৰ পংক্তি আবৃত্তি কৰে। উল্লেখযোগ্য যে, ২০০৮ চনত নামনি অসমৰ নলবাৰীত স্থাপিত 'হেঁপাহ সাংস্কৃতিক গোষ্ঠী' নামনি অসমৰ প্ৰথমখন বিহু শিক্ষাৰ বিদ্যালয় হিচাপে পৰিচিত। এই শিক্ষানুষ্ঠানৰ প্ৰথম শিক্ষাবৰ্ষৰ ছাত্ৰী আছিল ধনিষ্ঠা ডেকা। এই বিদ্যালয়ৰ পৰা বহু ঢুলীয়া আৰু নাচনী অসমৰ বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰিছে বুলি অনুষ্ঠানটোৰ অধ্যক্ষ ধনজিৎ দত্তই জানিবলৈ দিয়ে।

# নলবাৰীৰ পদপথত পৌৰসভাৰ উচ্ছেদ অভিযান

**অসম বাৰ্তা, নলবাৰী, ২৬ মে'** ঃ নলবাৰী পৌৰসভা কৰ্তৃপক্ষই কালি পদপথ দখলমুক্ত কৰাৰ লক্ষ্যৰে উচ্ছেদ অভিযান চলায়। পৌৰসভাৰ এই পদক্ষেপক স্থানীয় ৰাইজে ব্যাপকভাৱে প্ৰশংসা কৰিছে। পৌৰপতি জয়শ্ৰী তালুকদাৰ, উপ-সভাপতি ড° ৰবীন দাস, কাৰ্যবাহী বিষয়া, পৌৰ আয়ুক্ত পৰাগ দত্ত বৰুৱা, অলকা বৰ্মন, বাপনজ্যোতি শৰ্মাসহ কেইবাজনো পৌৰসভাৰ কৰ্মচাৰীৰ নেতৃত্বত এই উচ্ছেদ অভিযান চলোৱা হয়। উল্লেখযোগ্য যে, বিগত সময়ত নলবাৰী চহৰৰ পদপথত কোনো ধৰণৰ ব্যৱসায় নকৰিবলৈ পৌৰসভাই কঠোৰ নিৰ্দেশনা জাৰি কৰিছিল। লগতে এই নিৰ্দেশ অমান্য কৰিলে ব্যৱসায়িক পঞ্জীয়ন বাতিল হোৱাৰ লগতে জৰিমনা বিহাৰ ব্যৱস্থাও ঘোষণা কৰা হৈছিল। ইয়াৰ পিছতো একাংশ স্থায়ী আৰু অস্থায়ী ব্যৱসায়ীয়ে পৌৰসভাৰ নিৰ্দেশ অমান্য কৰি পদপথত ব্যৱসায় অব্যাহত ৰাখিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি নলবাৰী থানাৰ চক্ৰ পৰিদৰ্শকৰ উপস্থিতিত পুনৰ উচ্ছেদ অভিযান চলোৱা হয়। এই অভিযানৰ জৰিয়তে পদপথ দখলমুক্ত কৰাৰ লগতে পথচাৰীৰ চলাচল সুচল কৰাৰ দিশত পৌৰসভাই দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে। স্থানীয় সচেতন মহলে নলবাৰী পৌৰসভাৰ এই সময়োপযোগী পদক্ষেপক স্বাগত জনাই, চহৰখন পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু সু-ব্যৱস্থিত কৰি তোলাৰ ক্ষেত্ৰত এনে অভিযান আগন্তুক দিনতো অব্যাহত ৰাখিবলৈ আহ্বান জনাইছে।

# বৰপেটা প্ৰেছ ক্লাবত বৰপেটা জিলা বিজেপিৰ সভাপতি মহেন্দ্ৰ দাসৰ সংবাদমেল সম্বোধন

**অসম বাৰ্তা, বৰপেটা সদৰ, ২৬ মে'** ঃ বৰপেটা জিলা বিজেপিৰ সভাপতি মহেন্দ্ৰ দাসে মহিলা দলীয় কৰ্মীক ওৱাটচআপৰ জৰিয়তে অশ্লীল মেচেজ দিয়াৰ বাতৰি একাংশ সংবাদ মাধ্যমত সম্প্ৰচাৰ হোৱাৰ পিছতে মহেন্দ্ৰ দাসে আত্মপক্ষ সমৰ্থনত আজি বৰপেটা প্ৰেছ ক্লাবত এক সংবাদমেল সম্বোধন কৰি নিজৰ স্থিতি স্পষ্ট কৰে। মহেন্দ্ৰ দাসৰ দাবী এয়া তেওঁৰ বিৰুদ্ধে মোবাইল হেক কৰি দলৰ কৰ্মীয়ে তেওঁৰ ভাবমূৰ্তি বিনষ্ট কৰাৰ ষড়যন্ত্ৰ কৰিছে। এই ষড়যন্ত্ৰৰ সৈতে দলৰ কাৰ্যকৰ্তা জড়িত থকাৰ সন্দেহ মহেন্দ্ৰ দাসৰ। বৰপেটা জিলা বিজেপিৰ সভাপতি মহেন্দ্ৰ দাসে দলীয় মহিলা কৰ্মীক ওৱাটচএপৰ জৰিয়তে অশ্লীল ইংগিত দি মেচেজ দিয়া সন্দৰ্ভত একাংশ সংবাদ মাধ্যমত বাতৰি সম্প্ৰচাৰৰ পিছতে আজি বৰপেটা প্ৰেছক্লাবত সংবাদমেল সম্বোধন কৰি নিজৰ স্থিতি স্পষ্ট কৰে। তেওঁ সংবাদ মেল যোগে প্ৰকাশ কৰে যে প্ৰায় ডেৰ বছৰ আগতে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ ওচৰত নিষ্পত্তি হোৱা এটি বিষয় আকৌ সংবাদ মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰাত আশ্চৰ্য প্ৰকাশ কৰে বৰপেটা জিলা বিজেপিৰ সভাপতি মহেন্দ্ৰ দাসে। মহেন্দ্ৰ দাসৰ ব্যক্তিগত মোবাইল হেক হোৱা বুলিও সংবাদমেলৰ জৰিয়তে প্ৰকাশ কৰে জিলা সভাপতি গৰাকীয়ে। পূৰ্বে মোবাইল হেক হোৱা সম্পৰ্কে থানাত এজাহাৰো দাখিল কৰিছিল বুলি সংবাদমেলত সদৰি কৰে বৰপেটা জিলা বিজেপিৰ সভাপতি মহেন্দ্ৰ দাসে। নিজ দলৰেই কাৰ্যকৰ্তাৰ দ্বাৰা মোবাইল হেক কৰি মহেন্দ্ৰ দাসৰ ভাৱমূৰ্তি ম্লান কৰাৰ চেষ্টা বুলি সংবাদমেলত প্ৰকাশ কৰে জিলা সভাপতি মহেন্দ্ৰ দাসে। সংবাদ মাধ্যমৰ আগত সামাজিক মাধ্যমৰ বহুকেইটা স্ক্ৰীন শ্বট প্ৰদৰ্শন কৰে জিলা সভাপতি মহেন্দ্ৰ দাসে।

# বৰপেটাৰোডত ভৱানীপুৰ-সৰভোগৰ বিধায়ক তথা বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসক বিপুল সম্বৰ্ধনা

**প্ৰায় ৭০ টি দল-সংগঠনে যাঁচে উষ্ম আদৰণি**



**অসম বাৰ্তা, বৰপেটাৰোড, ২৬ মে'** ঃ আমি শাসনত ক্ষমতাৰ বাবে নহয়; সেৱাৰ বাবেহে আহোঁ। ৰাইজে আমাক পুনৰ শাসনত বহুৱাইছে আৰু সেয়ে আগন্তুক দিনত ৰাইজৰ সহযোগত যিমান সম্ভৱ সেৱা আগবঢ়াই যাম। আজি সম্বৰ্ধনাত ৰাইজৰ মৰমত আবেগিক হৈছোঁ। বৰপেটাৰোডৰ ৮৯ শতাংশ ভোট মোক দিছে সেয়ে চহৰৰ লগতে সমষ্টিৰ ৰাইজৰ শ্ৰীচৰণত সেৱা জনালোঁ। আজি বৰপেটাৰোড পৌৰসভাৰ উদ্যোগত অনুষ্ঠিত এক সম্বৰ্ধনা সভাত ভৱানীপুৰ-সৰভোগ বিধানসভা সমষ্টিৰ নৱ-নিৰ্বাচিত বিধায়ক তথা অসম বিধানসভাৰ অধ্যক্ষ বৰপেটাৰোডৰ সু সন্তান ৰঞ্জিত কুমাৰ দাসক অঞ্চলটোৰ ৰাইজে এক অভূতপূৰ্ব উষ্ম আদৰণি জনোৱাৰ পিচত বিধানসভাৰ অধ্যক্ষ গৰাকীয়ে এইদৰে কয়। সভাৰ পূৰ্বে স্থানীয় বিজেপি মণ্ডল কাৰ্যালয়ৰ পৰা এক বিশাল-বৰ্ণাঢ্য শোভাযাত্ৰাৰে তেখেতক বৰপেটাৰোড চহৰৰ মাজেৰে আগবঢ়াই অনা হয়। সহস্ৰাধিক দলীয় কৰ্মী আৰু স্থানীয় ৰাইজৰ উপস্থিতিয়ে সমগ্ৰ পৰিৱেশ উৎসৱমুখৰ কৰি তোলে। এই বিশাল শোভাযাত্ৰাৰ অন্তত বৰপেটাৰোডৰ ঐতিহাসিক ৰবীন্দ্ৰকুঞ্জত এক ভব্য ৰাজহুৱা সম্বৰ্ধনা সভাৰ আয়োজন কৰা হয়। সভাত অঞ্চলটোৰ বিভিন্ন দল-সংগঠন, সামাজিক অনুষ্ঠান আৰু সৰ্বসাধাৰণ ৰাইজে অধ্যক্ষ গৰাকীক শতাধিক দল সংগঠনে ফুলাম গামোচা, জাপি আৰু মানপত্ৰ সহ বিভিন্ন সামগ্ৰীৰে বিপুল সম্বৰ্ধনা জ্ঞাপন কৰে। বৰপেটাৰোড প্ৰেছ ক্লাৱ, বৰপেটাৰোড পৌৰসভা, বৰপেটাৰোড সাহিত্য সভা, ৰাস মন্দিৰ তথা মহোৎসৱ সমিতি, কেন্দ্ৰীয় নেতাজী ভাৱনা মঞ্চ, দি' বৰপেটাৰোড ক্লাব, অনিল মুজাম্মিল সংঘ, চন্দনপুৰ শিৱ মন্দিৰ, হনুমান মন্দিৰ, লায়ন্স ক্লাব, মাৰোৱাৰী যুৱ মঞ্চ, বাবুপাৰা যুৱ সমাজ, বৰপেটাৰোড জামে মজজিদ আদি কৰি ৰাজনৈতিক দল, মহিলা সমিতি সহ ৭০ ৰ অধিক অনুষ্ঠান-সংগঠনে সম্বৰ্ধনা জনায়। সভাত উপস্থিত ৰাইজক ধন্যবাদ জনাই বিধায়কগৰাকীয়ে ভৱানীপুৰ-সৰভোগ সমষ্টিটোৰ সৰ্বাংগীণ উন্নয়ন-ৰাইজৰ সেৱাত নিজক উৎসৰ্গা কৰাৰ প্ৰতিশ্ৰুতি দি বৰপেটাৰোডত কেবাটিও ৰাজহুৱা কাম কৰাৰ কথা দোহাৰে। আনপিনে সাংবাদিকৰ আগত তেওঁ কয় যে বৰপেটাৰোডত চান্দা সংস্কৃতি কোনোদিনে চলিব নোৱাৰে। ব্যৱসায়ী, সাধাৰণ লোক আৰু খাটি খোৱা মানুহক ভয় দেখুৱাই টকা সংগ্ৰহৰ ৰাজনীতি বন্ধ হ'ব লাগিব। বাছ, ট্ৰাক আৰু সৰু যান-বাহনৰ পৰাও কোনো লব নোৱাৰিব টকা হাৰাশাস্তি কৰিলে কঠোৰ শাস্তি, বিহা হ'ব বুলি উল্লেখ কৰে। একেদৰে এই অভিযোগ উঠি অহা জনসাধাৰণৰ কামত বাধা সৃষ্টি কৰা আৰু দুৰ্নীতিৰ সৈতে জড়িত আৰক্ষী তথা চাকৰিয়ালসকলক কঠোৰ ভাষাৰে সকীয়াই দি ৰনজিৎ দাসে মন্তব্য কৰে যে জনতাৰ স্বাৰ্থবিৰোধী কাম বন্ধ কৰক, নহ'লে বৰপেটাৰোড এৰিবলৈ সাজু থাকক বুলি কয়। সভাত বৰপেটাৰোড পৌৰসভাৰ পৌৰপতি ৰাজেশ সৰকাৰ, ৱাৰ্ড কমিছনাৰ, কৰ্মচাৰী সকলৰ লগতে ভালে কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# হিন্দু ঐক্য কেৱল চৰকাৰ অনা ক্ষেত্ৰতে সীমাবদ্ধ থাকিলে নহ'ব, হিন্দুত্ব ৰক্ষাৰ ক্ষেত্ৰতো নিৰ্ণায়ক ভূমিকা ল'ব লাগিব ঃ বলেন বৈশ্য

**অসম বাৰ্তা, বৰপেটাৰোড, ২৬ মে'** ঃ এইবাৰ বিজেপিয়ে বৃহৎ সফলতা পোৱাৰ অন্তৰালত হিন্দু ঐক্যই ক্ৰিয়া কৰিছে যাৰ ফলত অসম-বংগত বিজেপিয়ে অভাৱনীয় সফলতা পাবলৈ সক্ষম হৈছে। এই দাবী ৰাষ্ট্ৰীয় হিন্দু ফ্ৰণ্ট, অসমৰ। আজি বৰপেটাত অনুষ্ঠিত এখন সংবাদ মেলত সাংবাদিকৰ আগত এনে ধৰণে দাবী উত্থাপন কৰি সংগঠনটোৰ ৰাজ্যিক সভাপতি বলেন বৈশ্যই কয় বৰ্তমান সময়ত একত্ৰিত হোৱা হিন্দু ঐক্য কেৱল চৰকাৰ ভঙা পতাতে আৱদ্ধ নাৰাখি ভাৰতীয় সংস্কৃতি আৰু হিন্দুত্ব ৰক্ষাৰ ক্ষেত্ৰতো ব্যৱহাৰ কৰিবলৈ হিন্দু সমাজক আহ্বান জনাই। সংবাদমেলত সভাপতি বৈশ্যই কয় যে কোনো চৰকাৰে হিন্দুক সুৰক্ষিত কৰিব নোৱাৰে যদিহে সমাজখন নিজেই সজাগ, সচেতন আৰু সক্ৰিয় নহয়। সেয়েহে সমূহ হিন্দু সমাজক সজাগ, সচেতন সক্ৰিয় হৈ থাকিবলৈ আহ্বান জনাই হিন্দুত্ববাদী নেতা গৰাকীয়ে। আজিৰ সংবাদ মেলখনতে বৈশ্যই এইবাৰৰ নৱনিৰ্বাচিত ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনক শুভেচ্ছা জনোৱাৰ লগতে হিন্দুত্ব ৰক্ষাৰ ক্ষেত্ৰত সক্ৰিয়তাৰে কাম কৰিবলৈও আহবান জনাই বৈশ্যই কয় যে অসমত মুছলিম বাকাফ বোৰ্ড নিষিদ্ধ কৰিব লাগে। লাভ জেহাদ আৰু কৌশলপূৰ্ণ ধৰ্মান্তকৰণ বিৰুদ্ধে প্ৰথমখন বিধান সভাৰ অধিবেষণতে এখন কঠোৰ আইন প্ৰণয়ন কৰাৰ বাবে সংগঠনটোৰ নেতা গৰাকীয়ে নৱ নিৰ্বাচিত চৰকাৰখনক আহবান জনায়। আজি ৰাষ্ট্ৰীয় হিন্দু ফ্ৰণ্ট, অসমৰ নেতৃত্বত হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসম, বিশ্ব হিন্দু মহাসংঘ, হিন্দু সুৰক্ষা সেনা, অসম আৰু হিন্দুৰাষ্ট্ৰ দাবী সমিতি, অসমৰ এখন সন্মিলিত জৰুৰী কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। বলেন বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আজিৰ এই কাৰ্যনিৰ্বাহক সভাত সংযুক্ত মুক্তি বাহিনী, অসমৰ এসময়ৰ কেপ্তেইন দীপক দাস ওৰফে লোহিত দেউৰী সহ প্ৰায় ১৫জন সতীৰ্থই ভাৰতীয় সংস্কৃতি আৰু হিন্দুত্বৰ ধাৰাত কাম কৰাৰ বাবে ৰাষ্ট্ৰীয় হিন্দু ফ্ৰণ্ট, অসমত যোগদান কৰে। হিন্দুত্ববাদী সম্মিলিত সংগঠন কেইটাৰ উমৈহতীয়া কাৰ্যনিৰ্বাহক আজিৰ সভাত আটাইকেইটা সংগঠনৰ ৰাজ্যিক তথা কেন্দ্ৰীয় সভাপতি আৰু কেন্দ্ৰীয় সমিতিৰ লগতে সমূহ জিলাৰ সভাপতি সম্পাদক উপস্থিত থাকে। আজিৰ কাৰ্যসূচীৰ বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে বৰপেটাৰোড প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক অলকেশ বায়নে।

# তিনিচুকীয়াত মৰাণ ছাত্ৰ সন্থাৰ শৈক্ষিক বঁটা প্ৰদান সম্পন্ন; ৭ গৰাকী কৃতী শিক্ষাৰ্থীক বিশেষ সম্বৰ্ধনা

**অসম বাৰ্তা, তিনিচুকীয়া, ২৬ মে'** ঃ সদৌ মৰাণ ছাত্ৰ সন্থাৰ উদ্যোগত আৰু সন্থাৰ শৈক্ষিক ন্যাসৰ সহযোগত আজি তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণ সাংস্কৃতিক কেন্দ্ৰত "শৈক্ষিক বঁটা প্ৰদান আৰু অভিনন্দন অনুষ্ঠান" সফলতাৰে সম্পন্ন হয়। "সত্য, নিষ্ঠা, সমতা" মূলমন্ত্ৰৰে শৈক্ষিক ক্ষেত্ৰত উৎকৰ্ষ সাধন কৰা ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰাৰ উদ্দেশ্যে এই অনুষ্ঠানৰ আয়োজন কৰা হয়। চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ বা তাতকৈ অধিক নম্বৰ লাভ কৰা মৰাণ জনজাতিৰ শতাধিক কৃতী ছাত্ৰ-ছাত্ৰীক এই অনুষ্ঠানত নগদ মাননি, সম্বৰ্ধনা পত্ৰ আৰু কিতাপৰ টোপোলাৰে সন্মানিত কৰা হয়। অনুষ্ঠানত বিভিন্ন শাখাত সৰ্বোচ্চ নম্বৰ লাভ কৰা ৭ গৰাকী মেধাবী শিক্ষাৰ্থীক বিশেষ শৈক্ষিক বঁটাৰে সন্মানিত কৰা হয়। ছেবাৰ অধীনৰ উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সৰ্বাধিক নম্বৰপ্ৰাপ্ত ছাত্ৰী হিমাশ্ৰী মৰাণক ৰবীন মৰাণ শৈক্ষিক বঁটা, ছেবাৰ অধীনৰ উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত দ্বিতীয় সৰ্বাধিক নম্বৰপ্ৰাপ্ত ছাত্ৰ বৰুণ বিকাশ মৰাণক শ্ৰীশ্ৰী লিহিং চন্দ্ৰ মহন্ত শৈক্ষিক বঁটা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সৰ্বাধিক নম্বৰপ্ৰাপ্ত ছাত্ৰ মানসপ্ৰতীম মৰাণ আৰু আদি দহোটীয়াক যুটীয়াভাৱে প্ৰদান কৰা হয় ভুৱন চুতীয়া শৈক্ষিক বঁটা একেদৰে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত দ্বিতীয় সৰ্বাধিক নম্বৰপ্ৰাপ্ত ছাত্ৰী ষ্টেলিনা মৰাণক ঘণকান্ত মৰাণ শৈক্ষিক বঁটা, কেন্দ্ৰীয় ব'ৰ্ডৰ উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সৰ্বাধিক নম্বৰপ্ৰাপ্ত ছাত্ৰ হৃদয়ানন্দ মেধিক মোহন শইকীয়া শৈক্ষিক বঁটা, কেন্দ্ৰীয় ব'ৰ্ডৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সৰ্বাধিক নম্বৰপ্ৰাপ্ত ছাত্ৰী শিখা মৰাণক ড° ফটিক চন্দ্ৰ বৰুৱা শৈক্ষিক বঁটা প্ৰদান কৰা হয়। ইয়াৰ উপৰি ২০২৬ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মৰাণ জনজাতিৰ ছোৱালীৰ ভিতৰত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত শিখা মৰাণৰ মাতৃ মাইনু মৰাণলৈ জাতীয় মহিলা পৰিষদৰ তৰফৰ পৰা 'বীৰাংগনা ৰাধা ৰুকুণী বঁটা' আগবঢ়োৱা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে জ্যেষ্ঠ সাংবাদিক ড° কুমুদ দাস আৰু স্বায়ত্ত শাসিত তিনিচুকীয়া বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চৈতন্য বৰা উপস্থিত থাকে।

# দুধনৈত প্ৰথমবাৰৰ বাবে 'মিষ্টাৰ এণ্ড মিছ এন.পি.চি. অসম বডিবিল্ডিং প্ৰতিযোগিতা'; ৩০ মে'ত বহিব তাৰকা খেলুৱৈৰ মেলা




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৬ মে'** ঃ ৰাজ্যৰ ক্ৰীড়াপ্ৰেমী সকলৰ বাবে এক অত্যন্ত সুখবৰ। প্ৰথমবাৰৰ বাবে দুধনৈৰ জনমন্দিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলৈ গৈ আছে এক ভব্য ক্ৰীড়া মহোৎসৱ। অহা ৩০ মে'ত এক আড়ম্বৰপূৰ্ণ পৰিৱেশত অনুষ্ঠিত হ'ব "মিষ্টাৰ এণ্ড মিছ এন.পি.চি". অসম বডিবিল্ডিং প্ৰতিযোগিতা' (Mr. & Miss NPC Assam Bodybuilding Championship)। আজি দুধনৈস্থিত 'বেটেল বক্স জিম'ত আয়োজিত এক সংবাদ মেলযোগে এই কথা সদৰী কৰে বিশিষ্ট শৰীৰচৰ্চাবিদ তথা মিষ্টাৰ ইউনিভাৰ্চ গোলাপ ৰাভাই। সংবাদ মেলত জনোৱা মতে, এই বিশেষ প্ৰতিযোগিতাখনত দেশৰ বিভিন্ন ৰাজ্যৰ পৰা অহা প্ৰায় এশ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ চেম্পিয়নশ্বিপৰ বাবে নিজকে যোগ্য প্ৰমাণ কৰাৰ লক্ষ্যৰে খেলুৱৈসকলে এই মঞ্চত তীব্ৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব। খেলখনৰ আন এক আকৰ্ষণ হ'ল যে ইয়াক সম্পূৰ্ণৰূপে পৰিচালনা কৰিব আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ অভিজ্ঞ ৰেফৰিয়ে। অহা ৩০ মে'ৰ এই ভব্য প্ৰতিযোগিতাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ১৫ নং দুধনৈ বিধানসভা সমষ্টিৰ বিধায়ক তথা ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা। খেলখন সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে ইতিমধ্যে এখন শক্তিশালী পৰিচালনা কমিটি গঠন কৰা হৈছে বুলিও উদ্যোক্তা সকলে জানিবলৈ দিয়ে। দুধনৈৰ বুকুত প্ৰথমবাৰৰ বাবে আয়োজন কৰা এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ শৰীৰ চৰ্চা প্ৰতিযোগিতাখনক লৈ সমগ্ৰ অঞ্চলটোৰে ক্ৰীড়াপ্ৰেমী ৰাইজৰ মাজত এক ব্যাপক উছাহ-উদ্দীপনা দেখিবলৈ পোৱা গৈছে।

# বৰ্তমানৰ চৰকাৰে ধৰ্মান্তকৰণৰ কৱলৰ পৰা অসমৰ খিলঞ্জীয়া হিন্দু সমাজক ৰখ্যা কৰিব পাৰিবনে? বিশ্ব হিন্দু মহা সংঘ

**অসম বাৰ্তা, মাজুলী, ২৬ মে’ ঃ** নৱ নিৰ্বাচিত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰ খনে অসমৰ খিলঞ্জীয়া হিন্দু সমাজখনক খ্ৰীষ্টান মিছনেৰীৰ ধৰ্মান্তকৰণৰ পৰা ৰক্ষা কৰিব পাৰিবনে বুলি প্ৰশ্ন উত্থাপন কৰিছে- বিশ্ব হিন্দু মহা সংঘ অসমৰ ৰাজ্যিক অধ্যক্ষ- শ্ৰীশ্ৰী দক্ষিণপাট গৃহাশ্ৰমী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দ্দন দেৱ গোস্বামী আৰু সাধাৰণ সম্পাদক গৌতম বৰাই। অধ্যক্ষ জনাৰ্দ্দন দেৱ গোস্বামীয়ে কয় যে- পূৰ্ব্ব বংগীয় মুছলমানৰ সংখ্যা গৰিষ্ঠতা কবলত নামনি আৰু উজনি অসম পতিত হোৱাৰ দৰে উজনি অসমত ধৰ্ম জেহাদী খ্ৰীষ্টান মিছনেৰীৰ ধৰ্মান্তকৰণৰ কৱলত ভূমি লুণ্ঠিত হৈছে। মিছনেৰী সকলে প্ৰবঞ্চনা আৰু প্ৰলোভনেৰে ধৰ্মান্তকৰণ চলাই আহিছে। সত্ৰীয়া সংস্কৃতিৰ পীঠ স্থান অসমৰ ধৰ্মৰ কিৰিটি মাজুলীত অৱস্থিত হৈছে ৩৬খন সত্ৰৰ বিপৰীতে সৰু বৰ ৬৪টা গীৰ্জা। অৰ্থৰ প্ৰলোভনেৰে মিচিং ভাই ভগ্নীক ধৰ্মান্তকৰণ কৰি চতুৰালিয়ে মাজুলীক খ্ৰীষ্টান ভূমিলৈ ৰূপান্তৰিত কৰাৰ কুট নৈতিক ষড়যন্ত্ৰ অব্যাহত ৰাখিছে। যীশুৰ চোখে উদ্ধৰ পৰা সহায়; যীশু খ্ৰীষ্ট আদি সৰু সৰু পুস্তিকা উলিয়াই বিদ্যালয় মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ হাতত তুলি দি ধৰ্মান্তকৰণ কৰাৰ চেষ্টাও অব্যাহত ৰাখিছে। মহাসংঘই ১০/১৫ বছৰে কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্য চৰকাৰক দাবী জনাই আহিছে। ২০০৬ সাংস্কৃতিক দৃশ্য পট ক্ষেত্ৰ আইন কাৰ্যকৰী কৰি মাজুলীক বৈষ্ণৱ পীঠ ৰূপে সংৰক্ষণ কৰিবলৈ, কিন্তু কিয় এই সাংস্কৃতিক দৃশ্য পট ক্ষেত্ৰ আইন কাৰ্যকৰী কৰা নাই, ই এক প্ৰশ্নৰ বিষয় হৈ পৰিছে। আমি দাবী জনাইছোঁ অতি সোনকালে আইনখন কাৰ্যকৰী কৰি মাজুলীক সুৰক্ষা প্ৰদান কৰক। শদিয়াত প্ৰতিষ্ঠা কৰিছে গোৰ্গী গিৰ্জা। এই গোৰ্খা গীৰ্জাই সনাতনী নেপালী সম্প্ৰদায়ৰ ৰীতি—নীতি সকলো নিশেষ কৰি পেলাব। গোলাঘাট জিলাত উৰিয়াম ঘাটৰ পৰা চৰাইদেউ জিলাৰ সাপেখাতী অঞ্চললৈকে ব্যাপ্ত হৈছে। উৰিয়াম ঘাটৰ কাছাৰী, মেৰাপানী, তিতাবৰ, পানীখাতী, গড়াজান, শিলডুবি, গাহৰি চোবাই, ফুলবাৰী, মৰিয়নিৰ নিউ সোণোৱাল, নাগাজাংকা, নকছাৰী, আমগুৰি, গেলেকী, সাপেখাতি, তিতাবৰৰ পাঞ্জানগাওঁ পঞ্চায়ত, মেডলুবাজান, ৰাজা বাহাৰ গাওঁ, গাহৰি বিচোৰ, ৰজাবাৰী চাহবস্তি, নতুন লাইন আদিত বৰ্তমান নতুন গীৰ্জাই মুৰদাঙিউঠিছে। কাৰ্বি আংলং জিলাৰ চোটলেংগ্ৰী, বৰলেংগী, টিলাবস্তি তিনিআলিৰ, কাচিৰাম বস্তি, শঙ্কৰ টিলা আদিত ব্যাপক ভাৱে ধৰ্মান্তকৰণ চলি আছে। বিশেষকৈ ধৰ্মান্তকৰণৰ নামত অৰ্থ প্ৰলোভনৰ আমাৰ সনাতনী হিন্দু ধৰ্মৰ মহাপুৰুষ সকলৰ সৃষ্টি ৰাজি ধৰ্ম গ্ৰন্থ আদি বিকৃত কৰি যিশুৰ নাম সন্নিৱিষ্ট কৰি সহজ সৰল সনাতনী ভূমি পুত্ৰ হিন্দু লোকক পৰিকল্পিত ভাৱে খ্ৰীষ্টান মিছনেৰীয়ে সাংস্কৃতিক আক্ৰমণ কৰি থকা দেখিও হিন্দু শাসিত অসম চৰকাৰ খনে কুলিৰ দৰে চকু মুদি চৰকাৰ খনে ৰাজ সাহায্য প্ৰদান কৰা দেখা গৈছে। বিশ্ব হিন্দু মহা সংঘৰ প্ৰশ্ন হ’ল- বৰ্তমান ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰখনে অসমক খ্ৰীষ্টানৰ কবলৰ পৰা ৰক্ষা কৰিব পাৰিবনে?

# অসম অনুসূচিত জাতি পৰিষদৰ মুখ্যমন্ত্ৰীক অভিনন্দন আৰু স্মাৰকপত্ৰ প্ৰদান



**অসম বাৰ্তা, মিৰ্জা, ২৬ মে’ ঃ** দ্বিতীয়বাৰৰ বাবে অসমৰ মুখ্যমন্ত্ৰীৰ আসন অলংকৃত কৰা ড° হিমন্ত বিশ্ব শৰ্মাক বিধান সভাৰ মাজতে অভিনন্দন জ্ঞাপন কৰে অসম অনুসূচিত জাতি পৰিষদে। পৰিষদৰ সভাপতি, সদ্য প্ৰাক্তন বিধায়ক ভবেন্দ্ৰ নাথ ভৰালী, সাধাৰণ সম্পাদক দীপাংকৰ হাজৰিকাৰ নেতৃত্বত কেন্দ্ৰীয় সমিতিৰ ২৫ জনীয়া সজাতি দলে বিধান সভাৰ মুখ্যমন্ত্ৰীৰ কক্ষত সাক্ষাৎ কৰি উষ্ম আদৰণী জনোৱাৰ লগতে ১০ দফিয়া এক স্মাৰকপত্ৰ প্ৰদান কৰি আলোচনাত বহে। আলোচনাত মুখ্যমন্ত্ৰী গৰাকীয়ে মন্ত্ৰী সভাৰ সম্প্ৰসাৰণৰ পিছতে অনুসূচিত জাতি উন্নয়ন পৰিষদ গঠন প্ৰক্ৰিয়া আৰম্ভ হ’ব বুলি স্পষ্ট কৰি দিয়ে। একেসময়তে মিছন ভূমিপুত্ৰৰ আসোঁৱাহ, সতিৰাধিকা স্মৃতি ক্ষেত্ৰ উন্নয়ন, সতী ৰাধিকাৰ নামত বিশ্ববিদ্যালয় স্থাপন, অনুসূচিত জাতি ব্লক বেল্ট ঘোষণা কৰা, আগন্তুক বাজেটত অনুসূচিত জাতি উপ আঁচনিত পৰ্যাপ্ত পুঁজি নিশ্চিত কৰা, ভূমিহীন আৰু মথাউৰিত বসবাস কৰা অনুসূচিত জাতি লোক সকলক ভূমি প্ৰদান কৰি পুনৰ সংস্থাপন কৰা, জাতি গণনা সঠিক ৰূপত কৰা, স্বায়ত্ব শাসিত পৰিষদত বসবাস কৰা অনুসূচিত জাতি লোকৰ বাবে বিশেষ পুঁজি নিৰ্দ্ধাৰণ আৰু নিৰাপত্তা প্ৰদান আদি বিষয়ৰ ওপৰত মন্ত্ৰী সভা সম্প্ৰসাৰণৰ পিছতেই মুখ্যমন্ত্ৰী আৰু বিভাগীয় মন্ত্ৰী আৰু পৰিষদৰ লগত এক বিশেষ যৌথ আলোচনা হব বুলি মুখ্যমন্ত্ৰীয়ে আলোচনা কালত পৰিষদৰ নেতৃত্বক অৱগত কৰে। মুখ্য মন্ত্ৰী গৰাকীৰ এনে সৌহাদ্যপূৰ্ণ আৰু আন্তৰিকতাপূৰ্ণ দৃঢ় স্পষ্ট স্থিতিক অসম অনুসূচিত জাতি পৰিষদে আদৰণী জনাই মুখ্যমন্ত্ৰী গৰাকীক ধন্যবাদ জ্ঞাপন কৰিছে। একে সময়তে অনুসূচিত জাতি সংৰক্ষিত সমষ্টিৰ পৰা নিৰ্বাচিত হোৱা অনুসূচিত জাতিৰ ৯ গৰাকী বিধায়কক বিধানসভাৰ মাজতে অনুসূচিত জাতি পৰিষদৰ পৰা অভিনন্দন জ্ঞাপন কৰা বুলি পৰিষদৰ নেতৃত্বই জনাইছে।

# কুমুল্লীপাৰাৰ জৰাজীৰ্ণ কাঠৰ দলঙে আতংকিত কৰিছে ৰাইজক; শীঘ্ৰে পকী দলং নিৰ্মাণৰ দাবী

**অসম বাৰ্তা, কুমুল্লীপৰা, ২৬ মে’ ঃ** ২৫ নং পাকাবেতবাৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত কুমুল্লী পাৰাৰ খন্দকাৰ হবিবৰ ৰহমান চেণ্টাৰৰ পশ্চিম ফালে জুৰাৰ ওপৰত অৱস্থিত এখন কাঠৰ দলং দীৰ্ঘদিন ধৰি জৰাজীৰ্ণ অৱস্থাত পৰি থকাৰ ফলত অঞ্চলবাসীয়ে চৰম দুৰ্ভোগ ভোগ কৰিবলগীয়া হৈছে। সময়ৰ লগে লগে দলংখনৰ কাঠসমূহ জহি-খহি প্ৰায় নিশ্চিহ্ন হৈ পৰাত বৰ্তমান দলংখন যাতায়তৰ বাবে অতি বিপজ্জনক ৰূপ ধাৰণ কৰিছে। জানিব পৰা মতে, স্থানীয় ৰাইজে বহু কষ্টেৰে বাঁহ, কাঠ আদি ব্যৱহাৰ কৰি দলংখন অস্থায়ীভাৱে মেৰামতি কৰি কোনোমতে যাতায়তৰ ব্যৱস্থা অব্যাহত ৰাখিছে। কিন্তু চাৰিচকীয়া বাহন তথা গধুৰ যান-বাহন চলাচল সম্পূৰ্ণৰূপে বন্ধ হৈ পৰাত অঞ্চলটোৰ কেইবাখনো গাঁৱৰ সাধাৰণ ৰাইজে নিত্যদিনে নানা সমস্যাৰ সন্মুখীন হ’বলগীয়া হৈছে। কৃষিজাত সামগ্ৰী পৰিবহণ, জৰুৰী চিকিৎসা সেৱা আৰু দৈনন্দিন যোগাযোগ ব্যৱস্থাও ইয়াৰ ফলত ব্যাপকভাৱে ব্যাহত হৈছে। বিশেষকৈ বাৰিষাৰ সময়ত পৰিস্থিতি অধিক ভয়াবহ ৰূপ ধাৰণ কৰে। স্কুল-কলেজলৈ অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰী, চিকিৎসাৰ বাবে হাস্পতাললৈ যোৱা বেমাৰী, বৃদ্ধ লোক তথা সাধাৰণ পথচাৰীসকলে প্ৰাণৰ আশংকা লৈ দলংখন পাৰাপাৰ কৰিবলগীয়া হয়। স্থানীয় ৰাইজৰ মতে, যিকোনো মুহূৰ্ততে এক বৃহৎ দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। অভিযোগ অনুসৰি, বহু বছৰ ধৰি সমস্যাটো অব্যাহত থাকিলেও আজিলৈকে স্থায়ী সমাধানৰ ক্ষেত্ৰত কোনো ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। ফলত চৰকাৰ আৰু জনপ্ৰতিনিধিৰ ভূমিকা লৈও অঞ্চলবাসীৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হৈছে। সেয়েহে স্থানীয় ৰাইজে ২৫ নং পাকাবেতবাৰী বিধান সভা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক জাকিৰ হুছেইন শিকদাৰ আৰু অসম চৰকাৰৰ ওচৰত বিষয়টো অগ্ৰাধিকাৰ ভিত্তিত বিবেচনা কৰি অতি শীঘ্ৰে এখন পকী আৰু স্থায়ী দলং নিৰ্মাণৰ জোৰ দাবী জনাইছে। অঞ্চলটোৰ সচেতন মহলে মত প্ৰকাশ কৰি কয় যে, উন্নত যোগাযোগ ব্যৱস্থা অবিহনে কোনো অঞ্চলৰ শিক্ষা, স্বাস্থ্য, বাণিজ্য আৰু সামগ্ৰিক আৰ্থ-সামাজিক উন্নয়ন সম্ভৱ নহয়। সেয়েহে বৃহত্তৰ জনস্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে তাৎক্ষণিক হস্তক্ষেপ কৰি স্থায়ী সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি অঞ্চলবাসীয়ে আশাবাদ ব্যক্ত কৰিছে।

## “আমাৰ দেশত ব্যৱহাৰ কৰা ৭০ শতাংশ ৰাসয়নিক সাৰ বিদেশৰ পৰা আমদানি কৰা হয়”- মাণ্ডলিক কৃষি গৱেষণা কেন্দ্ৰ চিলঙনিৰ মুখ্য বিজ্ঞানী ড° হিৰণ্য কুমাৰ বৰা

# কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱত কৃষি সামগ্ৰী ব্যৱসায়ীৰ ১৫ দিনীয়া প্ৰশিক্ষণ কাৰ্য্যসূচীৰ সফল সামৰণি

**অসম বাৰ্তা, বটদ্ৰৱা, ২৬ মে’ ঃ** “আমাৰ দেশত ব্যৱহাৰ কৰা ৭০ শতাংশ ৰাসায়নিক সাৰ বিদেশৰ পৰা আমদানি কৰা হয়। গতিকে যিমান পাৰি জৈৱিক সাৰৰ ব্যৱহাৰ আৰু সাৰৰ সুষম ব্যৱহাৰ কৰিলে, দেশৰ উন্নতি সাধন হ’ব। আপোনালোকৰ ব্যৱসায়টো দেশৰ অৰ্থনৈতিক দিশৰ লগতে পোনপটীয়াকৈ জড়িত। সেইভাৱে, সঠিক ৰূপত কৃষকক সহায় কৰক। ব্যৱসায়ৰ স্বাৰ্থতকৈ কৃষকৰ স্বাৰ্থ বেছি গুৰুত্ব প্ৰদান কৰক। আপোনাকে নীতি নিৰ্দেশনা পালন কৰি অগ্ৰসৰ হওক। কৃষি বিভাগ, মাণ্ডলিক গৱেষণা কেন্দ্ৰ চিলঙনী, আৰু কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ সকলোৱে আপোনালোকক সহায়ৰ বাবে সদায় প্ৰস্তুত।” এই মন্তব্য মাণ্ডলিক কৃষি গৱেষণা কেন্দ্ৰ চিলঙনিৰ মুখ্য বিজ্ঞানী ড° হিৰণ্য কুমাৰ বৰাৰ। আজি অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট আৰু ৰাজ্যিক কৃষি বিভাগৰ যুটীয়া উদ্যোগত, কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ দ্বাৰা আয়োজিত “কৃষি সামগ্ৰী ব্যৱসায়ীৰ ১৫ দিনীয়া প্ৰশিক্ষণ কাৰ্য্যসূচী”ৰ আজি সামৰণি অনুষ্ঠানত মুখ্য অতিথি ৰূপে উপস্থিত থাকি তেওঁ এই মন্তব্য প্ৰদান কৰে। শিমলুগুৰিস্থিত কৃষি বিজ্ঞান কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীৰ আজিৰ সামৰণি অনুষ্ঠানৰ আদৰনি ভাষণ আৰু উদেশ্য ব্যখ্যা কৰি কেন্দ্ৰটিৰ প্ৰধান বিজ্ঞানী তথা মুৰব্বী ড° ভবেশ চন্দ্ৰ ডেকাই “মানৱীয় প্ৰমূল্য বজাই ৰাখি, সামান্য লাভৰ আশাত যাতে ক্ষতিকাৰক বস্তু যাতে কৃষকক নিদিয়ে। যাৰ ফলত আমাৰ মাটি, পানী, বায়ু নষ্ট নহয়। তাৰ প্ৰতি সদায় দ্বায়বদ্ধতা অৱলম্বন কৰিব লাগিব। কৃষি সামগ্ৰী ব্যৱসায়ী সকলৰ সমাজত দায়িত্ব বহুত, কাৰণ তেওঁলোকে কৃষকক শুদ্ধ পৰামৰ্শ প্ৰদান কৰি কৃষি ব্যৱসায়ী সকলে সাঁকোৰ ভূমিকা পালন কৰিব লাগিব। এই সাঁকো কৃষক আৰু বিভিন্ন এজেন্সী, কৃষি বিভাগ, কৃষি বিজ্ঞানী সকলোৰে সমন্বয়ক হিচাপে কাম কৰিব লাগিব।” বুলি ভাষণ প্ৰদান কৰে। অনুষ্ঠানত নিমন্ত্ৰিত অতিথি ৰূপে অংশ গ্ৰহণ কৰি অসম চৰকাৰৰ কৃষি বিভাগৰ নগাঁও জিলাৰ সহকাৰী সঞ্চালক অসীম পাঠকে “আমি সকলো কৃষকৰ কাষলৈ এতিয়াও যাব পৰা নাই। আপোনালোকৰ শুদ্ধ জ্ঞানৰ দ্বাৰা কৃষকৰ লগতে সমাজত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। জধে মধে কীটনাশক ব্যৱহাৰ কৰাৰ ফলত বহু ভয়ংকৰ বেমাৰ আজাৰ বৃদ্ধি পাইছে।” বুলি প্ৰকাশ কৰে। কৃষি অৰ্থনীতি বিভাগৰ বিষয়বস্তু বিশেষজ্ঞা ড° চিংকি বৰ্মনে আঁত ধৰা সামৰণি অনুষ্ঠানত অতিথি ৰূপে উপস্থিত থাকি নগাঁও জিলাৰ উপ কৃষি সঞ্চালক সূৰ্য কুমাৰ আমচিয়ে “প্ৰশিক্ষণ গ্ৰহণ কৰা কৃষি সামগ্ৰী ব্যৱসায়ী সকলে পৰৱৰ্তী সময়ত নিজৰ অঞ্চলৰ কৃষক সকলক প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰি, কৃষক সকল উপকৃত হোৱা বিভিন্ন কাৰ্যপন্থা হাতত লৈ সামাজিক দ্বায়িত্ব পালন কৰিব।” বুলি ভাষণ প্ৰদান কৰে। অনুষ্ঠানটিত নাবাৰ্ডৰ জিলা উন্নয়ন প্ৰবন্ধক ৰাজেন্দ্ৰৰ ৰাজমাউলি পাৰনা(perna)য়ো ভাষণ প্ৰদান কৰে। নগাঁও জিলাৰ ২৫ গৰাকী কৃষি সামগ্ৰী ব্যৱসায়ীয়ে অংশ গ্ৰহণ কৰা এই প্ৰশিক্ষণ কাৰ্যসূচীৰ সামৰণি অনুষ্ঠানত কেন্দ্ৰৰ উদ্যান শস্য বিশেষজ্ঞা জুলি শৰ্মা, ভূমি বিজ্ঞান বিশেষজ্ঞ দিপেন চন্দ্ৰ নাথ, প্ৰকল্প সহযোগী ৰূপক কুমাৰ টায়েকে আদি কৰি কেইবাগৰাকী ব্যক্তি উপস্থিত থকে। পশু বিজ্ঞান বিশেষজ্ঞ ড° অনিমেশ ডেকাই শলাগৰ শৰাই আগবঢ়োৱাৰ পূৰ্বে প্ৰশিক্ষণ গ্ৰহণ কৰা কৃষি সামগ্ৰী ব্যৱসায়ী সকলক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়।




■ সামৰি লোৱা হৈছে জিলাখনৰ পাঁচটা উন্নয়ন খণ্ডৰ ৬৬খন গাঁও ■

# বিশ্বনাথ জিলাতো সফলতাৰে ৰূপায়ণ দেশজোৰা অভিযান ‘জন ভাগীদাৰী’

**অসম বাৰ্তা, বিহালী, ২৬ মে’ ঃ** ভাৰত চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত দেশজোৰা অভিযান “জন ভাগীদাৰী- আটাইতকৈ দূৰৈৰ, আটাইতকৈ প্ৰথম” (Jan Bhagidaari Sabse Door, Sabse Pehle) বিশ্বনাথ জিলাতো সফলতাৰে ৰূপায়ণ কৰা হৈছে। এই অভিযানৰ প্ৰাথমিক উদ্দেশ্য আছিল অনুসূচীত জনজাতি সম্প্ৰদায়ৰ বাবে সকলো চৰকাৰী কল্যাণমূলক আঁচনি আৰু সেৱাৰ পৰিপূৰ্ণতা নিশ্চিত কৰা। আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মিলন কক্ষত অনুষ্ঠিত হোৱা এক সংবাদমেলত এই কথা সদৰি কৰে জিলা প্ৰশাসনে। সহকাৰী আয়ুক্ত সংযুক্তা গগৈয়ে এই কথা প্ৰকাশ কৰি জিলাখনৰ বিভিন্ন ঠাইত ৰূপায়ণ কৰা সপ্তাহজোৰা এই অভিযানৰ সবিশেষ অৱগত কৰে। তেওঁ উল্লেখ কৰে যে, বিশ্বনাথ জিলাত ১৮ মে’ ২০২৬ তাৰিখে বৰগাং আদি সেৱা কেন্দ্ৰত বিশ্বনাথৰ জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়াই সপ্তাহজোৰা এই অভিযান উদ্বোধন কৰিছিল। এই উপলক্ষত, জিলা আয়ুক্ত গৰাকীয়ে জনজাতীয় হিতাধিকাৰীসকলৰ সৈতে ব্যক্তিগতভাৱে বাৰ্তালাপ কৰে আৰু তেওঁলোকৰ দুৱাৰমুখত বিভিন্ন ৰাজহুৱা সেৱা প্ৰদান কৰাত সহায় কৰে, সামগ্ৰিক শাসন আৰু অন্তিম মুহূৰ্ত পৰ্যন্ত সেৱা প্ৰদানৰ বাবে প্ৰশাসনৰ প্ৰতিশ্ৰুতিৰ পুনৰাবৃত্তি কৰে। তথ্য অনুসৰি, জনজাতীয় সম্প্ৰদায়ৰ মাজত চৰকাৰী কল্যাণমূলক আঁচনিসমূহৰ কাৰ্যকৰী বিতৰণ নিশ্চিত কৰাৰ লক্ষ্যৰে জিলাখনৰ পাঁচটা উন্নয়ন খণ্ড - সাকোমঠা, বিহালী, বিশ্বনাথ, ছয়দুৱাৰ আৰু পূব ছয়দুৱাৰত বিস্তৃতভাৱে এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল। বিশ্বনাথ জিলা প্ৰশাসনৰ তত্ত্বাৱধানত বিভিন্ন উন্নয়নমূলক খণ্ডৰ বিভিন্ন আদি সেৱা কেন্দ্ৰত স্বাস্থ্য শিবিৰ, পৰিপূৰ্ণ শিবিৰ, ট্ৰেনজে” ৰাক আৰু ‘জন চুনৱাই’ কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছিল। জনজাতীয় সম্প্ৰদায়সমূহলৈ চৰকাৰী কল্যাণমূলক সেৱা কাৰ্যকৰী ৰূপায়ণ নিশ্চিত কৰাৰ বাবে এই অভিযানত স্বাস্থ্য, পশু চিকিৎসা, মীনপালন, কৃষি, মহকুমা কল্যাণ কাৰ্যালয়, শিক্ষা, খাদ্য ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা, শক্তি বিতৰণ কোম্পানী আৰু অন্যান্য সম্পৰ্কিত বিভাগকে ধৰি কেইবাটাও বিভাগে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। এই শিবিৰ সমূহৰ জৰিয়তে, জনজাতীয় সম্প্ৰদায়সমূহক কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন কল্যাণমূলক আঁচনিৰ অধীনত লাভালাভ প্ৰদান কৰাৰ লগতে অত্যাৱশ্যকীয় নথিপত্ৰ আৰু ৰাজহুৱা সেৱাৰ সৈতে সম্পৰ্কিত সহায় প্ৰদান কৰা হয়। সাকোমঠা উন্নয়ন খণ্ডত, ৩খন গাঁৱৰ ১৫টা শিবিৰৰ জৰিয়তে মুঠ ২৮০০ গৰাকী হিতাধিকাৰীক সামৰি লোৱা হৈছিল। একেদৰে বিহালী উন্নয়ন খণ্ডত, ১২খন গাঁৱৰ ৬টা শিবিৰৰ জৰিয়তে ৬৫৩ গৰাকী হিতাধিকাৰীক সামৰি লোৱা হৈছিল। বিশ্বনাথ উন্নয়ন খণ্ডত, এখন গাঁৱত এটা শিবিৰৰ জৰিয়তে ১৫০জন হিতাধিকাৰীক সামৰি লোৱা হৈছিল। একেদৰে, ছয়দুৱাৰ উন্নয়ন খণ্ডত, ৩খন গাঁৱত ১৫টা শিবিৰৰ জৰিয়তে ৯৮৩ গৰাকী হিতাধিকাৰীয়ে বিভিন্ন আঁচনিৰ অধীনত লাভালাভ আৰু সেৱা প্ৰাপ্ত কৰে। সেইদৰে পূব ছয়দুৱাৰ উন্নয়ন খণ্ডতো এই অভিযানৰ অধীনত ৮খন গাঁৱৰ ১২টা শিবিৰৰ জৰিয়তে মুঠ ৬৯৯ গৰাকী হিতাধিকাৰীক সামৰি লোৱা হৈছিল। এই অভিযানৰ সময়ত, প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা, আধাৰ কাৰ্ড, আয়ুষ্মান ভাৰত কাৰ্ড, অৰুণোদয়, প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ), বন অধিকাৰ পট্টা, পিএম কিষাণ, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, পিএম জীৱন জ্যোতি বীমা যোজনা, পিএম কিষাণ সন্মান নিধি যোজনা, পিএম সুৰক্ষা বীমা যোজনা, পিএম বিশ্বকৰ্মা যোজনা, ৰেচন কাৰ্ড আৰু জল জীৱন মিছন আদিৰ সৈতে সম্পৰ্কিত সেৱা আৰু সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয় আৰু সেৱাসমূহ প্ৰদান কৰা হৈছিল। ইয়াৰ উপৰিও, টিকাকৰণ, যক্ষ্মা পৰীক্ষা, চিকল চেল পৰীক্ষা, মেলেৰিয়া পৰীক্ষা, উচ্চ আৰু নিম্ন ৰক্তচাপ, গেষ্ট্ৰাইটিছ, ৰক্তহীনতা আৰু এএনচি সেৱাৰ বাবে স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হৈছিল। অন্যান্য সেৱা যেনে আভা সৃষ্টি (ABHA generation), পিএমজেএৱাই কাৰ্ডৰ বাবে ই-কেৱাইচি সৃষ্টি, পৰিয়াল পৰিকল্পনা সেৱা আৰু সাধাৰণ স্বাস্থ্য পৰীক্ষাও জিলাখনৰ সকলো উন্নয়ন খণ্ডত প্ৰদান কৰা হৈছিল। কাৰ্যসুচীত ২৩ মে’ৰ দিনা ট্ৰেনজেক্ট ৰাক আৰু ‘জন চুনৱাই’ কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছিল, য’ত জনসাধাৰণৰ সমস্যাৰ কথা শুনা হৈছিল আৰু সজাগতা কাৰ্যসূচীও অনুষ্ঠিত কৰা হৈছিল। জিলা প্ৰশাসনে এতিয়া উত্থাপিত সমস্যা সমূহ সমাধান কৰাৰ বাবে পৰৱৰ্তী পদক্ষেপৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব আৰু অনুসূচীত জনজাতি সম্প্ৰদায়ৰ বাবে সকলো কল্যাণমূলক আঁচনিৰ সুবিধা প্ৰদান নিশ্চিত কৰিব।

## জিলা আৰু ৰাজ্যিক পৰ্যায়লৈ উত্তীৰ্ণ হ’ব প্ৰতিযোগীসকল

# দুধনৈত প্ৰথমবাৰলৈ অনুষ্ঠিত ‘আবৃতি মহাৰণ”ৰ সামৰণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, দুধনৈ, ২৬ মে’ ঃ** অসমৰ বৰেণ্য শিল্পী ড°ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে ‘অসম আবৃতি আৰু সংস্কৃতি পৰিষদ, দুধনৈ শাখা’ৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে যোৱা ২৪ মে’, দেওবাৰে দুধনৈস্থিত গোৱালপাৰা জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েট) প্ৰেক্ষাগৃহত অতি উলহ-মালহেৰে ‘আবৃতি মহাৰণ’ অনুষ্ঠিত হৈ যায়। পৰিষদৰ উদ্যোগত আয়োজন কৰা এই বিশাল প্ৰতিযোগিতাখনত বিভিন্ন শাখাৰ জিলাখনৰ কেবাখনো বিদ্যালয়ৰ পৰা আবৃত্তিকাৰ সকলে উৎসাহজনৰ উপস্থিতিৰে অংশগ্ৰহণ কৰি নিজস্ব কলা প্ৰদৰ্শন কৰে। প্ৰতিযোগিতাখনৰ শুভাৰম্ভণি কৰে অসম আবৃতি আৰু সংস্কৃতি পৰিষদ, দুধনৈ শাখাৰ সভাপতি তৰুণ চন্দ্ৰ চাংমাইয়ে। অনুষ্ঠানত ড°ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে বিশিষ্ট সমাজকৰ্মী ভকত চেৰাণে। আনহাতে বন্তি প্ৰজ্জ্বলন কৰে ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ প্ৰাক্তন মনোনীত সদস্য দিবাকৰ শৰ্মাই। আয়োজক সমিতিয়ে জনোৱা অনুসৰি, এই প্ৰতিযোগিতাত সাফল্য লাভ কৰা প্ৰতিযোগীসকলে পৰৱৰ্তী সময়ত জিলা ভিত্তিত অনুষ্ঠিত হ’বলগীয়া প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিব। জিলা পৰ্যায়ত নিৰ্বাচিত প্ৰতিযোগীসকলে ইয়াৰ পাছতে ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ সক্ষম হ’ব। আবৃত্তিৰ দৰে এটা সৃষ্টিশীল বিষয়বস্তুৰ ওপৰত গুৰুত্ব দি নৱ-প্ৰজন্মৰ প্ৰতিভা বিকাশৰ বাবে লোৱা এই প্ৰচেষ্টাৰ বাবে সচেতন মহলে “অসম আবৃতি আৰু সংস্কৃতি পৰিষদ”ৰ দুধনৈ শাখাক ভূয়সী প্ৰশংসা কৰিছে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাৰ ফলাফল সন্ধিয়ালৈ ঘোষণা কৰে আয়োজক সমিতিয়ে। বিভিন্ন শাখাৰ বিজয়ী সকলৰ নাম তলত দিয়া হ’ল। ফলাফল অনুসৰি “গজালি” শাখাত চন্দনা বৰ্মন (প্ৰথম), শ্ৰেয়া কলিতা (দ্বিতীয়), থুলুংগা বসুমতাৰী (তৃতীয়) “কিশলয় শাখা”ত তৃষৰ্তা লিপ শৰ্মা (প্ৰথম), অনুষ্কা ৰাভা (দ্বিতীয়), জেচিকা মহলীয়া (তৃতীয়) “জোনাকী শাখা”ত যুগস্মিতা ৰাভা (প্ৰথম), ডেনিয়েল কাশ্যপ (দ্বিতীয়), প্ৰাচী উপাধ্যায় (তৃতীয়) “মুকলি শাখা”ত কাকলি শৰ্মা (প্ৰথম), বিভাৰাণী দাস (দ্বিতীয়), টুটুমনি তালুকদাৰ (তৃতীয়)। “প্ৰবীন শাখা”ত ড° বিজয়া দেৱী (প্ৰথম), হিমদ্ৰী হাজৰিকা (দ্বিতীয়)আৰু “ৰামধেনু শাখা”ত বিচাৰকৰ উদগনি বঁটা লাভ কৰে ক্ৰমে তানিয়া ৰাভা, কংকিতা কাশ্যপ আৰু প্ৰীতম চেত্ৰীয়ে। আবৃতি মহাৰণৰ বিচাৰকৰ আসন শুৱনি কৰে ক্ৰমে শেৱালি কলিতা, ৰাজাৰাম ৰাভা আৰুনন্দা ৰায় চৌধুৰীয়ে। আবৃতি মহাৰণ অনুষ্ঠানত গোৱালপাৰা জিলাা সাহিত্য সভাৰ প্ৰতিনিধি জিতুমনি দাস, সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক বাণীকান্ত ৰাভা, জীৱেশ্বৰ কোচ, কুমাৰ বলেন্দ্ৰ, থুলেশ্বৰ কছাৰী আৰু কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত সহায়-সহযোগিতা আগবঢ়োৱা সমূহ ৰাইজক ধন্যবাদ জ্ঞাপন কৰিছে পৰিষদৰ সম্পাদক ড° বিশ্বজিৎ বৰ্মনে।

# নাওবৈচাৰ কল্যাণী বাল্যভৱনত শোকসভা অনুষ্ঠিত

**অসম বাৰ্তা, যোৰহাট, ২৬ মে’ ঃ** কল্যাণী বাল্য ভৱন জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত ইংৰাজী ২৪.০৫.২০২৬ তাৰিখে পৰিচালনা সমিতিৰ উদ্যোগত এখনি শোকসভা অনুষ্ঠিত হয়। পৰিচালনা সমিতিৰ সভাপতি ড° হেমেন শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত পৰিচালনা সমিতিৰ বিষয়ববীয়া সকলৰ লগতে শিক্ষক-কৰ্মচাৰী আৰু কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উক্ত সভাত উপস্থিত ব্যক্তি সকলে যোৱা ২২তাৰিখে আকস্মিক দুৰ্ঘটনাত অকাল বিয়োগ ঘটা বিদ্যালয়ৰ শিক্ষয়িত্ৰী স্বপ্না বৰুৱাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে আৰু শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। উক্ত সভাত পৰিচালনা সভাৰ সভাপতি ড° হেমেন শইকীয়াই মৃতকৰ পৰিয়ালৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি দুটিমান উল্লেখযোগ্য পৰিকল্পনাৰ কথা অৱগত কৰে। প্ৰয়াত স্বপ্না বৰুৱাৰ একমাত্ৰ কন্যা সন্তানটিৰ নামত পাঁচ বছৰীয়া এটা Recurring deposit খোলাৰ লগতে স্বপ্না বৰুৱাই জীৱিত অৱস্থাত নিয়মিতভাৱে লাভ কৰি থকা মাহেকীয়া দৰমহা বিদ্যালয়ৰ আৰ্থিক অৱস্থা ভাল হৈ থকা পৰ্যন্ত তেখেতৰ পৰিয়ালক প্ৰদান কৰি থকা হ’ব বুলিও সিদ্ধান্ত গ্ৰহণৰ কথা অৱগত কৰে। দিয়ে। পৰিচালনা সমিতিৰ উক্ত পৰিকল্পনাত উপস্থিত সদস্য সকলে সন্তোষ প্ৰকাশ কৰি পৰিচালনা সমিতিলৈ ধন্যবাদ সূচক প্ৰস্তাৱ গ্ৰহণ কৰে। আজিৰ সভাতেই কল্যাণী বাল্যভৱন কল্যাণ নিধি পৰিচালনাৰ বাবে পৰাগজ্যোতি দত্তক সভাপতি আৰু যোগানন্দ শইকীয়াক সম্পাদক হিচাপে লৈ ১১ জনীয়া এখনি পূৰ্ণাঙ্গ সমিতি গঠন কৰা হয়। উক্ত কল্যাণ নিধিৰ জৰিয়তে সুদূৰ ভৱিষ্যতে বহুজন ব্যক্তিয়ে জৰুৰী সময়ত আৰ্থিকভাৱে সঁকাহ পাব বুলি আশা কৰা হৈছে।

# গোসাঁইগাঁৱত ‘বীৰাংগনা’ৰ শিক্ষাৰ্থী সজাগতা অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৬ মে’ ঃ** গোসাঁইগাঁও মহকুমাৰ আগশাৰীৰ বেচৰকাৰী মহিলা স্বেচ্ছাসেৱী সংগঠন “বীৰাংগনা” ই আজি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এক সজাগতা অনুষ্ঠান সম্পন্ন কৰে। চহৰখনৰ পৰা প্ৰায় পাঁচ কিলোমিটাৰ আঁতৰৰ সত্যপুৰ স্থিত ৪৪৩ নং সত্যপুৰ এল পি স্কুলত অনুষ্ঠিত হয় এই সজাগতা অনুষ্ঠানটি। চাওঁতাল জনগোষ্ঠী অধ্যুষিত বৃহত্তৰ অঞ্চলটোত স্থাপিত একমাত্ৰ বিদ্যালয়খনৰ শ্ৰেণী কোঠাত দিনৰ এঘাৰ বজাত ছাত্ৰ-ছাত্ৰী সকলক লৈ অনুষ্ঠিত হোৱা সজাগতা সভাখনৰ আদিতে “বীৰাংগনা”ৰ সভানেত্ৰী মৃণালিনী ডেকা কলিতাই শিক্ষাৰ প্ৰয়োজনীয়তা, বৃহত্তৰ অঞ্চলটোত সময়ে সময়ে প্ৰাদুৰ্ভাৱ ঘটা ডাইনী জনিত সমস্যা, বহিঃৰাজ্যলৈ কৰ্মসূত্ৰে শিশুক শ্ৰমিক হিচাপে সৰবৰাহ, বাল্য বিবাহ আদি সমস্যা সমূহৰ ওপৰত সহজ-সৰল ভাষাত ছাত্ৰ-ছাত্ৰী সকলক প্ৰয়োজনীয় প্ৰাথমিক জ্ঞান প্ৰদান কৰি বক্তব্য ৰাখে। আন এগৰাকী স্থানীয় সমাজকৰ্মী টেৰেছা মূৰ্মুয়েও অনুষ্ঠানটোত উপস্থিত থাকি একেখিনি বিষয় চাওঁতালী ভাষাত সহজ-সৰল ভাৱে ছাত্ৰ-ছাত্ৰী সকলৰ বোধগম্য হোৱাকৈ বুজাই দিয়ে। “বীৰাংগনা”ৰ উপদেষ্টা শংকৰ চৌধুৰীয়েও ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি দুআষাৰ কয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক মেথিয়াছ টুডু, সহকাৰী শিক্ষক কমল কান্ত সাহা, “বীৰাংগনা”ৰ সম্পাদিকা কবিতা চৌধুৰী সমন্বিতে সংগঠনটোৰ সমূহ সদস্যা উপস্থিত থাকে। সভাৰ অন্তত ছাত্ৰীসকলৰ মাজত চেনিটেৰী নেপকিন বিতৰণ কৰা হয়।

# জোৰশিমুলীত ড্ৰাগছসহ গ্ৰেপ্তাৰ এজন

**অসম বাৰ্তা, গৌৰীমাৰী, ২৬ মে’ ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত টপাৰপথাৰত আজি বিয়লি আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছসহ সৰবৰাহকাৰী এটাক গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হয়। জানিব পৰামতে জোৰশিমুলী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া অঞ্জনজ্যোতি শৰ্মাৰ নেতৃত্বত আৰক্ষীৰ দল এটাই গোপন খবৰৰ ভিত্তিত টপাৰপথাৰত অভিযান চলায়। অভিযানত আৰক্ষীৰ দলটোৱে ড্ৰাগছসহ সৰবৰাহকাৰী এটাক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত সৰবৰাহকাৰীটো হৈছে চৌতাৰাৰ মুলহক মোল্লাহৰ পুত্ৰ হাফিজুৰ ৰহমান (২৮)। ধৃত সৰবৰাহকাৰীটোৰ পৰা আৰক্ষীয়ে ২২টা কণ্টেইনাৰত থকা ৩২ গ্ৰাম ড্ৰাগছ আৰু পলিথিনৰ পেকেটত থকা ৫ গ্ৰাম মুঠ ৩৭ গ্ৰাম ড্ৰাগছৰ সৈতে এটা ম’বাইল ফোন উদ্ধাৰ কৰে। ধৃত সৰবৰাহকাৰীটোক জোৰশিমুলী আৰক্ষীৰ জিম্মাত ৰাখি সোধা-পোছা অব্যাহত ৰাখিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম’বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ’ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন